● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১২তম সংখ্যা ● গুৱাহাটী ● শুকুবাৰ ২৯ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৩ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 13 May 2022 মূল্য ঃ ৯.০০ টকা




● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

প্ৰতিটো মুহূৰ্তই হৈছে জীৱনৰ এক নতুন আৰম্ভণি।

টি এছ ইলিয়ট
*কবি*



www.dainikagradoot.in

৫ দেশৰ মাজেদি ৰাছিয়াৰ গেছ সৰবৰাহ বন্ধ কৰিলে ইউক্ৰেইনে
১৫ আজি লাভলীনাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল মেচ
৪ ভাৰতীয় ৰাজনীতিত শাসনৰ উত্থান-পতনৰ পৰিক্ৰমা



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১২তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২৯ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৩ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 13 May 2022 মূল্য ঃ ৯.০০ টকা

## যুক্তি আৰু উন্নতি

দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য



একাংশ মানুহৰ মাজত সুচিন্তা, সৎ চেতনা, দায়বদ্ধতা আৰু মানৱীয় মূল্যবোধৰ অভাৱ ঘটিছে। এই অভাৱে এক ভয়ানক পৰ্যায় পাইছেগৈ। একাংশ লোকে যুক্তিসন্মত চিন্তা হেৰুৱাইছে। একপ্ৰকাৰে হিতাহিত জ্ঞানো হেৰুৱাইছে। শাসনত থকা একাংশ লোকে এই কথাটো পাহৰি গৈছে যে কালি-পৰহিলৈ তেওঁলোক সাধাৰণ মানুহ আছিল। আজি তেওঁলোক ক্ষমতাৱান শাসক। আজি আমাৰ দেশৰ শাসক-প্ৰশাসকসকলৰ ১০ পৃষ্ঠাত চাওক

■ গুগল অনুবাদত অন্তৰ্ভুৰ্ক্ত ২৪ টা নতুন ভাষাৰ ভিতৰত স্থান লাভ কৰিলে অসমীয়া ভাষাই ■ উত্তৰ-পূবৰ অসমীয়া, মিজো, মেইটেইল'নৰ উপৰি ভাৰতৰ মুঠ আঠটা ভাষাহে অন্তৰ্ভুৰ্ক্ত হৈছে

# জগতসভালৈ যাত্ৰা অসমীয়া ভাষাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১২ মে' ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু লক্ষ লক্ষ অসমীয়াৰ সপোন বাস্তৱত পৰিণত কৰি অসমীয়া ভাষাৰ যাত্ৰা আৰম্ভ হ'ল জগতসভালৈ। ভাষাৰ পৰিধি ভাঙি এপৰ জৰিয়তে অনুবাদৰ বাবে গুগলে নতুনকৈ অন্তৰ্ভুৰ্ক্ত কৰা ২৪ টা ভাষাৰ ভিতৰত আছে অসমীয়া ভাষা। ইয়াৰ ফলত এতিয়াৰ পৰা গুগল অনুবাদ এপৰ জৰিয়তে বিশ্বৰ ১৩৩ টা ভাষাত ইংৰাজীলৈ আৰু ইংৰাজীৰ পৰা অনুবাদ সম্ভৱ হ'ব। আজি অন্তৰ্ভুৰ্ক্ত হোৱা এই ২৪টা নতুন ভাষাৰ ভিতৰত আঠটা ভাৰতৰ স্থানীয় ভাষা। নতুনকৈ অন্তৰ্ভুৰ্ক্ত হোৱা ভাষাসমূহৰ ভিতৰত আছে অসমীয়াৰ লগতে ভোজপুৰী, সংস্কৃত আৰু অন্যান্য কে'বাটাও। ইয়াৰে ভাৰতৰ স্থানীয় ভাষাকেইটা হৈছে ক্ৰমে অসমীয়া, ভোজপুৰী, ডোগৰি, কোংকানি, মৈথিলী, মিজো, ১০ পৃষ্ঠাত চাওক





*ছয় ডাল কেঁকো সাপসহ চোৰাং সৰবৰাহকাৰী ধৰা পৰিল শোণিতপুৰৰ বৰঘাটত, বৃহস্পতিবাৰে।*

■ কেৱল সংস্থাপনহীনতাই নহয়, গণতান্ত্ৰিক সংগঠনসমূহৰ নিষ্ক্ৰিয়তা-নেতাৰ বিশ্বাসহীনতাৰ লগতে সমস্যা সমাধানত বিলম্বও নিষিদ্ধ সংগঠনত যোগদানৰ মূল কাৰণৰূপে চিহ্নিত হৈছে

## আলফালৈ কিয় ? স্পষ্ট নহয় চোৰাংচোৱাও

■ পৰেশ বৰুৱাৰ ব্যাপক ভিডিঅ' প্ৰচাৰৰো প্ৰভাৱ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১২ মে' ঃ** পাঁচ দশকজোৰা উত্থান-পতনৰ পাছত শেহতীয়াকৈ নিষিদ্ধ আলফা স্বাধীনত ৰাজ্যৰ বহু যুৱক-যুৱতীয়ে যোগদান কৰা বিষয়টোৱে ব্যাপক চৰ্চা লাভ কৰিছে। আলফা স্বাধীনৰ প্ৰতি ৰাজ্যৰ এইসকল যুৱক-যুৱতী কিয় আকৃষ্ট হৈছে তাকে লৈ সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমত ব্যাপক চৰ্চা চলি থকাৰ সমান্তৰালভাৱে উদ্বিগ্ন হৈ পৰিছে গৃহ বিভাগ। আলফা (স্বাধীন)ত সময়ে সময়ে যোগদান অব্যাহত আছে যদিও শেহতীয়াকৈ বৃহৎ সংখ্যক অসমীয়া যুৱক-যুৱতীয়ে এই পন্থা গ্ৰহণ কৰা মূল কাৰকসমূহ পৰীক্ষা অব্যাহত ৰাখিছে চোৰাংচোৱা বিভাগে। আলফা গমনৰ অন্তৰ্নিহিত কাৰণসমূহ ফঁহিয়াই চোৱাৰ সময়তে কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য সংশ্লিষ্ট কৰ্তৃপক্ষৰ হাতত পৰিছে। আনকি আলফা (স্বাধীন)ত যোগদানৰ সন্দৰ্ভতো সামাজিক মাধ্যমত মুকলি প'ষ্ট তথা একাউণ্ট খুলি একাংশই চৰ্চা চলোৱাৰ তথ্য লাভ কৰিছে আৰক্ষী-চোৰাংচোৱাই। ১০ পৃষ্ঠাত চাওক



## আজি পুৱাৰ পৰা পেট্ৰ'ল ডিপ' বন্ধৰ আহ্বান বৃহত্তৰ গুৱাহাটীত

প্ৰথম পৰ্যায়ত ২৪ ঘণ্টীয়া কাৰ্যসূচী ঘোষণা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১২ মে' ঃ** তেল কোম্পানীবোৰৰ একাংশ বিষয়া-কৰ্মচাৰী আৰু পৰিবহণকাৰীয়ে মিলি খুচুৰা ডিপ'বোৰক পেট্ৰ'ল-ডিজেল যোগানৰ নামত দীৰ্ঘদিন কেলেংকাৰি সংঘটিত কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। এই কেলেংকাৰিৰ পৰিণামস্বৰূপে ডিপ'বোৰে ১০ পৃষ্ঠাত চাওক

ইন্ধন আৰু তেলৰ মূল্যবৃদ্ধিয়ে মূল কাৰণৰূপে চিহ্নিত কৰা হৈছে

## খুচুৰা মুদ্ৰাস্ফীতি এপ্ৰিলত বৃদ্ধি ৭.৭৯ শতাংশ ঃ বিগত আঠ বছৰৰ সৰ্বোচ্চ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১২ মে' ঃ** দেশত খুচুৰা মুদ্ৰাস্ফীতি যোৱা এপ্ৰিলত ৭.৭৯ শতাংশলৈ বৃদ্ধি পালে। ইন্ধন আৰু খাদ্য সামগ্ৰীৰ বৰ্ধিত মূল্যৰ বাবে এনে বৃদ্ধি হৈছে বুলি চৰকাৰী তথ্যই প্ৰকাশ কৰিছে। চাৰিমাহ একেৰাহে মুদ্ৰাস্ফীতিৰ পৰিসংখ্যা ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ সৰ্বোচ্চ সীমাৰ ওপৰত আছে। বিগত আঠ বছৰৰ ভিতৰত এই এপ্ৰিলত মুদ্ৰাস্ফীতিৰ (গ্ৰাহক মূল্য সূচাংক অৰ্থাৎ চিপিআই) বৃদ্ধিৰ হাৰ আছিল সৰ্বোচ্চ। ইয়াৰ পূৰ্বতে ২০১৪ৰ মে'ত সেই সময়ছোৱাত সৰ্বোচ্চ হাৰ আছিল ৮.৩৮ শতাংশ। এপ্ৰিলৰ পৰা বিগত মাহ পৰ্যন্ত খাদ্য মুদ্ৰাস্ফীতিৰ বৃদ্ধি হাৰ ক্ৰমে ৮.৩৮ শতাংশ আৰু ৭.৬৪ শতাংশ। শাক-পাচলি আৰু ৰন্ধন তেলৰ মূল্য বিশ্বজুৰি বৃদ্ধি পোৱাৰ ফলতে খাদ্য মুদ্ৰাস্ফীতি বৰ্ধিত হৈ থকাৰ তথ্য প্ৰকাশিত হৈছে। ইন্ধনৰ মুদ্ৰাস্ফীতি এপ্ৰিলত দ্ৰুতভাৱে ১০.৮০ শতাংশলৈ বৃদ্ধি পায় আৰু তাৰ পূৰ্বৱৰ্তী মাহত এই হাৰ আছিল ৭.৫২ শতাংশ। একেদৰে তেল আৰু 'চৰ্বি'ৰ ১০ পৃষ্ঠাত চাওক

■ পুৱতি নিশা শ্ৰমিক নিদ্ৰাত থকাৰ সুযোগতে চলিল এক্সকেভেটৰ ■ ২৫শে বিঘা ভূমিৰ ৩০ লাখ চাহ গছ হেৰুৱাই ক্ৰন্দনত ভাঙি পৰিল শ্ৰমিক ■ কান্দি কান্দি আৰক্ষীৰ ভৰিত ধৰিলে মহিলা শ্ৰমিকে ■ কৰ্মহীন হৈ পৰাৰ আশংকাত মাওবাদীত যোগদানৰ হুংকাৰ শ্ৰমিকৰ ■ প্ৰতিবাদকাৰীক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীৰ মৃদু লাঠিচালনা ■ ডলু চাহ বাগিচাত ১৪৪ ধাৰা

## বিমানকোঠৰ বাবে চাহ বাগিচাত উচ্ছেদ

কটকটীয়া নিৰাপত্তা ■ সন্ত্ৰাস বন্ধৰ দাবী মজুৰি শ্ৰমিক ইউনিয়ন-ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ

বিশেষ সংবাদদাতা

**শিলচৰ, ১২ মে' ঃ** কাছাৰত গ্ৰীণ ফিল্ড বিমানকোঠ নিৰ্মাণৰ বাবে আজি জিলাখনৰ ডলু চাহ বাগিচাত প্ৰশাসনৰ উচ্ছেদক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। আজি পুৱতি নিশাৰ পৰাই চলা এই বৃহৎ উচ্ছেদ অভিযানত চাহ বাগিচাখনৰ ২৫শ বিঘা ভূমিত থকা চাহৰ লগতে অন্যান্য মূল্যবান গছ-গছনি কাটি তহিলং কৰা হয়। এই উচ্ছেদক কেন্দ্ৰ কৰি আজি চাহ বাগিচাখনৰ শ্ৰমিকে উত্তপ্ত পৰিস্থিতিৰো সৃষ্টি কৰাত আৰক্ষীয়ে লাঠিচালনা কৰিবলগীয়া হয়। ঘটনাক কেন্দ্ৰ কৰি এতিয়াও অঞ্চলটোত চেপা উত্তেজনা বিৰাজ কৰি আছে। ১০ পৃষ্ঠাত চাওক



## বিজু গগৈয়ে আত্মহত্যা কৰাৰ দাবী আলফা (স্বা)ৰ



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১২ মে' ঃ** আলফা (স্বাধীন)ৰ স্বয়ম্ভু লেন্স কৰ্প'ৰেল ভাগ্য অসম ওৰফে বিজু গগৈক হত্যা কৰা হোৱা নাছিল; বৰঞ্চ নিজৰ কৃতকৰ্মৰ বাবে অনুতপ্তত দগ্ধ হৈ তেওঁ শিৱিৰতে আত্মহত্যাহে কৰিছিল। ১০ পৃষ্ঠাত চাওক

## কাৰ্বি পৰিষদৰ নিৰ্বাচন আঠ জুনত, ফলাফল ১২ত

■ বিটিচিৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰো ভোট-ফলাফল



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১২ মে' ঃ** অহা আঠ জুনত অনুষ্ঠিত হ'ব কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন। একেদিনাই বিটিচিৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰো উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি ইয়াত এই ঘোষণা কৰে ৰাজ্যিক মুখ্য নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে। কাৰ্বি পৰিষদৰ নিৰ্বাচনৰ বাবে ৰাজ্যৰ শাসকীয় বিজেপিৰ লগতে আন একাংশ দলেও বিগত ১০ পৃষ্ঠাত চাওক

## বিক্ৰমসিংহে শ্ৰীলংকাৰ নতুন প্ৰধানমন্ত্ৰী

■ নিউজ ব্যুৰ'

**কলম্বো, ১২ মে' ঃ** শ্ৰীলংকাৰ প্ৰবীণ ৰাজনীতিক ৰণিল বিক্ৰমসিংহেক দেশৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰীৰূপে নিযুক্তি দিলে ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষই। ৭৩ বছৰীয়া বিক্ৰমসিংহেই শপত গ্ৰহণ কৰে বুলি ৰাষ্ট্ৰপতি কাৰ্যালয়ে প্ৰকাশ কৰে। ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২৪° |
| ডিব্ৰুগড় | ২৮° | ২২° |
| দিল্লী | ৪২° | ২৯° |
| কলকাতা | ৩৪° | ২৯° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩০° | ২৬° |
| বাংগালুৰু | ২৪° | ২১° |
| শ্বিলং | ২৩° | ১৮° |

*১২ মে', ২০২২*

■ বিশ্বৰ শীৰ্ষতম শৃংগত পুনৰ জিলিকি উঠিল অসমৰ গামোচা

## সপ্তম অসমীয়াৰূপে এভাৰেষ্টত আৰোহণ হাজোৰ হেদায়েৎ আলীৰ

আমেৰিকা নিবাসী অসম সন্তানৰ সাফল্য

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১২ মে' ঃ** অসাধ্য সাধনত সফল হ'ল আৰু এজন অসম সন্তান। বিশ্বৰ শীৰ্ষতম উচ্চতাত পুনৰ জিলিকি উঠিল অসমীয়া গামোচা। অসম জননীক আকৌ এবাৰ গৌৰৱান্বিত কৰিলে এজন ক্ৰীড়াবিদে। সপ্তম অসমীয়াৰূপে ১০ পৃষ্ঠাত চাওক





দৈনিক অগ্ৰদূত

গুৱাহাটী শুক্ৰবাৰ ২৯ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৩ মে' ২০২২



## অবাঞ্চিত বৈষম্য

সম্প্ৰতি আমাৰ সমাজত সংঘটিত হত্যা-হিংসা, দুৰ্নীতি, ধৰ্ষণ আদি ভয়াবহ ধৰণে বৃদ্ধি পোৱাৰ মূলতে হৈছে শিক্ষা ব্যৱস্থাৰ ব্যৰ্থতা। অন্যান্য দেশতো এনে দুষ্কাৰ্য কম-বেছি পৰিমাণে সংঘটিত হয় যদিও আমাৰ দেশত ই মহামাৰীৰ ৰূপ ধাৰণ কৰিছে। যিখন সমাজৰ বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী লোকসকলেই পশুতকৈও অধম কাৰ্যকলাপত ব্ৰতী হয়, তেনে এখন সমাজৰ লোকক শিক্ষিত আখ্যা দিব পাৰিনে? যিটো সময়ত বহুতেই আনুষ্ঠানিক শিক্ষা লাভৰ পৰা বঞ্চিত হৈ আছিল, তেতিয়াও সমাজত বৰ্তমানৰ লেখিয়াকৈ দুষ্কাৰ্য সংঘটিত হোৱা নাছিল; কিন্তু সাম্প্ৰতিক কালৰ শিক্ষিত সমাজত সংঘটিত পশু সুলভ কাৰ্যকলাপে স্পষ্ট কৰি দিছে যে শিক্ষা লাভৰ দ্বাৰা নৈতিক চৰিত্ৰৰ উত্তৰণ ঘটা নাই। বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা প্ৰাপ্তিয়ে যদিহে মূল্যবোধৰ শিক্ষা প্ৰদান নকৰে, তেন্তে তেনে শিক্ষা লাভৰ পৰা সমাজৰ কি উপকাৰ হ'ব? দাৰ্শনিক প্লেটোৰ বাছেলে কৈছিল— 'বহুল অৰ্থত শিক্ষাৰ উদ্দেশ্য দুটাৰ প্ৰথমটো লিখা-পঢ়াকে আৰম্ভ কৰি কিছুমান কৌশল শিকোৱা আৰু দ্বিতীয়টো হ'ল— মানুহক সু-নাগৰিক হ'বলৈ উপযোগী কৰি গঢ়ি তোলা।' ইয়াৰ অৰ্থ নাগৰিকৰ সচেতনতাইহে মানুহক সামাজিক কৰি গঢ়ি তোলে আৰু সমূহীয়া স্বাৰ্থৰ বাবে কাম কৰিবলৈ ব্যক্তিক অনুপ্ৰাণিত কৰে। কিন্তু আমাৰ শিক্ষা ব্যৱস্থাৰ কেৱোণৰ হেতুকে শিক্ষিতসকল অধিক ব্যক্তিকেন্দ্ৰিক হৈছে আৰু তাৰ প্ৰমাণস্বৰূপে ৰাজহুৱা ধন আত্মসাৎ কৰি নিজ স্বাৰ্থ পূৰণৰ প্ৰৱণতা প্ৰকট হৈ উঠিছে। যি শিক্ষাই মানুহক সামাজিক কৰি তোলাৰ বিপৰীতে ব্যক্তিকেন্দ্ৰিক কৰি তোলে, তেনে শিক্ষা যে অৰ্থহীন সেই কথা সৰ্বপল্লী ৰাধাকৃষ্ণণে এনেদৰে কৈছিল— 'পদাৰ্থ বিজ্ঞান, ৰসায়ন, অভিযান্ত্ৰিক আৰু কাৰিকৰী কৌশলৰ উৎকৰ্ষ সাধন কৰা মানেই জাতীয় শিক্ষা নহয়, আমাৰ ঐতিহ্যৰ প্ৰমূল্যবোধৰ ছাত্ৰ-ছাত্ৰীয়ে সৰ্বান্তকৰণে গ্ৰহণ কৰিব পৰাটোহে জাতীয় শিক্ষা।' জুলিয়ান হাক্সলিয়ে কৈছিল যে কুৰি শতিকাত জ্ঞানৰ বিস্ফোৰণ ঘটিছে; কিন্তু এই জ্ঞান সমাজ গঢ়াৰ সলনি যদিহে ধ্বংসাত্মক কামতহে প্ৰয়োগ হয়, তেন্তে সমাজ যে আদিম যুগৰ বৰ্বৰতাৰ পৰা মুক্ত হ'ব পৰা নাই, সেইটোৱে প্ৰমাণ কৰে।

বিজ্ঞান-প্ৰযুক্তি আৰু শেহতীয়াকৈ ইণ্টাৰনেটৰ সংযোজনে শিক্ষাৰ আমূল পৰিৱৰ্তন ঘটাইছে; কিন্তু পৰম বিস্ময়ৰ কথা এইটোৱেই যে এফালে কিছু সংখ্যক ছাত্ৰই ইণ্টাৰনেটৰ শেহতীয়া উদ্ভাৱনসমূহৰ সদ্ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছে আৰু আনহাতে গ্ৰামাঞ্চলৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ ন্যূনতম সা-সুবিধাখিনিও লাভ কৰিবলৈ সক্ষম হোৱা নাই। এনে বৈষম্য আঁতৰ নোহোৱালৈকে শিক্ষাৰ সুষম বিকাশ সম্ভৱ হ'ব পাৰে কেনেকৈ? আমাৰ সংবিধানত সকলো শিশুৰ বাবেই শিক্ষালাভৰ নিশ্চয়তা দিয়া হৈছে। দৰাচলতে প্ৰতিজন ব্যক্তিৰ দক্ষতাৰ বিকাশ আৰু প্ৰয়োগৰ ওপৰতহে দেশৰ সমৃদ্ধি নিৰ্ভৰ কৰে। আমাৰ নেতাসকলহে কেৱল সকলোৱে সম-অধিকাৰ লাভ কৰা বুলি প্ৰচাৰ চলাই আহিছে; কিন্তু যদিহে আৰ্থিক অনাটনৰ হেতুকে ল'ৰা-ছোৱালীয়ে শিক্ষানুষ্ঠানলৈ যাবলৈ সক্ষম নহয়, তেন্তে এই ইণ্টাৰনেটৰ যুগতো আমি মধ্যযুগৰ অন্ধকাৰতেই থকাৰ কথা স্বীকাৰ কৰি ল'ব লাগিব। কেন্দ্ৰীয় চৰকাৰেই হওক, অথবা ৰাজ্য চৰকাৰেই হওক অত্যাধুনিক শিক্ষা যাতে দেশখনৰ সকলো প্ৰান্তলৈকে সমানে সম্প্ৰসাৰিত হয় তাৰ ব্যৱস্থা কৰাটো নিতান্তই উচিত; কিন্তু বিত্তীয় অনাটনৰ অজুহাত দেখুৱাই শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত অৱহেলা দেখুওৱা হৈছে। গ্ৰামাঞ্চলৰ প্ৰায়ভাগতে আধুনিক শিক্ষা পদ্ধতি দূৰৰে কথা, বহুতো বিদ্যালয়ৰেই অৱস্থা জৰাজীৰ্ণ। এনেকুৱা অবাঞ্চিত বৈষম্য এখন স্বাধীন দেশত চলি থকাটো লজ্জাৰ কথা নহয়নে? প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰতে যদিহে এনেধৰণৰ বৈষম্য অব্যাহত থাকে, তেন্তে দেশৰ সামগ্ৰিক শিক্ষাৰ বিকাশ সম্ভৱ হয় কেনেকৈ?

# ভাৰতীয় ৰাজনীতিত শাসনৰ উত্থান-পতনৰ পৰিক্ৰমা

### প্ৰযুক্তিৰ ক্ষেত্ৰত উন্নত দেশ জাৰ্মানী, আমেৰিকা, ইংলণ্ড, ফ্ৰান্স আদি বহু দেশতেই ই ভি এম মেচিন ব্যৱহাৰ নহয়, কাৰণ এইবোৰত সুদক্ষ প্ৰযুক্তিবিদে ইচ্ছা মতে ফলাফল সলনি কৰিব পাৰে বুলি দেশবোৰ পতিয়ন গৈছে



দৃষ্টিপাত

ড° খৰ্গেশ্বৰ ভূঞা

ৰাজনীতিত উত্থান-পতন অৱশ্যম্ভাৱী, বিশেষকৈ শাসন ক্ষমতা ধৰি ৰখাৰ পৰিপ্ৰেক্ষিতত। আগৰ দিনৰ ৰজা-মহাৰজাৰ শাসনতেই হওক বা আধুনিক ভাৰতৰ গণতান্ত্ৰিক শাসনৰ ক্ষেত্ৰতেই হওক, এসময়ৰ ক্ষমতাশালী শাসকীয় দল কিছু কালৰ পাছতেই ক্ষমতাচ্যুত হ'ব পাৰে। প্ৰাচীন ভাৰতত ৰজা, মহাৰজা, চক্ৰৱৰ্তী, সম্ৰাট আদি অভিধাসম্পন্ন হ'লেও এইসকলৰ ৰাজ্যবোৰ আধুনিক ভাৰতীয় গণৰাজ্যৰ তুলনাত তেনেই ক্ষুদ্ৰ আছিল। যি 'ৰাম ৰাজ্য'ৰ কথা লৈ ঢাক-ঢোল বজোৱা হয়, সেই ৰাজ্যৰ বিস্তৃতি বৰ্তমানৰ কামৰূপ মহানগৰ জিলাৰ মাটি-কালিতকৈও কম। প্ৰাচীন ৰাজ্যবোৰৰ পাছত হিন্দু ৰজাৰ ৰাজত্বলৈকে ৰাজ্যবোৰ তেনেই সৰু আছিল। দিল্লীৰ ওচৰৰ কনৌজ অঞ্চলৰ শেষ হিন্দু ৰজা জয়চন্দ্ৰক মুছলমান চাহাবুদ্দিন ঘোৰীয়ে পৰাস্ত কৰাৰ পাছতো ৰাজ্যবোৰ সৰু আছিল। মোগলৰ দিনত ৰাজ্যৰ পৰিসৰ বাঢ়িছিল। মোগলৰ শাসন কালত এনে লাগিছিল যেন এই শাসনেই ভাৰতত চিৰস্থায়ী হ'ব, কাৰণ বাবৰৰ পৰা ঔৰংগজেৱলৈ ছজন মোগল সম্ৰাটৰ প্ৰতিপত্তি অদমনীয় আছিল। পিছে মোগল শাসন এসময়ত থৰক-বৰক হ'ল, তাৰ পাছত আহিল ব্ৰিটিছ। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা অহা ব্ৰিটিছৰ তুলনাত বিশাল ভাৰতবৰ্ষৰ জনসংখ্যা বেছি হ'লেও সেই এমুঠিমান ব্ৰিটিছেই সমগ্ৰ ভাৰতক একত্ৰিত ৰূপত ১২০ৰ পৰা ১৯০ বছৰমান কাল পদানত কৰি ৰাখিলে। ১৭৫৭ৰ পৰা বিংশ শতিকাৰ তিনিটামান দশকলৈকে ভাৰতীয় লোকে ভাবি লৈছিল যে ব্ৰিটিছৰ শাসন অজৰ-অমৰ হৈ থাকিব। পিছে স্বাধীনতাকামী ভাৰতীয় জনগণে অজেয় যেন লগা ব্ৰিটিছ সিংহক বিনা অস্ত্ৰৰেই যুঁজি দেশ এৰিবলৈ বাধ্য কৰিলে।

স্বাধীনতাৰ পাছত পাঁচোটামান নিৰ্বাচনত কংগ্ৰেছ প্ৰায় অপ্ৰতিৰোধ্য আছিল, কাৰণ ব্ৰিটিছক খেদি ভাৰতৰ স্বাধীনতা অনাত দলটোৰ অপৰিসীম অৱদান আছিল। মোগল শাসনৰ পূৰ্বৰ কথা বাদেই, বিশাল ভাৰতৰ বৃহৎ অংশক একত্ৰিত কৰি মোগল আৰু ব্ৰিটিছে শাসন কৰাৰ কালতো ভাৰতত সৰু-বৰ অনেক ৰাজ্যই কৰতলীয়া হ'লেও নিজৰ অস্তিত্ব অক্ষুণ্ণ ৰাখিছিল। স্বাধীনতাৰ সময়ত তেনে ৰাজ্যৰ সংখ্যা আছিল ৬০১ খন, ইয়াৰে ৫৫৫ খনে ভাৰতীয় গণৰাজ্যত আৰু বাকীখিনিয়ে পাকিস্তানত যোগ দি নিজৰ অস্তিত্ব বিলীন কৰে ১৯৪৭-৪৯ৰ ভিতৰত। ইমান বৃহৎ সংখ্যক ৰাজ্যৰ প্ৰজাই ৰজাৰ শাসনতকৈ গণতান্ত্ৰিক শাসনকহে অগ্ৰাধিকাৰ দিলে। গণতান্ত্ৰিক ভাৱধাৰা বিশাল ভাৰতৰ জনগণৰ মনত প্ৰোথিত কৰাত মহাত্মাৰ নেতৃত্বৰ কংগ্ৰেছৰ বিশেষ অৱদান আছিল। ৰাইজৰ একত্ৰিত শক্তিয়ে অপৰাজেয় ব্ৰিটিছ সিংহক নেজ দাঙি পলাবলৈ বাধ্য কৰাব পাৰে বাবে ৰাইজৰ প্ৰতিনিধিয়ে শাসন কাৰ্য সুচাৰুৰূপে চলাব পাৰিব বুলি ৰাইজৰ বিশ্বাস হৈছিল আৰু সেইবাবে বিশাল ভাৰতীয় গণতন্ত্ৰৰ সৃষ্টি হৈছিল।

আৰম্ভণিতে নিৰ্বাচনী ৰাজনীতিত কংগ্ৰেছক বিৰোধ কৰা দল দুটা আছিল ছ'চিয়েলিষ্ট পাৰ্টি আৰু কমিউনিষ্ট পাৰ্টি। প্ৰথমটো দল অৱশ্যে পুৰণি কংগ্ৰেছীৰেই গঠিত হৈছিল স্বাধীনতাৰ পূৰ্বেই হোৱা কংগ্ৰেছ ছ'চিয়েলিষ্ট ভাগটোৰ পৰা। এই দলতো বিভাজন, পুনৰ্মিলন আদি হৈছিল— ছ'চিয়েলিষ্ট, প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টি, সংযুক্ত ছ'চিয়েলিষ্ট পাৰ্টি আদি নামেৰে। সেইদৰে ১৯২৯তে বীজ অংকুৰিত হোৱা কমিউনিষ্ট দলতো বিভাজন হ'ল— চি পি আই, চি পি এম, আৰু চি পি ই ইত্যাদি। সি যি কি নহওক, স্বাধীনতা আন্দোলনৰ সুবাদতেই কংগ্ৰেছ দলে ভাৰতৰ শাসনৰ বাঘজৰী ধৰি আছিল তুলনামূলকভাৱে দুৰ্বল বিৰোধী দলৰ বিপৰীতে। ক্ষমতাৰ খোৱা-কামোৰাৰ ফলত দলীয় বিসম্বাদ, দুৰ্নীতিৰ প্ৰৱেশ আদি কাৰণত ১৯৬৭ত কংগ্ৰেছৰ আসন ২৮৩ খনলৈ নামিছিল। তাৰ পাছত আহিল কংগ্ৰেছৰ বিভাজন। ১৯৬৭ৰ লোকসভা নিৰ্বাচনত হিন্দুত্বৰ ধ্বনিৰে ভাৰতীয় জনসংঘই উল্লেখনীয় সফলতা লাভ কৰিছিল ৩৫ খন আসনেৰে, আসনৰ সংখ্যাৰ হিচাপত কংগ্ৰেছৰ পাছত আছিল স্বতন্ত্ৰ পাৰ্টি ৪৪ খন আসনেৰে। চি পি আয়ে ২৩ খন আসন পাইছিল। বিভাজন সত্ত্বেও ১৯৭১ত ইন্দিৰা কংগ্ৰেছে ৩৫২ খন আসনেৰে সন্তোষজনক সফলতা লাভ কৰিলে, আনটো গোট সাংগঠনিক কংগ্ৰেছে পালে ১৬ খন আসন, জনসংঘৰো আসন ২২ খনলৈ নামিল।

১৯৭৬ৰ জৰুৰী অৱস্থাই ইন্দিৰাক ডুবালে। অতি কুশলী ৰাজনীতিবিদ, শক্তিশালী আৰু আকৰ্ষণীয় ব্যক্তিত্বৰ ইন্দিৰাও আমৃত্যু দেশৰ প্ৰধানমন্ত্ৰী হৈ থাকিব বুলি বৃহৎ সংখ্যক জনগণে বিশ্বাস কৰিবলৈ লোৱাৰ সময়তেই সন্মিলিত জনতা দলৰ হাতত ইন্দিৰাৰ পতন ঘটিল। পিছে 'আৰ ছিগা চুলি, তাৰ ছিগা চুলিৰে বন্ধা নেঘেৰী খোপা'ৰ স্থায়িত্ব নথকাৰ দৰে সোঁপন্থী কংগ্ৰেছ, বামপন্থী কমিউনিষ্ট, সমাজবাদী, স্বতন্ত্ৰ পাৰ্টি, হিন্দুত্ববাদী জনসংঘ আদি বিচিত্ৰ খিচিৰি ভালকৈ নিসিজাৰ বাবে তিনি বছৰ নহওঁতেই জনতা দল থানবান হ'ল। ১৯৮০ত ইন্দিৰা পুনৰ প্ৰধানমন্ত্ৰী হ'ল সন্তোষজনক সংখ্যাগৰিষ্ঠতাৰে। তাৰ পাছত ইন্দিৰা হত্যাৰ সহানুভূতিয়ে ১৯৮৪ৰ লোকসভা নিৰ্বাচনত অভিলেখ সংখ্যক আসন ইন্দিৰা কংগ্ৰেছক দিলে। ১৯৫২ৰ প্ৰথম লোকসভা নিৰ্বাচনত ৪৮৯ খন মুঠ আসনৰ ভিতৰত ৩৬৪ খন আসন লাভেৰে কংগ্ৰেছে প্ৰায় ৭৪.৪ শতাংশ আসন পাইছিল। আনহাতে, ১৯৮৪ৰ নিৰ্বাচনত ৫১৪ খন আসনৰ ভিতৰত ৪০৪ খন কংগ্ৰেছে লাভ কৰি ৭৮.৫ শতাংশ মান আসন পাইছিল, পাছত উপ-নিৰ্বাচনত আন ১০ খন আসনো দলটোৱে পাইছিল। এটা দলেই ইমান আসন পোৱাৰ এয়া অভিলেখ আছিল, ভৱিষ্যতেও এই অভিলেখ ভংগৰ আশা কম।

লক্ষ্যণীয় কথাটো হ'ল অভিলেখ সংখ্যক আসন পাই প্ৰধানমন্ত্ৰী হোৱা ৰাজীৱ গান্ধীয়ে পাঁচোটা বছৰেই জনপ্ৰিয়তা ধৰি ৰাখিব নোৱাৰিলে; ১৯৮৯ৰ নিৰ্বাচনত ১৯৭ খন আসনেৰে দলটোৱে সংখ্যাগৰিষ্ঠতা হেৰুৱালে। বফ'ৰ্ছ কেলেংকাৰিয়ে ৰাজীৱ গান্ধীৰ ৰাজহাঁড় ভাঙিছিল। এই ক্ষতি পূৰাবলৈ তেওঁ বিতৰ্কিত বাবৰি মছজিদ-ৰাম জনমভূমিৰ দুৱাৰ খুলি (১৯৪৯ত হিন্দু-মুছলমান সংঘৰ্ষ ৰোধিবলৈ বাবৰি মছজিদত তলা লগোৱা হৈছিল) ধৰ্মীয় ৰাজনীতিৰ আশ্ৰয় লৈছিল, 'ৰামৰাজ্য'ৰো ঘোষণা কৰিছিল। ৰামৰাজ্য, ৰাম জনমভূমি আদিৰ লগতে 'জয় শ্ৰীৰাম'ৰ ৰাজনীতি আছিল বিজেপিৰ; পিছে কংগ্ৰেছে 'হিন্দুত্ব'ক আত্মসাৎ কৰিবলৈ বিচৰাত শংকিত হৈ বিজেপিয়ে এল কে আদৱানীৰ নেতৃত্বত 'ৰথযাত্ৰা' আৰম্ভ কৰিলে। হিন্দুত্বৰ ৰাজনীতি কংগ্ৰেছতকৈ বিজেপিৰ লাভ হ'ল বেছি। ১৯৮৪ৰ মাত্ৰ দুখন লোকসভাৰ আসন পোৱা বিজেপিয়ে ১৯৮৯ৰ নিৰ্বাচনত আসনৰ সংখ্যা ৮৫লৈ বঢ়ালে। বফ'ৰ্ছৰ ধুমুহাত বিধ্বস্ত হোৱা কংগ্ৰেছৰো অৱশ্যে হিন্দুত্বৰ ৰাজনীতিত সামান্য লাভ হ'ল। বিজেপিৰ সমৰ্থনত কংগ্ৰেছ বিৰোধী ভি পি সিঙৰ চৰকাৰ হ'ল, পাছত বিজেপিয়ে সমৰ্থন আঁতৰোৱাত চৰকাৰ ভাঙিল, কংগ্ৰেছৰ সমৰ্থনত এইবাৰ চন্দ্ৰ শেখৰৰ চৰকাৰ হ'লেও এইখনো নিটিকিল।

১৯৯১ৰ মে'ত নিৰ্বাচন হৈছিল যদিও ৰাজীৱ গান্ধীৰ হত্যাকাণ্ডৰ বাবে জুনতহে নিৰ্বাচন শেষ হৈছিল। পাছৰ পিনে গান্ধী হত্যাকাণ্ডৰ ফলত সহানুভূতিৰ আসন বাঢ়িলেও কংগ্ৰেছৰ আসন ২৪৪ত ৰ'ল বাবে সাংসদ বেচা-কিনাৰ অভিযোগৰ যোগেদি আন দলৰ সহযোগত নৰসিংহ ৰাও প্ৰধানমন্ত্ৰী হ'ল। 'ঘোঁৰা বেচা'ৰ প্ৰক্ৰিয়া এই সময়তে হৈছিল বুলি ভবা হয়। ১৯৯৬-৯৯ৰ ভিতৰত ১৩ দিনীয়া আৰু ১৩ মহীয়া বাজপেয়ী চৰকাৰৰ পাছত এইজন প্ৰধানমন্ত্ৰীৰ ছত্ৰছায়াতে চৰকাৰ গঠন হয়। সাংসদ কিনাৰ দৰে গৰ্হিত কাম বাজপেয়ীয়ে নকৰাৰ বাবে দুখন চৰকাৰ ভাঙিছিল। ২০০৪ত 'চাইনিং ইণ্ডিয়া' গঢ়াৰ প্ৰতিশ্ৰুতিৰে এন ডি এ চৰকাৰে আগতীয়াকৈ নিৰ্বাচনত অৱতীৰ্ণ হ'লেও ভোটাৰৰ ৰায় বিৰোধী কংগ্ৰেছ নেতৃত্বৰ ইউ পি এলৈহে গ'ল। ড° মনমোহন সিঙৰ নেতৃত্বত ইউপিএই চৰকাৰ গঠন কৰিলে দুটা কাৰ্যকালৰ বাবে। তাৰ পাছত হিন্দুত্বৰ ধ্বনিৰে মোদী প্ৰধানমন্ত্ৰী হ'ল ২০১৪ত। ইউ পি এৰ দৰে বিজেপি নেতৃত্বইও ২০১৯ত এন ডি এৰ নামত চৰকাৰ গঠন কৰিলে দ্বিতীয় কাৰ্যকালৰ বাবে।

ভাৰতীয় গণতন্ত্ৰত এনেবোৰ পৰিৱৰ্তন তথা মুখ্য দলৰ লগতে আন দলবোৰৰো ব্যাপক উত্থান-পতন চলি আহিছে। বিধানসভাবোৰৰ খতিয়ান ল'লে বুজিব পাৰি যে দুই-এটা ব্যতিক্ৰম বাদ দিলে কোনো দলেই স্থায়ীভাৱে ৰাজ্যৰে হওক বা কেন্দ্ৰৰেই হওক, চৰকাৰ চলাই থাকিব পৰা নাই। চিপিএম নেতৃত্বৰ বাওঁফ্ৰন্টে সুদীৰ্ঘ ৩৫ বছৰ কাল পশ্চিমবংগত ৰাজত্ব চলোৱা সত্ত্বেও শেহতীয়া বিধানসভাৰ নিৰ্বাচনত দলটোৱে এখনো আসন নাপালে। অৰুণাচলৰ গেগং আপাঙে কুৰি বছৰমান মুখ্যমন্ত্ৰী হৈ থকাৰ পাছত এতিয়া তেওঁ অস্তিত্বহীন হ'ল। উত্তৰ প্ৰদেশত মায়াৱতীৰ বহুজন সমাজ পাৰ্টি চৰকাৰৰ মুৰব্বী হোৱাৰ পাছতো যোৱা নিৰ্বাচনত দলটোৱে চাৰি শতাধিক আসনৰ ভিতৰত এখন আসনহে পালে। অন্ধ্ৰপ্ৰদেশত টিডিপিৰ দপ্দপনি বহুকাল চলিলেও দলটো দুৰ্বল হ'ল। উল্লেখ কৰি থ'ব পাৰি যে ১৯৮৪ত যেতিয়া লোকসভাত ৭৮ শতাংশৰ অধিক আসন পাই কংগ্ৰেছে অভিলেখ গঢ়িছিল, তেতিয়া লোকসভাত ৩৩ খন আসনেৰে দ্বিতীয় বৃহত্তম দল আছিল তেলেগু দেশম পাৰ্টি। আঞ্চলিক দলে লোকসভাত দ্বিতীয় স্থান পোৱাৰ এয়াও আছিল অভিলেখ।

এইবোৰ পৰিসংখ্যাৰ কথা মনলৈ আহিছে বৰ্তমান কালৰ নেতাসকলৰ কিছুমান বক্তব্য শুনি। শাসনত থকা দলবোৰে দাংকোপ মাৰি কয় যে তেওঁলোক শাসনত সদায় বা অন্ততঃ ২০/২৫ বছৰলৈ থাকিব। ৰাইজৰ মনোভাৱ দলবোৰৰ প্ৰতি সঘনে সলনি হয় আৰু তেনে মনোভাৱ সাধাৰণতে শাসকীয় দলবোৰে অনুভৱ কৰিব নোৱাৰে। অৱশ্যে এটা কথা ঠিক যে বহু কালৰ আগৰ পৰাই নিৰ্বাচনবোৰত দুই নম্বৰী কাৰবাৰ চলে। দীঘলীয়াকৈ শাসন কৰা দলবোৰৰ ক্ষেত্ৰত তেনে উদাহৰণ আছে। উদাহৰণ স্বৰূপে ১৯৭৭ ৰ পৰা ২০১১ লৈ পশ্চিমবংগত শাসন কৰা বামপন্থী দলৰ জোঁটে প্ৰথম তিনিবাৰমান ৰাইজৰ সঁচা সঁহাৰিয়েই পাইছিল। তাৰ পাছত দলটোৱে পুহি ৰখা গুণ্ডা বাহিনীয়ে জোৰকৈ ভোটকেন্দ্ৰ দখল কৰিবলৈ ল'লে; ভয়-ভাবুকি দেখুৱাই ভোটাৰক দলৰ সপক্ষে ভোট দিবলৈ বাধ্য কৰোৱা হৈছিল। উত্তৰ প্ৰদেশ, বিহাৰ আদিতো এনেবোৰ ঘটনা ঘটে। অৰ্থাৎ এইবোৰত ৰাইজৰ প্ৰকৃত মতৰ প্ৰতিফলন নঘটে।

বেলট পেপাৰ বাদ দি ইভি এম ব্যৱহাৰ কৰিবলৈ লোৱাৰ পৰা আশা কৰা হৈছিল যে নিৰ্বাচনী ব্যৱস্থাটো নিকা হ'ব, ই ভি এম মেচিনক কোনো ধৰণে বিকৃত কৰিব নোৱাৰি। পিছে কম্পিউটাৰ ব্যৱহাৰ কৰা সকলো ক্ষেত্ৰতেই যেতিয়া 'হেকিং' আৰু আন পদ্ধতিৰে ফলাফল সলনি কৰাৰ ঘটনা ঘটিছে, গতিকে সন্দেহ কৰা হৈছে যে নিৰ্বাচন লোৱাসকলৰ সহযোগিতা থাকিলে ই ভি এম মেচিনো কাৰোবাৰ সপক্ষে ব্যৱহাৰ কৰিব পাৰি। এইবোৰ ক্ষেত্ৰত বাহুবলতকৈ মগজুৰ প্ৰয়োগ ঘটে বেছি আৰু ধন থাকিলে মগজুও কিনিব পাৰি। জনা মতে ই ভি এম মেচিন নিৰ্মাণ কৰা জাপানত এনে মেচিন ব্যৱহাৰ কৰা নহয়। একেদৰে প্ৰযুক্তিৰ ক্ষেত্ৰত উন্নত দেশ জাৰ্মানী, আমেৰিকা, ইংলণ্ড, ফ্ৰান্স আদি বহু দেশতেই ই ভি এম মেচিন ব্যৱহাৰ নহয়, কাৰণ এইবোৰত সুদক্ষ প্ৰযুক্তিবিদে ইচ্ছা মতে ফলাফল সলনি কৰিব পাৰে বুলি দেশবোৰ পতিয়ন গৈছে। ভাৰতত ২০১৪ৰ পৰা বৰ্তমানলৈকে কুৰি লাখ মান ই ভি এম মেচিনৰ শুংসূত্ৰ নাই বুলি বাতৰিত প্ৰকাশিত হৈছে। বহুলোকে ই ভি এম মেচিনত ফলাফল সলনি কৰাৰ কৌশলো প্ৰদৰ্শন কৰিছে। এনেধৰণৰ বাতৰি আৰু দাবীত যদি সত্যতা আছে, তেন্তে নিৰ্বাচনৰ যোগেদি ৰাইজে বিচৰা প্ৰতিনিধি তথা চৰকাৰ নোপোৱাটো খাটাং, কাৰণ সৰহ ধন থকা দলে নিজৰ ইচ্ছা মতে ধনৰ জোৰত ফলাফল নিজৰ সপক্ষে আনিব পাৰিব। ই ভি এমৰ ওপৰত কে'বাবছৰো আগৰ পৰাই চলি অহা সন্দেহ প্ৰযুক্তিবিদসকলে আঁতৰোৱা উচিত, নহ'লে কিছুমান দলে দাবী কৰা মতেই বহুকালৰ বাবে ৰাইজৰ সমৰ্থন নথকাকৈও চৰকাৰ চলাই যাব।

ফোন : ৮১৩৫৮৩৫২১৯


ইন্দিৰা গান্ধী


মোৰাৰজী দেশায়


বিশ্বনাথ প্ৰতাপ সিং


চন্দ্ৰশেখৰ


অটল বিহাৰী বাজপেয়ী

## খোলা মঞ্চ

### ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



ভ্ৰষ্টাচাৰ এনে এক বস্তু যাক মচিমূৰ কৰা সহজ নহয়; কিন্তু আস্থা পৰিশুদ্ধিৰে ইয়াক মচিমূৰ কৰিব পৰা যায়। ভ্ৰষ্টাচাৰ পৰা নিজকে শুদ্ধ পথলৈ আনিবলৈ হ'লে প্ৰথমে আমি নিজকে সংশোধন কৰাৰ অতীৱ প্ৰয়োজন। নিজৰ মাজত প্ৰথমে প্ৰতিশ্ৰুতিবদ্ধ হৈ মন-মানসিকতাৰে নিজকে ভ্ৰষ্টাচাৰৰ পৰা দূৰৈত ৰাখিব পাৰিলেহে ই এক আদৰ্শ হৈ পৰিব। প্ৰতিটো ক্ষেত্ৰতে ভাল-বেয়া দুয়োটা দিশ আমি পৰিলক্ষিত কৰো; কিন্তু সম্পূৰ্ণৰূপে বেয়া দিশটো বাদ দি ভাল দিশটো গ্ৰহণ কৰিলে আমি সকলো ক্ষেত্ৰতে শুদ্ধ পথত আগুৱাই যাব পাৰো।

ঠিক একেদৰেই চৰকাৰৰ ক্ষেত্ৰতো একেই কথা। চৰকাৰৰ ভাল-বেয়া দুয়োটা দিশেই আমি চালি-জাৰি চালে দেখা পাওঁ ভালৰ লগতে বেয়া দিশো। মানুহ আশাবাদী আৰু সেই কাৰণে আমি প্ৰতিটো ক্ষেত্ৰতে আশা কৰো। আশাবোৰ ভাল হোৱাটো নিতান্তই প্ৰয়োজনীয় আৰু তাৰ বাবে এটা শুদ্ধ মনৰ দৰকাৰ। আমি আমাৰ মনৰ চকুৰে ভুল শুদ্ধ দেখা পাওঁ। ঠিক তেনেদৰেই ভাল-বেয়া নিজৰ ওপৰত নিৰ্ভৰ কৰে। চৰকাৰৰ ক্ষেত্ৰত আমি সদায়েই সৎ চৰকাৰ এখন কামনা কৰো। প্ৰতিটো দিশেই যাতে ভ্ৰষ্টাচাৰ মুক্ত হয় সেয়া প্ৰতিজন মানুহৰে আশা। দুৰ্নীতি- ভ্ৰষ্টাচাৰৰ বিপৰীতে আমি এখন সৎ-সুস্থ সবল চৰকাৰ আশা কৰো। প্ৰতিজন ব্যক্তি নিজে সৎ হ'লে ভ্ৰষ্টাচাৰৰ কোনো ৰেখাৰে ছাঁ পৰিব নোৱাৰে। প্ৰতিজন ব্যক্তিৰ আশাক সাকাৰ ৰূপ দি ভ্ৰষ্টাচাৰীৰ বিপৰীতে সৎ চৰকাৰ আশা কৰিব পাৰি তাৰ বাবে চৰকাৰে নিজৰ ভ্ৰষ্টাচাৰ নীতিৰ বিৰুদ্ধে টঙালি বান্ধি থিয় দিব লাগিব। প্ৰতিটো দলৰ নীতি থাকে আৰু তাক সঁচা অৰ্থত বাস্তৱ ৰূপ দিবলৈ হ'লে ভ্ৰষ্টাচাৰৰ বিপৰীতেই কাম কৰিব লাগিব; কিয়নো বহু ক্ষেত্ৰত নীতি সৎ হ'লেও ইয়াক বাস্তৱ ৰূপ দিয়া দেখা নাযায়। এজন নেতা সৎ হ'বলৈ হ'লে তেওঁৰ সৎ গুণ থাকিব লাগিব। ৰাইজৰ দ্বাৰা নিৰ্বাচিত হৈ দলৰ লগত কাম কৰা মানুহজনক (নেতাজন) ৰাইজে সৎ হোৱা বা সৎ বুলি জানিয়ে নিৰ্বাচন কৰে; কিন্তু বহু ক্ষেত্ৰত টুপাই বুৰ মৰা দেখা যায়। পিছ দিলে পৰ্বতক পিঠি দিয়া ধৰণৰ হয়। প্ৰতিটো উশাহতে আমাৰ আশা থাকে। ৰাইজৰ দেশৰ উন্নতিৰ হকে কাম কৰি নেতাই তেওঁৰ সৎ হোৱাৰ স্বৰূপ দেখাব পাৰে। নানা ধৰণৰ অৰাজকতা, খাম-খেয়ালি দূৰ কৰি দল হিচাপে নহ'লেও মানুহ হিচাপে এজন নেতাই দেখুৱাই দিব পাৰে সৎ পথ, হ'ব পাৰে পথ-প্ৰদৰ্শক। বিভিন্ন ক্ষেত্ৰৰ আঁসোৱাহসমূহ দূৰ কৰি সৎ চিন্তাৰে সৎ কামত মনোনিৱেশ কৰিলে আমি নিশ্চয়কৈ এজন সৎ নেতাৰ আশা কৰিব পাৰো। মানুহে কৰো বুলিলে নোৱাৰা কাম একো নাই। সৎ হ'বলৈ কেৱল প্ৰয়োজন উচ্চ মানসিকতাৰ আৰু যিটো আমি নিজে গঢ়ি ল'ব পাৰো।

জুৰি গোস্বামী শৰ্মা, *লেখিকা*

ফোন : ৬৯০১৩৪৭৪৩৮

## বিহুৰ নামত দুষ্কৃতি আঁতৰ কৰো আহক



**বিহু** শব্দটোত সোমাই আছে অসমীয়া জাতিৰ মন-প্ৰাণ চঞ্চল আৰু জীপাল কৰি তোলাৰ এক যাদুকৰী শক্তি। উৎসৱ-পাৰ্বণ জীৱশ্ৰেষ্ঠ মানৱ সমাজৰ জীৱনধাৰাৰ এক বিশেষ অংশস্বৰূপ। আমি সদায় দেখি-শুনি থকা অসমীয়া সকলে যে বছৰটোৰ অধিক সময় উৎসৱ-পাৰ্বণ উদযাপনৰ নামত অবাবত নষ্ট কৰে তাক অস্বীকাৰ কৰিব নোৱাৰি। উৎসৱ-পাৰ্বণ উদযাপনত কাৰো দ্বিমত থাকিব নোৱাৰে। কাৰণ জাতীয় অথবা থলুৱা উৎসৱ উদযাপনে মানুহক বিমল আনন্দ দিয়াৰ উপৰি মানুহৰ মাজত সদভাৱ সম্প্ৰীতিৰ বান্ধোন কটকটীয়া কৰে। ইয়াৰ জৰিয়তে বিভিন্ন সম্প্ৰদায়ৰ লোকৰ মাজত ঐক্য-শান্তি অটুট ৰখাতো সহায় কৰে। তদুপৰি উৎসৱ-পাৰ্বণৰ জৰিয়তে জাতীয় কৃষ্টি-সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰত প্ৰভূত বৰঙণি যোগায়। সামগ্ৰিকভাৱে ক'ব পাৰি উৎসৱৰ স'তে জড়িত হৈ আছে আনন্দৰ কথা। কেৱল আনন্দই নহয়, প্ৰতিটো উৎসৱৰ আছে কেতবোৰ ইতিবাচক দিশ। উৎসৱৰ ৰীতি-নীতি আৰু আনন্দৰ সমগ্ৰ আয়োজনত সংপৃক্ত হৈ থাকে লোক-সংস্কৃতি/লোকাচাৰ।

কৃষিজীৱী অসমীয়াৰ মন-মগজুত গঢ় লৈ উঠা বিহু উৎসৱে জাতিৰ সংস্কৃতি, ঐতিহ্য আৰু পৰম্পৰাক আগুৱাই নিছে। কেৱল পৰম্পৰাগত ৰীতি-নীতিৰ মাজতে আৱদ্ধ নাথাকি বিহু এতিয়া ব্যাপকৰূপত ৰং-ৰহইচৰ অনুষ্ঠানলৈ পৰ্যবসিত হৈছে। মাঘ বিহুৰ ভেলাঘৰ সজাৰ বেলিকা নিতে নতুন চমক লগা ভেলাঘৰ নিৰ্মাণৰ এক অঘোষিত প্ৰতিযোগিতা যোৱা কিছু বছৰৰ পৰা আৰম্ভ হৈছে। পূৰ্বে মাঘ বিহুৰ সময়ত গাঁৱৰ ডেকা ল'ৰা সমন্বিতে ৰাইজে নৰাৰে ভেলাঘৰ বা মেজি ঘৰ সাজিছিল; কিন্তু এতিয়া ভেলাঘৰ অথবা মেজিঘৰৰ আৰ্হিত বিভিন্নজনে বুজন পৰিমাণৰ অৰ্থ ব্যয়ৰে তাজমহল, ৰংঘৰ, জিৰাফ আৰু টাইটানিক আদি সাজি ভোগালী বিহুৰ চমক প্ৰদৰ্শন কৰা দেখা গৈছে। শিল্পীৰ সৃষ্টি প্ৰতিভাৰ অন্যতম দিশ বুলি এনে কাৰ্য গ্ৰহণযোগ্য যদিও ইয়াৰ দ্বাৰা ভেলাঘৰৰ প্ৰকৃত ৰূপটো বিকৃত কৰা হোৱা নাইনে? কৃষিজীৱী সমাজৰ পৰাই বিহুৰ উৎপত্তি। কঙালী, ভোগালী আৰু ৰঙালী বিহুৰ স্বকীয়তাই জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোকে একতাৰ ডোলেৰে বান্ধি ইয়াৰ ভেটি শক্তিশালী কৰিছে; কিন্তু আজি কিছু বছৰ আগৰে পৰা অসমীয়া জাতিৰ বুকুৰ আপোনাৰো আপোন বিহুৰ স্বকীয়তা আধুনিকতাৰ ধামখুমীয়াত বিহুৰ ঐতিহ্য-পৰম্পৰা হেৰাই যোৱাৰ উপক্ৰম ঘটিছে যেন অনুমান হৈছে। পৰিৱৰ্তনৰ কোবাল সোঁতত অতীতৰ বিহু আৰু বিহুগীতবোৰত পূৰ্বৰ মাদকতা আৰু ইয়াৰ প্ৰকৃত অৰ্থ সাম্প্ৰতিক কালৰ বিহুত প্ৰস্ফুটিত হোৱা দেখিবলৈ পোৱা নাযায়। অপসংস্কৃতিৰ মেৰপাকত বিহুৰ কৃষ্টি-সংস্কৃতি, ঐতিহ্য তথা ইয়াৰ পৰম্পৰা ক্ৰমান্বয়ে নিঃশেষ হৈ আহিছে যেন অনুভৱ হৈছে।

অতি দুৰ্ভাগ্যজনক কথা এই যে বিগত দুটা বছৰ মাৰাত্মক কৰ'না ভাইৰাছে বিভীষিকাৰ সৃষ্টি কৰি থকাৰ পাছত এই বছৰ অসমীয়া জাতিৰ অতি হেঁপাহৰ ৰঙালী বিহু উদযাপনৰ সময়ত আমাৰ এইখন সমাজৰে একাংশ উদণ্ড যুৱকে বিহুৰ আনন্দ-উলাহত বাৰুকৈয়ে বিহু প্ৰেমী ৰাইজক নিৰাশ কৰিলে, চেঁচাপানী ঢালিলে। ৰাজ্যখনৰ বৰপেটা, গোলাঘাট, ডিমৌ, নাৰায়ণপুৰ আদিকে ধৰি বিভিন্ন ঠাইত অতি জাকজমকতাৰে অনুষ্ঠিত বিহু মঞ্চ থলীত একাংশ উদণ্ড যুৱকে মদৰ ৰাগিত মাতাল হৈ সমগ্ৰ শৰীৰ বোকাত লুতুৰি-পুতুৰি হৈ অতি দৃষ্টিকটু নৃত্যশৈলী ভংগিমাৰে নিৰ্লজ্জভাৱে নাচি-বাগি বিহুৰ আনন্দ-উলাহৰ পৰিৱেশ সম্পূৰ্ণৰূপে বিনষ্ট কৰা কাৰ্যই অসমীয়া কৃষ্টি-সংস্কৃতি তথা স্বাভিমানক অপমান কৰা হোৱা নাইনে? অসমীয়া জাতিৰ সংস্কৃতিৰ বাৰ্তাবাহক জাতীয় উৎসৱ বিহুক সমগ্ৰ বিশ্ববাসীৰ সন্মুখত কি বিকৃত ধৰণেৰে উপস্থাপন কৰি অসমীয়া জাতিৰ মান-মৰ্যাদা হানি কৰিলে তাৰ বাবে আমাৰ সমাজৰে এইচাম যুৱক-জগৰীয়া নহয়নে? ডাঙৰ-সৰু গুৰু গোসাঁইক পৰোৱা নকৰা এইচাম যুৱকৰ নিৰ্লজ্জ আচৰণ দেখি অসমীয়া কৃষ্টি-সংস্কৃতিক মনে-প্ৰাণে ভালপোৱা আমি এগৰাকী অসমীয়া হিচাপে অত্যন্ত লজ্জাবোধ কৰিছো।

অপসংস্কৃতি আৰু জাতীয় সন্মান তথা সংস্কৃতিত আঘাত কৰিব পৰা প্ৰতিটো কাম তথা পদক্ষেপকে তীব্ৰ প্ৰতিবাদ আমি কৰিব পাৰিবই লাগিব। আমি সকলোৱে এটা কথা মনত ৰখা উচিত যে আমাৰ জাতীয় কৃষ্টি-সংস্কৃতিৰ অপমান বা অপবাদ ঠাই বিশেষে এচাম উচ্ছৃংখল যুৱকেহে কৰি আহিছে। গতিকে সময় থাকোতে এই চামক প্ৰতিহত কৰিবলৈ আমি প্ৰত্যেকজন সমভাৱাপন্ন অসমীয়াই জাতি আৰু সংস্কৃতিৰ স্বাৰ্থত সাহসেৰে ওলাই আহিব পাৰিব লাগিব। তদুপৰি প্ৰায় প্ৰতি বছৰে বিহুগীত পৰিৱেশন কৰি বিহুথলীৰ পৰা ঘৰলৈ ঘূৰি অহা শিল্পীসকলক একাংশ বিপথগামী উচ্ছৃংখল যুৱকে আদবাটতে বাট আগচি ধৰি মাৰপিট কৰি বলপূৰ্বক টকা-পইচা লুট কৰা আৰু লগতে অতি মূল্যবান বাদ্য যন্ত্ৰবোৰ ভাঙি-ছিঙি চুৰমাৰ কৰাৰ ঘটনা সংঘটিত হৈ থকা আমি সকলোৱে টিভিৰ পৰ্দাত প্ৰত্যক্ষ কৰিছো। এনে সমাজ বিৰোধী কাৰ্য সঁচাকৈয়ে নিন্দনীয়, গৰিহণাৰযোগ্য। মুঠতে জাতীয় সন্মান তথা সংস্কৃতিত আঘাত কৰিব পৰা প্ৰতিটো কামৰ বিৰুদ্ধে আমি মাত মাতিব লাগিব। কাৰণ জাতি, দেশ আৰু সংস্কৃতিৰ উৰ্ধত কোনো নহয়। কৃষ্টি-সংস্কৃতিৰ মান গৌৰৱক আজি দেশ আৰু জাতিৰ স্বাৰ্থত সুৰক্ষিত কৰি ইয়াৰ গৰিমাক অক্ষুণ্ণ ৰাখিব পাৰিব লাগিব। আৰু আজি ইয়াৰ বাবে আমাক প্ৰয়োজন হৈছে এক সংস্কাৰিত বিপ্লৱৰ। ইয়াৰ নেতৃত্ব ল'ব লাগিব আজিৰ উঠি অহা যুৱক-যুৱতী তথা নৱপ্ৰজন্মই। বিৱৰ্তনৰ মাজেদি হ'লেও আমাৰ উঠি অহা ভৱিষ্যতৰ নতুন প্ৰজন্মই বিহুৰ লগত সাঙোৰ খাই থকা ইয়াৰ স্বকীয় পৰম্পৰা অটুট ৰাখিবই লাগিব।

অভিমত

কুলেন বৰ্মন

ফোন : ৯৪৩৫৩৩৮৪১৯

## সত্যৰ সদায় জয়

**সত্যৰ** আকৌ জয় হ'ল, নীতিনিষ্ঠতাৰ আকৌ জয় হ'ল, ভৱেন্দ্ৰ নাথ শইকীয়াৰ আদৰ্শৰ আকৌ জয় হ'ল। আমি নাগৰিকসকলে সচৰাচৰ কি কৰো? বিদ্যুৎ বিলত বেছিকৈ ধৰিলে বিদ্যুৎ পৰিষদ ওলাওগৈ, আঙুলি ফুটাই শাও দিও শুধৰণি বিল লৈহে উশাহ লওঁ। বিপৰীতে কম ধৰিলে? যেন বিশ্ব জয়ৰ আনন্দ। এনে ধৰণে নিয়মীয়া বজাৰ কৰা দোকানখনে শ্লিপতকৈ এটা মাল কম দিলে লগে লগে দোকানৰ ফালে স্কুটাৰ ষ্টাৰ্ট দিও, কৰ্মীক গালি দিও। এটা মাল বেছি দিলে? গৃহিণীয়েও সামৰি-সুতৰি থৈ দিয়ে। গুৱাহাটীত চিটীবাছত কণ্ডাক্টৰে ভাড়া ল'বলৈ পাহৰিলে আপুনি উপযাচি দিয়েনে? কাৰণ ভুল হ'লে দুয়োফালেই হ'ব। ভুলে কেতিয়াও কৈ নাহে বিদ্যুৎ বিলত বেছি ধৰা ভুলহে হ'ব। কম ধৰা ভুল নহ'ব।

কিন্তু এই ফাওতে পোৱা নম্বৰৰ লোভ এৰি কুইজ প্ৰতিযোগিতা এখনত জিলিকি উঠিল যোৰহাটৰ ডিম্পী দত্ত। যোৱা ২৪ এপ্ৰিলত নগাঁও কুইজ ফ'ৰামে চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ত কুইজ প্ৰতিযোগিতা পাতিছিল। কুইজৰ বিষয় আছিল সেই বিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ জীৱন আৰু সৃষ্টি। দ্বাদশ শ্ৰেণী পৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ দুজনীয়া দলৰ ব্যতিৰেকে অকলেই দুশ কিলোমিটাৰ দূৰত্বৰ যোৰহাটৰ জে বি কলেজৰ পৰা আহিছিল ডিম্পী দত্ত। কুইজৰ নিয়মমতে মাজে মাজে দলবোৰে প্ৰাপ্ত নম্বৰবোৰ ঘোষণা কৰি থাকিব লাগে।

এনেকৈ এবাৰ নম্বৰ ঘোষণা কৰোতে ডিম্পীয়ে লক্ষ্য কৰিলে, তেওঁৰ প্ৰাপ্ত নম্বৰতকৈ ১০ নম্বৰ বেছিকৈ যোগ হৈছে। তেওঁ নসহিলে, কুইজ মাষ্টৰক তেওঁক ১০ নম্বৰ ভুলতে বেছিকৈ দিছে বুলি জনাই দিলে। লগে লগে কুইজ মাষ্টাৰ অনুজ শংকৰ দেৱনাথ উল্লসিত হৈ পৰিল, 'এয়াই আমাৰ কুইজৰ সফলতা, এয়াই ভৱেন শইকীয়া ছাৰৰ প্ৰভাৱ' তেওঁ মাইকত এনেদৰে ঘোষণা কৰি দিলে।

দেৱনাথৰ 'কুইজ মাষ্টাৰৰ একেযাৰো' মন-প্ৰাণ চুই যোৱা। তেওঁ বৰ্ণালে যে তেওঁ 'জীৱন বৃত্ত'ত পঢ়িছে— এবাৰ এজনে শংকৰদেৱ কলাক্ষেত্ৰৰ এচুকৰ দেৱালত পিকাই গৈছিল, অলপ পাছতে ভৱেন শইকীয়াই পকেটৰ ৰুমালখনেৰে নিজে পিকবোৰ মচি পেলাইছিল। এবাৰ কলিকতাত শইকীয়া ছাৰৰ দাঁত এটি সৰি পৰাত বয়স্ক লোকৰ পুৰণি উপদেশ মতে তাত যিহেতু নামঘৰ নাই, তেওঁ পূজাৰী এজনক ধূপ-ধূনা মাননিৰে সেৱা কৰাৰ লগতে ওচৰৰ মছজিদ এটাতো অনুৰূপ নিয়ম কৰিছিল।

প্ৰিলিমিনেৰী ৰাউণ্ডত প্ৰতিযোগী দলৰে গিজগিজাই থকা প্ৰতিযোগিতাখনত ফাইনেল ৰাউণ্ডলৈ দুটা দল উঠিছিল আৰু ৪২০ নম্বৰেৰে গুৱাহাটীৰ হলিচাইল্ড স্কুলৰ জ্যোতিৰ্দীপা আৰু তন্ময় পৰাশৰৰ দলে প্ৰথম স্থান লাভ কৰে। তেওঁলোকে মানসজ্যোতি মহন্ত সোঁৱৰণী ট্ৰফী লাভ কৰে। বঁটা বিতৰণীত ভাগ লয় কুইজ আৰু ভৱেন্দ্ৰনাথ শইকীয়াপ্ৰেমী অৱসৰী বিষয়া ৰবেন্দ্ৰ কুমাৰ দাস, প্ৰাইজমাণিদাতা মাধুৰ্য প্ৰসাদ বৰা, ট্ৰফীদাতা মহেন্দ্ৰ মহন্ত, অধিবক্তা মুকুল বৰঠাকুৰ আদিয়ে।

ডিম্পী দত্তই পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম নহ'ল যদিও আমি ভাবো তেওঁ জিলিকিল।

দেৱেন শইকীয়া,

মৰিকলং, নগাঁও, ফোন : ৯৪৩৫২০৯৮৮২

## ইউ জি চিৰ ঘোষণা ঃ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমত ৰিচাৰ্ছ ইন্টাৰ্নশ্বিপ হ’ব বাধ্যতামূলক



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১২ মে’ ঃ** নতুন শিক্ষানীতিৰ অধীনত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)য়ে। চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ ক্ষেত্ৰত এতিয়াৰে পৰা ৰিচাৰ্ছ ইন্টাৰ্নশ্বিপ বাধ্যতামূলক হ’ব বুলি ইউ জি চিয়ে ঘোষণা কৰিলে। স্নাতক পৰ্যায়ত শিক্ষাৰ্থীৰ গুণগত মান আৰু কৌশল দক্ষতা বৃদ্ধি কৰিবলৈ চাৰি বছৰীয়া পাঠ্যক্ৰমত ইউ জি চিয়ে ৰিচাৰ্ছ ইন্টাৰ্নশ্বিপ বাধ্যতামূলক কৰাৰ সিদ্ধান্ত ল’লে। বছৰত ১০ সপ্তাহৰ ইন্টাৰ্নশ্বিপ বাধ্যতামূলক কৰা হৈছে। প্ৰতি বছৰৰ ইন্টাৰ্নশ্বিপৰ বাবদ শিক্ষাৰ্থীয়ে ১০ ক্ৰেডিট পইণ্টছ লাভ কৰিব। দুবছৰ অধ্যয়ন কৰি পাঠ্যক্ৰম সমাপ্ত কৰিব বিচাৰিলে শিক্ষাৰ্থীয়ে ডিপ্ল’মা প্ৰমাণপত্ৰ লাভ কৰিব।

## জ্যেষ্ঠ ভ্ৰাতৃ নৱাজক লণ্ডনত সাক্ষাৎ পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ



নিউজ ব্যুৰ’, ইছলামাবাদ, ১২ মে’ ঃ পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে জ্যেষ্ঠ ভ্ৰাতৃ নৱাজ শ্বৰীফক আজি লণ্ডনত সাক্ষাৎ কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি চিকিৎসাজনিত কাৰণত বিগত কে’বা বছৰ ধৰি লণ্ডনত বাহৰ পাতি থকা নৱাজক সাক্ষাৎ কৰি শ্বাহবাজে পাকিস্তানৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিৰ লগতে আৰ্থিক আৰু প্ৰশাসনিক প্ৰসংগত আলোচনা কৰে। প্ৰধানমন্ত্ৰী শ্বাহবাজে তেওঁৰ দল পাকিস্তান মুছলিম লীগ (এন)ৰ আন কে’বাজনো জ্যেষ্ঠ সদস্যৰ স’তে কালি লণ্ডন অভিমুখে যাত্ৰা কৰিছিল। ২০১৮ৰ ডিচেম্বৰত দুৰ্নীতিৰ গোচৰত নৱাজক আদালতে সাত বছৰৰ কাৰাদণ্ড বিহিছিল। পাছত কাৰাগাৰত থকাৰ সময়তে উন্নত চিকিৎসাৰ বাবে নৱাজক চাৰি সপ্তাহৰ বাবে লণ্ডনলৈ যোৱাৰ অনুমতি দিয়া হৈছিল যদিও লণ্ডনলৈ যোৱাৰ পাছত নৱাজ পুনৰ পাকিস্তানলৈ উভতি নাহিল।

**ৰুছ সেনাৰ পৰা খাৰকিভ লাগোৱা অঞ্চলৰ চাৰিখন গাঁও পুনৰ দখল কৰিলে ইউক্ৰেইনৰ সেনা বাহিনীয়ে**

# দেশৰ মাজেদি ৰাছিয়াৰ গেছ সৰবৰাহ বন্ধ কৰিলে ইউক্ৰেইনে



**নিউজ ব্যুৰ’ কীভ, ১২ মে’ ঃ** এফালে ৰাছিয়াই দখল কৰা অঞ্চল পুনৰুদ্ধাৰ আৰু আনফালে শত্ৰুপক্ষক ভাতে মৰাৰ কৌশল অৱলম্বন কৰিলে ইউক্ৰেইনে। কালি ইউক্ৰেইনৰ মাজেদি ইউৰোপলৈ ৰাছিয়াই সৰবৰাহ কৰা গেছ প্ৰকল্প এটা বন্ধ কৰিলে ভ্লাডিমীৰ জেলেনস্কিৰ প্ৰশাসনে। তদুপৰি ৰুছ সেনাৰ পৰা খাৰকিভ লাগোৱা অঞ্চলৰ চাৰিখন গাঁও পুনৰ দখল কৰিলে ইউক্ৰেইনৰ সেনা বাহিনীয়ে। যোৱা ২৪ ফেব্ৰুৱাৰীৰ পৰা ৰাছিয়াই আৰম্ভ কৰা ইউক্ৰেইন দখলৰ অভিযান আজিও অব্যাহত আছে। ৰাছিয়াৰ এই আগ্ৰাসী আচৰণৰ ফলত বিশ্বজুৰি ইন্ধনৰ মূল্য বৃদ্ধি পোৱাৰ লগতে পুঁজিৰ বজাৰতো সংকটৰ সৃষ্টি হৈছে। ইউক্ৰেইনৰ ওপৰত চলোৱা এই আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আমেৰিকা, ব্ৰিটেইনসহ ইউৰোপৰ সিংহভাগ দেশে ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰিছে। ইয়াৰ ফলত ৰাছিয়াৰ তেল আৰু গেছৰ বিক্ৰী প্ৰভাৱিত হৈছে।

শেহতীয়াভাৱে ইউক্ৰেইনে দেশখনৰ মাজেদি ৰাছিয়াৰ গেছৰ সৰবৰাহ বন্ধ কৰিলে। উল্লেখ্য যে ইউৰোপৰ বিভিন্ন দেশলৈ ৰাছিয়াই ইউক্ৰেইনৰ মাজেদি পাইপলাইনৰ জৰিয়তে গেছৰ সৰবৰাহ কৰি আহিছে। জেলেনস্কি প্ৰশাসনে ইউক্ৰেইনৰ মাজেদি যোৱা ৰাছিয়াৰ তেল পৰিবাহী পাইপ বন্ধ কৰি দিয়াৰ ফলত ভ্লাডিমীৰ পুটিনৰ দেশখনে বিত্তীয় দিশত সমস্যাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে মস্কোৰ ৰাষ্ট্ৰীয়কৃত গেছ সংস্থা গাজপ্ৰমে প্ৰকাশ কৰা অনুসৰি জেলেনস্কি প্ৰশাসনে এই পদক্ষেপ গ্ৰহণ কৰাৰ বহু আগেয়ে ইউক্ৰেইনৰ মাজেদি ইউৰোপলৈ ২৫ শতাংশ গেছৰ সৰবৰাহ হ্ৰাস কৰা হৈছিল।



## ১৬ মে’ত নেপাল ভ্ৰমণ কৰিব ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে

**নিউজ ব্যুৰ’ নতুন দিল্লী, ১২ মে’ ঃ** অহা ১৬ মে’ত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপাল ভ্ৰমণ কৰিব। বুদ্ধ পূৰ্ণিমাৰ দিনা মোদীয়ে নেপালৰ প্ৰধানমন্ত্ৰী শ্বেৰ বাহাদুৰ দেউবাৰ আমন্ত্ৰণত এই ভ্ৰমণসূচী গ্ৰহণ কৰিব। উল্লেখ্য যে ২০১৪ত প্ৰথমবাৰ প্ৰধানমন্ত্ৰী হোৱাৰ পাছত মোদীয়ে পঞ্চমবাৰলৈ নেপাল ভ্ৰমণ কাৰ্যসূচী গ্ৰহণ কৰিছে। নেপাল ভ্ৰমণৰ সময়ত মোদীয়ে গৌতম বুদ্ধৰ প্ৰিয় স্থান লুম্বিনীও দৰ্শন কৰিব।

## ৰানৱেত যাত্ৰীবাহী বিমানত অগ্নিকাণ্ড, কথমপি প্ৰাণ ৰক্ষা ১২২ যাত্ৰীৰ



**নিউজ ব্যুৰ’, বেইজিং, ১২ মে’ ঃ** ভয়াৱহ বিমান দুৰ্ঘটনাৰ পৰা কথমপি প্ৰাণ ৰক্ষা পৰিল ১২২ জন বিমান যাত্ৰীৰ। এই ঘটনা সংঘটিত হ’ল চীনৰ চংকুইং বিমানকোঠত। স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ৰানৱেৰ পৰা উৰণৰ সময়তে বিমানখনত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটিছিল। যুদ্ধকালীন তৎপৰতাৰে জ্বলন্ত বিমানৰ পৰা সকলো যাত্ৰী আৰু বিমানকৰ্মীক নিৰাপদে উদ্ধাৰ কৰা হয়। চীনৰ তিব্বত এয়াৰলাইনছৰ এই যাত্ৰীবাহী বিমানত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাৰ ফলত কমেও ২৫ জন যাত্ৰী আহত হয়।

## কন্যাক চিকিৎসক হিচাপে গঢ়িব বিচৰা পিতৃৰ স্বপ্ন পূৰণৰ প্ৰতিশ্ৰুতি প্ৰধানমন্ত্ৰী মোদীৰ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ১২ মে’ ঃ** হঠাতে আবেগপ্ৰৱণ হৈ উঠিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। গুজৰাটত চৰকাৰী আঁচনিৰ হিতাধিকাৰীৰ বাবে এক অনলাইন বৈঠক অনুষ্ঠিত কৰা হৈছিল। উক্ত বৈঠকত এজন পিতৃক তেওঁৰ কন্যাৰ চিকিৎসক হোৱাৰ স্বপ্ন পূৰণত প্ৰয়োজনীয় সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিলে প্ৰধানমন্ত্ৰীয়ে। ভিডিঅ’ কনফাৰেন্সিঙৰ মাধ্যমেৰে গুজৰাটৰ ভৰুচত ‘উৎকৰ্ষ সমাৰোহ’



অনুষ্ঠানত অংশ লৈছিল মোদীয়ে। এই অনুষ্ঠানতে উপস্থিত আছিল আয়ুব পেটেল নামৰ এজন ব্যক্তি। পেটেলে প্ৰধানমন্ত্ৰীৰ আগত কয় যে তেওঁৰ কন্যাই এজন চিকিৎসক হ’ব বিচাৰে। পেটেলৰ মুখত এই কথা শুনাৰ লগে লগে আবেগপ্ৰৱণ হৈ উঠে প্ৰধানমন্ত্ৰী। মোদীয়ে লগে লগে পেটেলক কয়, ‘আপোনাৰ কন্যাৰ স্বপ্ন পূৰণত কোনো ধৰণৰ সহায়ৰ প্ৰয়োজন হ’লে মোক জনাব।’ পেটেলে প্ৰধানমন্ত্ৰীক অৱগত কৰি কয় যে কেন্দ্ৰত মোদী চৰকাৰে ক্ষমতা লাভ কৰাৰ পাছৰে পৰা তেওঁৰ কন্যাই জলপানিৰ জৰিয়তে আৰ্থিক সাহায্য লাভ কৰি আহিছে। মোদীয়ে পেটেলৰ কন্যাৰ স’তেও ভিডিঅ’ কনফাৰেন্সত বাৰ্তালাপ কৰে।



## পাকিস্তানত হিন্দু মন্দিৰ ধ্বংসৰ ঘটনাত ২২ জনক পাঁচ বছৰৰ কাৰাদণ্ড

**নিউজ ব্যুৰ’ লাহোৰ, ১২ মে’ ঃ** পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ হিন্দুৰ এটা মন্দিৰ ধ্বংসৰ ঘটনাত দোষী সাব্যস্ত হোৱা ২২ জন লোকক পাঁচবছৰৰ কাৰাদণ্ড বিহিলে। কালি পাকিস্তানৰ বিশেষ সন্ত্ৰাস দমন আদালতে এই ৰায় দিয়ে। উল্লেখ্য যে যোৱা বছৰৰ জুলাইত দেশখনৰ পঞ্জাৱ প্ৰদেশৰ ৰাজধানী লাহোৰৰ পৰা ৫৯০ কিলোমিটাৰ নিলগত থকা ৰহিম ইয়াৰ খান জিলাৰ ভুঙত এটা গণেশ মন্দিৰত একাংশ লোকে আক্ৰমণ চলাই লণ্ডভণ্ড কৰিছিল। এই ঘটনাৰে বিচাৰ চলাই বিশেষ সন্ত্ৰাস দমন আদালতে মুঠ ২২ জন লোকক দোষী সাব্যস্ত কৰি কাৰাদণ্ডৰ ৰায় দিলে।

# উত্তৰ কোৰিয়াত কৰ’নাৰ প্ৰথম সংক্ৰমণ ঃ জৰুৰী অৱস্থা ঘোষণা কীমৰ

**নিউজ ব্যুৰ’, পিয়ংইয়ং, ১২ মে’ ঃ** সমগ্ৰ বিশ্বই যেতিয়া ক’ভিড সংক্ৰমণৰ এটাৰ পাছত আনটো ঢৌত কম্পমান হৈছিল, সেই সময়ত সম্পূৰ্ণ সুৰক্ষিত আছিল উত্তৰ কোৰিয়া। দেশখনৰ কমিউনিষ্ট শাসক কীম জং উনে উত্তৰ কোৰিয়াত সেই সময়ত এজনো লোক ক’ভিড সংক্ৰমিত হোৱা নাছিল বুলি দাবী কৰিছিল। কিন্তু শেহতীয়া বাতৰি অনুসৰি, কীমৰ দেশত সন্ধান লাভ কৰা হৈছে ক’ভিড আক্ৰান্ত ৰোগীৰ। প্ৰথমজন কৰ’না ৰোগীক চিনাক্ত কৰাৰ পাছতে উত্তৰ কোৰিয়াত জৰুৰী অৱস্থা ঘোষণা কৰিলে কীমে। আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি



অলপতে ৰাজধানী পিয়ংইয়ঙত প্ৰথমজন ক’ভিড আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হ’ল।

উক্ত ব্যক্তিজন কৰ’নাৰ অ’মিক্ৰন প্ৰজাতিত আক্ৰান্ত হৈছে। ক’ভিড সংক্ৰমণৰ বাতৰি লাভৰ পাছতে পলিটব্যুৰ’ৰ স’তে জৰুৰী বৈঠকত অংশ লৈ কীমে সংক্ৰমণ প্ৰতিৰোধৰ বাবে উত্তৰ কোৰিয়াত জৰুৰী অৱস্থা ঘোষণা কৰাৰ সিদ্ধান্ত ল’লে। উত্তৰ কোৰিয়াৰ দুই কোটি ৫০ লাখ নাগৰিকৰ এজনকো ক’ভিডৰ প্ৰতিষেধক প্ৰদান কৰা হোৱা নাই। বিশ্ব স্বাস্থ্য সংস্থাই টিকাকৰণৰ বাবে বাৰম্বাৰ আহ্বান জনোৱাৰ পাছতো কীমে অনুমতি দিয়া নাছিল। বন্ধু দেশ চীন আৰু ৰাছিয়াই উত্তৰ কোৰিয়াক প্ৰয়োজনীয় প্ৰতিষেধক যোগান ধৰাৰ প্ৰস্তাৱ দিছিল যদিও কীমে প্ৰত্যাখ্যান কৰিছিল।

## ২৪ ঘণ্টাত দেশত ২,৮৯৭ জন লোক কৰ’নাত সংক্ৰমিত, মৃত্যু ৫৪ জনৰ

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১২ মে’ ঃ** যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ক’ভিডৰ দৈনিক সংক্ৰমণ ২৬ শতাংশ আৰু মৃত্যু ৪৪ শতাংশ বৃদ্ধি পালে। বিগত এদিনত ভাৰতত ২৮৯৭ জন লোক ক’ভিডত সংক্ৰমিত হ’ল। আনহাতে, যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে পুনৰ প্ৰাণ কাঢ়িলে ৫৪ জন লোকৰ। বৰ্তমানলৈকে ভাৰতত পাঁচ লাখ ২৪ হেজাৰ লোকৰ কৰ’নাত মৃত্যু হ’ল। যোৱা ২৪ ঘণ্টাত দেশৰ ভিতৰতে সৰ্বাধিক ৪৮ জন ক’ভিড ৰোগীৰ মৃত্যু হ’ল কেৰালাত। দিল্লী, হিমাচল প্ৰদেশ,



ৰাজস্থান আৰু উত্তৰ প্ৰদেশত এজনকৈ ক’ভিড ৰোগীয়ে বিগত এদিনত প্ৰাণ হেৰুৱালে।

## ১৫ মে’ৰ পৰা দেশৰ নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হ’ব ৰাজীৱ কুমাৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১২ মে’ ঃ** দেশৰ পৰৱৰ্তী মুখ্য নিৰ্বাচন আয়ুক্ত নিযুক্ত হ’ল ৰাজীৱ কুমাৰ। আইন মন্ত্ৰণালয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি অহা ১৫ মে’ত দেশৰ নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে কুমাৰে দায়িত্ব গ্ৰহণ কৰিব। বৰ্তমানৰ মুখ্য নিৰ্বাচন আয়ুক্ত সুশীল চন্দ্ৰই অহা ১৪ মে’ত অৱসৰ গ্ৰহণ কৰিব। ২০২০ৰ এক ছেপ্টেম্বৰত দেশৰ নিৰ্বাচন আয়ুক্ত হিচাপে কুমাৰে নিযুক্তি লাভ কৰিছিল। ১৯৮৪ বৰ্ষৰ ঝাৰখণ্ড কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া কুমাৰে প্ৰশাসনিক আৰু নীতি নিৰ্ধাৰণৰ বিষয়ত সুদীৰ্ঘ তিনি দশক দেশক সেৱা আগবঢ়াই আহিছে।

## খালিস্তানীৰ স’তে ঘনিষ্ঠতা কাশ্মীৰী সন্ত্ৰাসবাদীৰ, ভাৰতত আক্ৰমণৰ নতুন কৌশল আই এছ আইৰ

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১২ মে’ ঃ** ভাৰতত সন্ত্ৰাসবাদীৰ আক্ৰমণ চলোৱাৰ বাবে নতুন কূটকৌশল অৱলম্বন কৰিছে পাকিস্তানৰ চোৰাংচোৱা সংস্থা আই এছ আয়ে। এইবাৰ পাক চোৰাংচোৱা সংস্থাটোৱে খালিস্তানী আৰু কাশ্মীৰী সন্ত্ৰাসবাদক লৈ এটা গোষ্ঠী গঠন কৰিছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি এই নতুন সন্ত্ৰাসবাদীৰ দলটোৰ নাম হৈছে লস্কৰ-ই-খালছা। আই এছ আইৰ কাশ্মীৰ-খালিস্তান ডেস্কে এই গোটটো গঠন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে একাংশ যুৱকক ইতিমধ্যে এই নতুন সন্ত্ৰাসবাদী সংগঠনটোৱে যোগাযোগ কৰিছে। ইয়াৰ বাবে ফে’চবুকত ‘অমৰ খালিস্তানী’ নামৰে এটা পেইজ সন্ত্ৰাসবাদী সংগঠনটোৱে মুকলি কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে ‘আজাদ কাশ্মীৰ এণ্ড খালিস্তান’ নামৰেও এক অভিযান লস্কৰ-ই-খালছাই অব্যাহত ৰাখিছে। ভাৰতীয় চোৰাংচোৱাই লাভ কৰা খবৰ অনুসৰি আই এছ আয়ে এইবাৰ কাশ্মীৰৰ চৰমপন্থীৰ লগতে পঞ্জাৱৰ চৰমপন্থীক একত্ৰিত কৰি ভাৰত বিৰোধী কাম-কাজত ব্যৱহাৰ কৰাৰ অপকৌশল অৱলম্বন কৰিছে। লস্কৰ-ই-খালছাৰ জৰিয়তে ভাৰতত আই এছ আয়ে বৃহৎ আক্ৰমণৰ পৰিকল্পনাও প্ৰস্তুত কৰাৰ তথ্য চোৰাংচোৱাই লাভ কৰিছে।



## বৃদ্ধি পাব নাটোৰ শক্তি, সদস্যভৰ্তিৰ আবেদন ফিনলেণ্ডৰ

**নিউজ ব্যুৰ’, হেলিছংকি, ১২ মে’ ঃ** ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে আজি ঘোষণা কৰি কয় যে তেওঁলোকৰ দেশে উত্তৰ আটলাণ্টিক চুক্তি সংগঠন (নাটো)ৰ সদস্যভুক্ত হ’ব বিচাৰে। ইউক্ৰেইনত ৰাছিয়াই বিগত আঢ়ৈ মাহৰো অধিক দিন ধৰি আক্ৰমণ অব্যাহত ৰখাৰ মাজতে ফিনলেণ্ডে নাটোৰ সদস্য হোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিলে। ফিনলেণ্ড চৰকাৰে আজি স্পষ্টভাৱে কয় যে তেওঁলোকে নাটোৰ সদস্যপদ বিচাৰি আবেদন জনোৱাৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছে। ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী ছনা মৰিনে প্ৰকাশ কৰা অনুসৰি ৰাছিয়াৰ আগ্ৰাসী আচৰণৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ দেশখনে নাটোৰ সদস্য হোৱাৰ সিদ্ধান্ত ল’লে। ফিনলেণ্ড নাটোৰ অন্তৰ্ভুক্ত হ’লে এই সংগঠনটোৰ শক্তি বৃদ্ধি পোৱাটো নিশ্চিত। উল্লেখ্য যে প্ৰতিবেশী দেশ ছুইডেনেও নাটোৰ অন্তৰ্ভুক্ত হোৱাৰ সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। আজি প্ৰধানমন্ত্ৰী মৰিনে ফিনলেণ্ডে নাটোৰ সদস্য হোৱাৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তৰ কথা প্ৰকাশ কৰি কয়, ‘এই বিষয়ত সিদ্ধান্ত লোৱাৰ সময় এতিয়া কাষ চাপিছে। মই সংসদ আৰু ৰাজনৈতিক দলক বিষয়টো অৱগত কৰিলো। নাটোৰ সদস্য হিচাপে ফিনলেণ্ডে সম্পূৰ্ণ প্ৰতিৰক্ষা সংস্থাটোক শক্তিশালী কৰি তুলিব।’





## জুনত হৰিদ্বাৰত অনুষ্ঠিত হ’ব বিশ্ব হিন্দু পৰিষদৰ বৃহৎ বৈঠক

**নিউজ ব্যুৰ’, হৰিদ্বাৰ, ১২ মে’ ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ স’তে ঘনিষ্ঠভাৱে জড়িত বিশ্ব হিন্দু পৰিষদ (ভি এইচ পি)ৰ এখন বৈঠক হৰিদ্বাৰত অহা ১১ আৰু ১২ জুনত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ’ব। এই বৈঠকত হিন্দুত্ববাদী সংগঠনটোৱে আগন্তুক বৰ্ষৰ এজেণ্ডাৰ লগতে হনুমান চালিচাসহ দেশত অব্যাহত থকা অন্যান্য বিতৰ্কৰ প্ৰসংগত আলোচনা কৰিব। লাউডস্পীকাৰ বিতৰ্ক, উমৈহতীয়া দেৱানী আইন আদি বিষয়তো ভি এইচ পিয়ে বৈঠকত আলোচনা কৰাৰ সম্ভাৱনা আছে। ইতিমধ্যে বৈঠকৰ বাবে ভি এইচ পিয়ে বৃহৎ প্ৰস্তুতি আৰম্ভ কৰিছে। ভি এইচ পিৰ সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি উক্ত বৈঠকত দেশৰ বিভিন্ন অঞ্চলৰ কমেও ৩০০ জন সন্ত আৰু নেতাই অংশ ল’ব।

# তাজমহল প্ৰসংগত উচ্চ ন্যায়ালয়ে ক’লে ঃ পি আই এল ব্যৱস্থাক লৈ ধেমালি নকৰিব

**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ১২ মে’ ঃ** তাজমহলৰ বন্ধ হৈ থকা ২২ টা কোঠা মুকলি কৰাৰ বাবে দাখিল কৰা এখন আবেদন আজি প্ৰত্যাখ্যান কৰিলে এলাহাবাদ উচ্চ ন্যায়ালয়ে। ন্যায়াধীশ ডি কে উপাধ্যায় আৰু সুভাষ বিদ্যাৰ্থীৰ বিচাৰপীঠে শুনানি গ্ৰহণ কৰি আবেদনকাৰীক কঠোৰভাৱে সমালোচনা কৰে। আদালতে জনস্বাৰ্থ জড়িত আবেদন (পি আই এল) ব্যৱস্থাক লৈ ধেমালি নকৰিবলৈ আবেদনকাৰীক সকীয়াই দিয়ে। ন্যায়াধীশদ্বয়ে আবেদনকাৰীক ধমক দি কয়, ‘আপোনালোকে বিশ্বাস কৰে যে শ্বাহজাহানে তাজমহল নিৰ্মাণ কৰা নাছিল? আমি ইয়াত এক ৰায় দিবলৈ আছো নেকি? তাজমহল কোনে বনাইছিল, তাজমহলৰ বয়স কিমান এইবোৰ কথা আমি ক’ব লাগিব নেকি? যি বিষয়ত আপোনালোক জ্ঞাত নহয়, সেই বিষয়ত প্ৰথমে আপোনালোকে গৱেষণা কৰক। যাওক, এম এ কৰক, পি এইচ ডি কৰক। যদি আপোনালোকক গৱেষণা কৰাৰ ক্ষেত্ৰত কোনো প্ৰতিষ্ঠানে বাধা দিয়ে তেতিয়া আমাৰ ওচৰলৈ আহিব। আপোনালোকে তাজমহলৰ ২২ টা কোঠাৰ তথ্যপাতি কাৰ পৰা বিচাৰিছে?’ ন্যায়াধীশৰ এই



প্ৰশ্নৰ উত্তৰ দি আবেদনকাৰীৰ অধিবক্তাই কয় যে তেওঁলোকে তাজমহল সন্দৰ্ভত কৰ্তৃপক্ষৰ পৰা তথ্যপাতি লাভ কৰিছিল। তেতিয়া উচ্চ ন্যায়ালয়ে অধিবক্তাক উদ্দেশ্যি কয়, ‘যদি কৰ্তৃপক্ষই নিৰাপত্তাজনিত কাৰণত উক্ত কোঠাসমূহ বন্ধ ৰখা বুলি আপোনালোকক অৱগত কৰিছিল আৰু আপোনালোক এই উত্তৰত সন্তুষ্ট নহয় তেন্তে ইয়াক প্ৰত্যাহ্বান জনাওক।’ আবেদনকাৰীয়ে আদালতৰ পৰা তাজমহলৰ বন্ধ হৈ থকা উক্ত কোঠাত প্ৰৱেশৰ অনুমতি বিচৰাত ন্যায়াধীশদ্বয়ে কটাক্ষ কৰি কয়, ‘কাইলৈ আপোনালোকে আদালতলৈ আহি আমাক ক’ব যে আমি এতিয়া মাননীয় ন্যায়াধীশৰ কক্ষলৈ যাবলৈ অনুমতি বিচাৰিছো। আপোনালোকে জনস্বাৰ্থ জড়িত আবেদনৰ প্ৰক্ৰিয়াটোক লৈ এইদৰে ধেমালি নকৰিব।’

## দেশৰ ৰাজনীতিত বিজেপিৰ ভৱিষ্যৎ কি? উত্তৰ দিলে প্ৰশান্ত কিশোৰে



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১২ মে’ ঃ ভাৰতৰ ৰাজনীতিত বিজেপিৰ ভৱিষ্যৎ কেনে সেই সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰিলে দেশৰ বিশিষ্ট নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ এক সাক্ষাৎকাৰত কিশোৰে স্পষ্টভাৱে কয় যে আগন্তুক সময়ত বিজেপি শক্তিশালী নিৰ্বাচনী দল হিচাপে অটুট থাকিব। উক্ত সাক্ষাৎকাৰত নিৰ্বাচন ৰণনীতিজ্ঞজনে এইদৰে কয়, ‘বিজেপি শক্তিশালী নিৰ্বাচনী দল হিচাপে থাকিব। যেতিয়া আপুনি দেশত ৩০ শতাংশ ভোট সুনিশ্চিত কৰিব পাৰিব, তেতিয়া আপোনাক কোনেও ক্ষমতাৰ পৰা আঁতৰাব নোৱাৰে। মোৰ ধাৰণা অনুসৰি আগন্তুক ২০-৩০ বছৰ ভাৰতীয় ৰাজনীতি বিজেপিক কেন্দ্ৰ কৰি আৱৰ্তিত হ’ব। হয় আপুনি বিজেপিৰ সপক্ষে অথবা বিপক্ষে থাকিব।’ দেশত মেৰুকৰণৰ ৰাজনীতিৰ সন্দৰ্ভত মন্তব্য কৰি কিশোৰে পুনৰ কয়, ‘মেৰুকৰণ এনে এটা বিষয় যাক লৈ অত্যধিক হুলস্থূল কৰা হয়। মেৰুকৰণৰ প্ৰক্ৰিয়াটো সলনি হৈছে। কিন্তু মেৰুকৰণ যিমানে নকৰক কিয় আপুনি এটা সম্প্ৰদায়ৰ ৫০-৫৫ শতাংশ মানুহক কেতিয়াও একত্ৰিত কৰিব নোৱাৰে।’**

## মহাভাৰতৰ পৰা অনুপ্ৰাণিত ‘এভেঞ্জাৰ্ছ’ ঃ কংগনাৰ দাবী



**নিউজ ব্যুৰ’, মুম্বাই, ১২ মে’ ঃ** হলিউডৰ বিখ্যাত ছবি ‘এভেঞ্জাৰ্ছ’ ভাৰতৰ বেদৰ অনুকৰণ। এইদৰে দাবী কৰিলে বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌতে। ‘আইৰণ মেন’ৰ পৰা আৰম্ভ কৰি ‘থৰ’—এনেবোৰ ছবি প্ৰকৃততে ভাৰতীয় মহাকাব্য মহাভাৰতৰ পৰা নকল কৰা হৈছিল। সম্প্ৰতি এক সাক্ষাৎকাৰত এই চাঞ্চল্যকৰ দাবী কৰিলে বলিউড অভিনেত্ৰীগৰাকীয়ে। কংগনাই সাক্ষাৎকাৰত কয়, ‘হলিউডৰ ‘ছুপাৰ হিৰ’ৰ ধাৰণাতো দৰাচলতে ভাৰতৰ পুৰাণ, বেদ, আনকি মহাভাৰতৰ অনুকৰণ। যেনে ধৰক, আইৰণ মেনৰ অস্ত্ৰৰ স’তে মহাবীৰ কৰ্ণৰ অস্ত্ৰৰ সাদৃশ্য আছে। আকৌ থৰৰ হাতুৰিৰ স’তে হনুমানৰ গদাৰ মিল আছে। পাশ্চাত্যৰ চিনেমাই আমাৰ পুৰাণ, ইতিহাসক নকল কৰি আহিছে। ছুপাৰ হিৰ’ৰ ভিজুৱেল অন্যান্য হ’লেও এইবোৰ আমাৰ বেদৰ পৰাই অনুপ্ৰাণিত।’ কংগনাই লগতে দাবী কৰি কয় যে হলিউডেও ভাৰতীয় পৌৰাণিক শাস্ত্ৰৰ পৰা অনুপ্ৰাণিত হোৱাৰ কথা স্বীকাৰ কৰিছে।

দৈনিক অগ্ৰদূত

# জীৱন জিজ্ঞাসা



# শ্ৰীশ্ৰীশংকৰদেৱৰ ধৰ্মত ভক্তিবাদ

**ভাগৱত, গীতা, কীৰ্ত্তন, নামঘোষা- এই সকলো পুথিয়েই এই নিষ্কাম ভক্তিৰ গুণগান গাইছে। নিঃস্বাৰ্থ ভাৱে ভগৱানক সেৱা কৰাই হ'ল ভক্তিবাদ। ভগৱানৰ প্ৰতি আমি কৃতজ্ঞ হোৱা উচিত যে আমাক মানুহ হিচাপে জন্ম দিলে। সেয়ে আমি দিঠকে সপোনে প্ৰতি মুহূৰ্ততে ভগৱানৰ নাম লোৱা প্ৰয়োজন। তাৰ বাবে নিৰ্দিষ্ট সময়, নিৰ্দিষ্ট স্থান আদিৰ প্ৰয়োজন নাই**

**শংকৰদেৱৰ** ধৰ্মৰ পটভূমি হ'ল বেদান্ত দৰ্শন। বেদান্ত দৰ্শন ভাৰতৰ খুব প্ৰাচীন দৰ্শন। পূৰ্বতে উপনিষদকে বেদান্ত বোলা হৈছিল। বেদান্ত মানে বেদৰ অন্ত ভাগ। উপনিষদে যিহেতু বেদৰ অন্তভাগ গঠন কৰিছে সেয়ে ইয়াক বেদান্ত নামেৰে জনা যায়।

উপনিষদৰ সংখ্যা বহুত আৰু সেই বহুতবোৰ উপনিষদৰ মাজত মতপাৰ্থক্য আছে। গতিকে উপনিষদবোৰে মানুহক বিমোৰত পেলায়। এই অসুবিধা উপলব্ধি কৰি বাদৰায়ণ বোলা দাৰ্শনিকজনে ব্ৰহ্মসূত্ৰ বুলি এখন পুথি লিখে। এই পুথিত সমগ্ৰ উপনিষদৰ সাৰভাগ গোটাই সূত্ৰাকাৰে প্ৰণয়ন কৰা হয়। এই পুথিক বেদান্ত সূত্ৰ বুলিও জনা যায়। কিন্তু সূত্ৰাকাৰে হোৱাত এই পুথিও বুজিবলৈ টান হয়। সেয়ে শংকৰাচাৰ্য নামৰ দাৰ্শনিকজনে ইয়াৰ ওপৰত টীকা-ভাষ্য লিখে। এওঁৰ এই ভাষ্যৰ ওপৰতে নিৰ্ভৰ কৰি বেদান্ত দৰ্শনে মূৰ্ত ৰূপ ধাৰণ কৰে। পিছত ৰামানুজাচাৰ্য, মধবাচাৰ্য, বল্লভাচাৰ্য, নিম্বাকাচাৰ্য আদিয়ে ব্ৰহ্মসূত্ৰৰ ওপৰত ভাষ্য লিখি বেলেগ বেলেগ বেদান্ত শাখা গঠন কৰে। শংকৰাচাৰ্যৰ বেদান্ত দৰ্শনৰ পৰা অদ্বৈত বেদান্ত উদ্ভৱ হয়।



শংকৰদেৱৰ দৰ্শন যদিও এই বেদান্ত দৰ্শনেই তথাপি তেওঁ ওপৰৰ কোনো এজন দাৰ্শনিককে নিৰ্দিষ্টভাৱে অনুসৰণ কৰা নাই। তেওঁ অনুসৰণ কৰিছে ভাগৱত পুৰাণত পোৱা বেদান্ত দৰ্শনক। ভাগৱত পুৰাণে বেদান্ত দৰ্শনক পুৰাণ আকাৰে উপস্থাপন কৰিছে। আমি জানো যে ভাগৱত পুৰাণৰ সাৰমৰ্ম হ'ল ভক্তিবাদ আৰু এই পুৰাণে কৃষ্ণকে ব্ৰহ্মৰ ঈশ্বৰ ৰূপ বুলি সাব্যস্ত কৰিছে। শ্ৰীশংকৰদেৱে ভাগৱতৰ ভক্তিবাদ আৰু কৃষ্ণ-ঈশ্বৰকে নিজৰ দৰ্শনত মূল কথাৰূপে ঠাই দিছে।

ভাগৱতৰ ভক্তিবাদ নিষ্কাম ভক্তিবাদ। ভক্তি সকলো ধৰ্মতে আছে। ইছলাম ধৰ্মতো আছে, খ্ৰীষ্টান ধৰ্মতো আছে, বৌদ্ধ ধৰ্মতো আছে, শাক্ত ধৰ্মতো আছে, শৈৱ ধৰ্মতো আছে। শংকৰদেৱৰ ভক্তিবাদ কেনেকুৱা তাক জানিবলৈ হ'লে ইয়াক শাক্ত ধৰ্মৰ ভক্তিতকৈ কি ক্ষেত্ৰত বেলেগ তাক দেখুৱালেই হ'ব। শাক্ত ধৰ্মৰ ভক্তি সকাম ভক্তি, যি ক্ষেত্ৰত বৈষ্ণৱ ধৰ্মৰ ভক্তি নিষ্কাম ভক্তি। ইয়াত ভগৱানক কিবা বুজি ভক্তি কৰা নহয়। কেৱল ভক্তিৰ বাবেহে ভক্তি কৰা হয়। ভগৱানক কিবা খুজি ভক্তি কৰিলে সি সকাম ভক্তি হ'ব। ভাগৱতে এনে ভক্তিক প্ৰশ্ৰয় নিদিয়ে।

শংকৰদেৱৰ ধৰ্ম আৰু ভক্তিবাদক মাধৱদেৱে তেওঁৰ নামঘোষাত সুন্দৰ ভাৱে ৰূপায়িত কৰিছে। নামঘোষাৰ প্ৰথম শ্লোকৰ প্ৰথম দুটা শাৰীতেই সমগ্ৰ ভক্তিবাদৰ সাৰমৰ্ম অন্তৰ্নিহিত হৈ আছে। প্ৰথম শ্লোকৰ এই শাৰী দুটা হ'ল—

'মুক্তিত নিস্পৃহ যিটো
সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।'

মানুহে জীৱনত চাৰিটা বস্তু বিচাৰে। এই চাৰিটা বস্তু হ'ল ধৰ্ম, অৰ্থ, কাম, মোক্ষ। ধৰ্ম মানে নিয়মত থকা, অৰ্থ মানে ধন-সম্পদ আহৰণ কৰা, কাম মানে ভোগ কৰা আৰু মোক্ষ মানে মুক্তি লাভ কৰা। প্ৰথম তিনিটাক পুৰুষাৰ্থ আৰু মুক্তিক পৰম পুৰুষাৰ্থ বোলা হয়। পৰম পুৰুষাৰ্থ মানে মুক্তিক মানুহে আটাইতকৈ বেছিকৈ বিচাৰে। কিন্তু যিজন ভকতে এই পৰম পুৰুষাৰ্থ স্বৰূপ মুক্তিক নিবিচাৰে তেওঁহে আচল ভকত।



ড° গিৰীশ বৰুৱা

গতিকে দেখা যায় কেৱল ভক্তি থাকিলেই ভক্তিবাদ নাথাকে। ভক্তিৰ বাবে, কেৱল ভক্তিৰ বাবে ভগৱানক একো নুখুজি ভক্তি কৰিলেহে ভক্তিবাদী হ'ব পৰা যায়। বাকীবোৰ ভক্ত ভণ্ড ভক্ত, তেওঁলোক আচল ভক্ত নহয়।

ভাগৱত, গীতা, কীৰ্তন, নামঘোষা- এই সকলো পুথিয়েই এই নিষ্কাম ভক্তিৰ গুণগান গাইছে। নিঃস্বাৰ্থভাৱে ভগৱানক সেৱা কৰাই হ'ল ভক্তিবাদ। ভগৱানৰ প্ৰতি আমি কৃতজ্ঞ হোৱা উচিত যে আমাক মানুহ হিচাপে জন্ম দিলে। সেয়ে আমি দিঠকে সপোনে প্ৰতি মুহূৰ্ততে ভগৱানৰ নাম লোৱা প্ৰয়োজন। তাৰ বাবে নিৰ্দিষ্ট সময়, নিৰ্দিষ্ট স্থান আদিৰ প্ৰয়োজন নাই। প্ৰকৃতিজাত আমি যিহেতু শৰীৰ অধিকাৰ কৰো সেয়ে আমি কৰ্ম কৰিবলৈ বাধ্য। এই কৰ্ম হ'ব লাগিব ভক্তি সংযুক্ত। এই ভক্তি আকৌ ৰৌজাল-বৌজালেৰে, ঢোল-দগৰ বজাই নকৰিলেও হয়। কেৱল অন্তৰত নাম ল'লেই এই ভক্তি সিজে। ব্ৰহ্ম শব্দত বিদ্যমান আৰু শব্দ বিদ্যমান নামত। ভগৱান নামেৰেই সন্তুষ্ট। তাৰ বাবে শৰাই, পূজা আদিৰ প্ৰয়োজন নাই।

গতিকে দেখা গ'ল আন ধৰ্মৰ ভক্তি আৰু বৈষ্ণৱ ধৰ্মৰ ভক্তিবাদৰ মাজত এক গুণগত পাৰ্থক্য আছে। অৱশ্যে এই ভক্তিবাদক খ্ৰীষ্টান ধৰ্মৰ Thanks giving prayer-ৰ লগত তুলনা কৰিব পাৰি। এই প্ৰাৰ্থনাত ভগৱানক ধন্যবাদ জনোৱা হয় যিহেতু তেওঁ আমাক জীৱন দিলে। গতিকে ভগৱানক স্বাস্থ্য, দীৰ্ঘায়ু, ধন, সম্পদ, সতি-সন্ততি আদি খুজিলেই নিষ্কাম ভক্তিৰ পৰা আঁতৰি অহা হয়। এইবোৰ আমাৰ কৰ্মেৰে আহৰণ কৰিবলৈ চেষ্টা কৰিব লাগে আৰু কৰ্মও হ'ব লাগিব নিষ্কাম কৰ্ম অৰ্থাৎ কামনাহীনভাৱে কৰা কৰ্ম।

নাম ল'লেই বা নামঘৰলৈ গ'লেই ভগৱানৰ ভক্ত হোৱা নাযায়। ইয়াৰ বাবে লাগিব কঠোৰ অনুশীলন আৰু সাধনা। সংসাৰী হৈ নিষ্কামী হোৱাটো সাধাৰণ কথা নহয়। অতি সংযমীজনেহে এই কাম কৰিব পাৰে। ইয়াৰ বাবে লাগিব ধৈৰ্য্য, সত্য-শিৱ-সুন্দৰৰ প্ৰতি শ্ৰদ্ধা আৰু কুকুৰ-গৰ্দভ আদি কৰি সকলো প্ৰাণীলৈকে দয়া। এইবোৰ কৰিলেহে প্ৰকৃত ভক্তি ধৰ্ম আচৰা হয়।

ফোন ঃ ৭০০২৩৭৬৫০৫



**বিবেক আছে কাৰণেইতো মানৱজাতি জীৱশ্ৰেষ্ঠ। সেই কাৰণেই মানুহে পায় মানৱীয়ত্ব। এই বিবেকৰ দ্বাৰা চালিত মানুহেই নিজক সৎ পথেৰে আগুৱাই নিব পাৰে। মহাসমৰৰ আৰম্ভণিতে গাণ্ডীৱধাৰী অৰ্জুনেও কান্ধৰ পৰা গাণ্ডীৱ নমাই লৈছিল। কাৰণ তেওঁৰ বিবেকৰ দংশন হৈছিল। বিবেকে কৰি তুলিছিল তেওঁক ভাৱগ্ৰস্ত। লগতে বিষাদগ্ৰস্ত**

# বিবেক আৰু বিবেকৰ দংশন

অনিতা গোস্বামী

**জীৱনত** কৰি অহা ভুলৰ বাবে অনুশোচনা যি অনুশোচনাই সাময়িকভাৱে হ'লেও, মানুহক কৰি দিয়ে নিশ্চল, ভাৰাক্ৰান্ত—এয়াই নহয় জানো বিবেক দৰ্শনৰ সংজ্ঞা?

পৃথিৱীত যিকোনো ব্যক্তিয়েই হয়তো জীৱনত কোনো মুহূৰ্তত কিবা নহয় কিবা দোষত দোষী, অপৰাধী। সম্পূৰ্ণ দোষমুক্ত মানুহৰ আখ্যা দিয়া টান। হয়তো তেনে মানুহ ক'তোৱেই নাই। কিন্তু বিবেক থকাজনৰহে এই দোষৰ উপলব্ধি হয়। সময়ে সময়ে এই দোষ বা অপৰাধৰ কাৰণে বিবেকৰ দংশনতো ভোগে। বিবেকে কৰি তোলে তেওঁক প্ৰশ্নৰ্ত। তেতিয়াই নিজকে হয়তো তেওঁ প্ৰশ্ন কৰে এয়া জানো মই ঠিক কৰিছো? মোৰ জানো ভুল হোৱা নাই? এই চিন্তাৰ ধাৰা যেতিয়াই তীব্ৰ হয় তেতিয়াই আহে অনুশোচনা, আত্মধিক্কাৰ। অনুতাপৰ অগণিৰে তেতিয়া তেওঁ দগ্ধ হয়। ভাব হয় কবি অহা ভুলেৰে গোটেই শৰীৰ মন ক্লেদময়। যিমানেই পৰিষ্কাৰ পানীৰে তেওঁ স্নান নকৰককিয়, কোনোমতেই যেন ক্লেদমুক্ত হ'ব নোৱাৰিব।

অৱশ্যে সকলো সময়তে বিবেকৰ দংশনৰ কোনো গুৰুতৰ কাৰণৰো প্ৰয়োজন নাই। যিকোনো সৰু ঘটনা (ভুলৰ) কাৰণেই ভাবপ্ৰৱণ আৰু চিন্তাশীলজনৰ বিবেকৰ দংশন হ'ব পাৰে। বিপৰীতে কোনো গুৰুতৰ অপৰাধৰ পাছতো কোনোজন অপৰাধীৰ বিবেকৰ দংশন নহ'ব পাৰে। তেতিয়াও তেওঁ হয়তো অবিচলিত। এটাৰ পাছত এটাকৈ পুনৰ কৰি গৈছে তেনে ভুল বা অপৰাধ। কাৰণ তেওঁৰ উপলব্ধিৰ ধাৰা সীমিত অথবা সম্পূৰ্ণ ভিন্ন। জীৱনত একেটা কামৰে প্ৰতিক্ৰিয়া বেলেগ বেলেগ জনৰ ওপৰত বেলেগ বেলেগ ধৰণে ধৰা দিয়ে। যিটো কামৰ কাৰণে কোনো এজনে অহৰ্নিশে বিবেকৰ দংশনত ভোগে, যি দ্বন্দ্বই সমগ্ৰ জীৱনত যাত্ৰাই স্থবিৰ কৰি দিব খোজে, অইন এজনে হয়তো সেই একেটা কামৰ পাছতো সম্পূৰ্ণ নিৰ্লিপ্ত উদাসীন। স্বাভাৱিকভাৱেই কৰি গৈছে তেওঁৰ দৈনন্দিন কাম। নিজৰ ভুলৰ কোনো অনুশোচনা তেওঁৰ নাই। গতিকেই নাই বিবেকৰ দংশনো। বাৰে বাৰে কৰি গৈছে একে ভুলৰ পুনৰাবৃত্তি।

কিন্তু বিবেক আছে কাৰণেইতো মানৱজাতি জীৱশ্ৰেষ্ঠ। সেই কাৰণেই মানুহে পায় মানৱীয়ত্ব। এই বিবেকৰ দ্বাৰা চালিত মানুহেই নিজক সৎ পথেৰে আগুৱাই নিব পাৰে। মহাসমৰৰ আৰম্ভণিতে গাণ্ডীৱধাৰী অৰ্জুনেও কান্ধৰ পৰা গাণ্ডীৱ নমাই লৈছিল। কাৰণ তেওঁৰ বিবেকৰ দংশন হৈছিল। বিবেকে কৰি তুলিছিল তেওঁক ভাৱগ্ৰস্ত। লগতে বিষাদগ্ৰস্ত। তেওঁৰ মনত প্ৰশ্ন জাগিছিল পিতামহকে আৰম্ভ কৰি গুৰুদ্ৰোণাচাৰ্য, কুলগুৰু শুক্ৰাচাৰ্য, আত্মীয়স্বজন আৰু বন্ধু বান্ধৱৰ বিৰুদ্ধে তেওঁ অস্ত্ৰ তুলি ল'ব কিয়? কিয়নো এওঁলোকৰ বিৰুদ্ধে যুদ্ধ কৰি তেজৰ নদী বোৱাই দিব? অৰ্জুনৰ এই বিবেকৰ দংশন আঁতৰাবলৈ মানৱৰূপী ভগৱানৰ অৱতাৰ শ্ৰীকৃষ্ণৰ প্ৰয়োজন হৈছিল। আৰু তেতিয়াই সৃষ্টি হৈছিল 'গীতা'ৰ।

ঠিক একেদৰে মগধাপতি মহাৰাজ অশোকেও কলিংগ বিজয় কৰি আহি বিবেতৰ দংশনত ভুগিছিল। তেওঁৰ মনতো প্ৰশ্ন জাগিছিল কেৱল ৰাজ্য লাভ, ক্ষমতা আৰু সন্তানৰ কাৰণে সেউজীয়া ধৰণী তেজেৰে ৰাঙলী কৰিলে কিয়? কিয় ঘৰে ঘৰে তুলিলে কান্দোনৰ ৰোল? কত নাৰী স্বামীহাৰা হ'ল, কত মাতৃ পুত্ৰহাৰা হ'ল, যুদ্ধক্ষেত্ৰ হ'ল শ্মশানত পৰিণত। নৈৰ পৱিত্ৰ জলধাৰা তেজেৰে কলষু হ'ল। কিবৰ বাবে তেওঁ এইবোৰ কৰিলে? অশোক তেতিয়া অন্তৰ্দ্বন্দ্বত ভুগিছিল। নিজৰ ভুলৰ কাৰণে অনুশোচনাৰে দগ্ধ হৈছিল তেওঁৰ হৃদয়। এইখিনিতেই অন্যান্য ৰজা-মহাৰজাৰ স'তে অশোকৰ পাৰ্থক্য।

বিবেকে চিন্তাশীল আৰু ভাবগ্ৰস্তজনৰ ওপৰতহে বেছিকৈ প্ৰতিক্ৰিয়া কৰিব পাৰে। কাৰণ তেওঁৰ উপলব্ধিৰ সীমা সুগভীৰ। গতিকেই তেওঁ কৰি অহা ভুলৰ কাৰণে অনুশোচনাত ভোগে। বিশেষ ব্যক্তি অথবা ৰজা-মহাৰজাৰ কথা বাদ দি সাধাৰণ মানুহৰ ক্ষেত্ৰতো বিবেকৰ দংশন থাকে। কোনো এজন মানুহে জীৱনৰ কোনো দুৰ্বল মুহূৰ্তত হৃদয়ৰ স্পৰ্শ নোহোৱাকৈ উত্তেজনাৰ বশৱৰ্তী হৈ কাৰোবাৰ ওচৰত হয়তো শেমনা চৰিতাৰ্থ কৰে। কিন্তু উত্তেজনা শাম কটাৰ পাছত সেই ভুলৰবাবে অহৰ্নিশে অনুশোচনাত ভোগে। বিবেকৰ দংশনে তেওঁক পীড়া কৰি থাকে। কিন্তু অন্য এজন মানুহে বাৰে বাৰে নিৰ্বিবাদে কৰি গৈছে ধৰ্ষণ, বন্যাকাৰ অথবা তেওঁৰ কাগজ চৰিতাৰ্থ। কোনো এটা মুহূৰ্ততে বিবেকৰ দংশনত তেওঁ নোভোগে।

গতিকেই দেখাযায় বিশেষ বিশেষ মানুহৰ ক্ষেত্ৰতহে বিবেকৰ দংশন কথাটো খাটে। এই দংশনে কেতিয়াবা মানুহক কৰি তোলে একাকী। নিৰ্জনতা আৰু একাকীকত্বহে। সেই সময়ত তেওঁ ভাল পায়। সেই নিৰ্জ)তা আৰু একাকীকত্বহে সেই সময়ত তেওঁ ভাল পায়। সেই নিৰ্জনতা আৰু একাকীকত্বৰ মাজত অহৰ্নিশে সেৱা অনুশোচনাতে হয়তো হৈ যায় তেওঁৰ ভুলৰ প্ৰায়চিত্ত।

পুৰুষ আৰু নাৰী উভয়ে নিৰ্বিবাদে বিবেকৰ দংশনত ভোগে। এই দংশন ইমানেই গাঢ় হৈ পৰিব পাৰে যে কোনোবাজনে হয়তো ধীৰে ধীৰে আগবাঢ়ি যায় আত্মহননলৈ। আকৌ কোনোবাজনে এই দংশন সহ্য কৰিব নোৱাৰি। স্বইচ্ছাই মৃত্যুক আঁকোৱালি লয়। চন্দ্ৰবংশীয় ৰজা বিত্তৰবীৰ্যৰ ক্ষেত্ৰজ পুত্ৰ পাণ্ডুৱে এবাৰ মৃগয়া কৰিবলৈ গৈ এহাল মৃগক সংগমৰত অৱস্থাত পাঁচ পাট বাণেৰে বিদ্ধ কৰিছিল। প্ৰকৃততে মুনি কিমিন্দমে পুত্ৰ কামনা কৰি মৃগপহুৰ ৰূপ লৈ হৰিণীক সংগম কৰি আছিল। সেই অৱস্থাত কাণেৰে বিদ্ধ সেৰাত মুনিয়ে পাণ্ডুক অভিশাপ দি কৈছিল— তুমি মোক সংগমৰত অৱস্থাত হত্যা কৰিলা। ঠিক তেনেদৰে তুমিও স্ত্ৰীসংগম কাণত অতৃপ্ত অৱস্থাত মৃত্যুবৰণ কৰিব লাগিব। তেতিয়া পাণ্ডুৱে সংসাৰ ধৰ্ম ত্যাগ কৰি পত্নী কুন্তী আৰু মাদ্ৰীক লগত লৈ বনলৈ গমন কৰে আৰু বনবাসী হয়। কিন্তু এবাৰ বসন্ত কালত নিৰ্জনত মাদ্ৰীক দেখি তেওঁ কামাতুৰ হৈ উঠে। মুনি কিমিন্দমৰ অভিশাপ পাহৰি তেওঁ মাদ্ৰীৰ লগত সংগমৰ কাৰণে উদ্যত হয়। তেতিয়াই পাণ্ডুৰ মৃত্যু হয়। এই ঘটনাৰ পাচত মাদ্ৰীয়ে নিজকে ভীষণভাৱে অপৰাধী বুলি অনুতপ্ত হয়। স্বামীৰ মৃত্যুৰ কাৰণে নিজকে জগৰীয়া কৰি তেওঁ অনুশোচনাত ভোগে। মাদ্ৰীৰ বিবেকৰ দংশন ইমানেই বেছি হৈছিল যে নিজপুত্ৰ নকুল আৰু সহদেৱক কুন্তীৰ হাতত গটাইদি স্বামীৰ চিতাত জঁপিয়াই জীৱন্তে দগ্ধ গৈ মৃত্যুবৰণ কৰে।

**চন্দ্ৰবংশীয় ৰজা বিত্তৰবীৰ্যৰ ক্ষেত্ৰজ পুত্ৰ পাণ্ডুৱে এবাৰ মৃগয়া কৰিবলৈ গৈ এহাল মৃগক সংগমৰত অৱস্থাত পাঁচ পাট বাণেৰে বিদ্ধ কৰিছিল। প্ৰকৃততে মুনি কিমিন্দমে পুত্ৰ কামনা কৰি মৃগপহুৰ ৰূপ লৈ হৰিণীক সংগম কৰি আছিল। সেই অৱস্থাত কাণেৰে বিদ্ধ সেৰাত মুনিয়ে পাণ্ডুক অভিশাপ দি কৈছিল— তুমি মোক সংগমৰত অৱস্থাত হত্যা কৰিলা। ঠিক তেনেদৰে তুমিও স্ত্ৰীসংগম কাণত অতৃপ্ত অৱস্থাত মৃত্যুবৰণ কৰিব লাগিব**



এয়া হ'ল ঐতিহাসিক আৰু পৌৰাণিক যুগৰ কথাষ পাপ পংকিলতা, কৃত্ৰিমতা, হিংসাদ্বেসেৰে ভৰা বৰ্তমানৰ আধুনিক যুগ। কৃত্ৰিম ৰঙীণ চন্দসাৰে পৃথিৱীখনক সুন্দৰ দেখাৰ যুগ। তথাপি জানো মানুহৰ বিবেকৰ মৃত্যু হৈছে?

এক কথাতেই ক'ব পাৰি নাই সেৱা? বিবেকৰ মৃত্যু এতিয়াও হোৱা নাই। আৰু হোৱা নাই কাৰণেই নাগাচাকি আৰু হিৰোচিমাত বোমা বিস্ফোৰণৰ পাছত পৰমাণু বিজ্ঞানীসকলৰ কোনো কোনোৱে বিবেকৰ দংশনত ভুগিছিল। সম্প্ৰতি বিবেকৰ দংশনৰ কথা কৈছে অন্য এজন বিশিষ্ট ব্যক্তিয়ে। তেওঁ হ'ল জেনেৰেল মিথাইল কালাচনিকভ। কালাচলিকভৰ বয়স তেতিয়া ৮২ বছৰ। দ্বিতীয় মহাযুদ্ধৰ সময়ত তেওঁ আছিল ছোভিয়েট ৰাছিয়াৰ বিখ্যাত এজন সৈনিক। ১৯৪১ত কালাচনিকভ আহত হৈ হাস্পতালত চিকিৎসাধীন হৈ আছিল। সেই সময়তে তেওঁৰ মূৰত সোমায় নতুন এক মাৰণাস্ত্ৰ নিৰ্মাণৰ সপোন। ক্ৰমে সেই সপোনে বাস্তৱ ৰূপ পায়। জন্ম হয় এক উন্নত ধৰণৰ ছাব- মেচিনগান—যিটো মেচিনগান বহন কৰা সহজ, ব্যৱহাৰ কৰাও অতিশয় সহজ। অথচ এই ৰাইফল এক আশ্চৰ্যজনক ৰাইফল। মিনিটত ইয়াৰ পৰা চাৰিশ গুলি এৰিব পাৰি।

এই ৰাইফলৰ নাম হ'ল একে-৪৭। ছোভিয়েট ৰাছিয়াত ইয়াৰ উৎপাদন আৰম্ভ হয় ১৯৪৭ত। চৰকাৰীভাৱে হাতত তুলি লোৱা হয় দুবছৰৰ পাছত। তেতিয়াৰ পৰাই কালাচনিকভ এজন বিশ্ববিখ্যাত ব্যক্তি। পৃথিৱীত এই মুহূৰ্তত আচল অথবা নকল মিলি কমেও ১০ কোটি এনে ৰাইফল হাতে হাতে ঘূৰিছে। বিশ্বৰ প্ৰায় সকলো দেশৰ সামৰিক বাহিনী, পুলিচেতো ইয়াক ব্যৱহাৰ কৰিছেই, ব্যৱহাৰ কৰিছে নানা সন্ত্ৰাসবাদী, বিচ্ছিন্নতাবাদী গোষ্ঠীয়েও। আফগানিস্তান, পাকিস্তান, কাশ্মীৰ পূৰ্বাঞ্চল সকলোতে সন্ত্ৰাসবাদীৰ হাতত একে-৪৭ৰ গৰ্জন। আৰু নিজৰ সৃষ্টিৰ এনে পৰিণতি দেখি শিহৰিত হৈ উঠিছিল বৃদ্ধ জেনেৰেল কালাচনিকভ। অস্ত্ৰ-শস্ত্ৰৰ এক প্ৰদৰ্শনী উপলক্ষে জাৰ্মান কৰ্তৃপক্ষই তেওঁক বাৰ্লিনলৈ আমন্ত্ৰণ কৰি আনিছিল। তাত এক সাক্ষাৎকাৰত কালাচনিকভে কয় যে তেওঁ সৃষ্টি কৰা একে-৪৭ৰ পৰিণতি দেখি তেওঁ বিবেকৰ দংশনত ভুগিছে। সন্ত্ৰাসবাদী আৰু বিচ্ছিন্নতাবাদী দলে ইয়াক যেনেকৈ অপব্যৱহাৰ কৰিছে তাকে দেখি দুখিত। লগতে তেওঁ আৰু কয় যে এনে মাৰণাস্ত্ৰ তৈয়াৰ নকৰি সৰ্বজন ব্যৱহাৰযোগ্য কোনো উপকাৰী বস্তু যদি তৈয়াৰ কৰিলেহেঁতেন, তাতেই তেওঁ লাভ কৰিলেহেঁতেন গভীৰ প্ৰশান্তি।

এয়াই হ'ল বিবেকৰ দংশন। আজিও বিবেকৰ দংশন আছে কাৰণেই মানুহ মানুহ হৈ জীয়াই আছে। বিবেক আছে কাৰণেই আছে সমাজ, সভ্যতা আৰু সংস্কৃতি। আছে ঐক্য, সমন্বয়। বিবেকহীন মানুহে সাময়িকভাৱে সুখ অনুভৱ কৰিব পাৰে। কিন্তু সকলো বিপৰ্যয়ৰ মাজতো গভীৰ প্ৰশান্তি লাভ কৰিব পাৰে একমাত্ৰ বিবেকৰ দ্বাৰা চালিত জনেহে।

মানুহৰ জীৱনত বিবেকৰ খুবেই প্ৰয়োজন। প্ৰতিটো খোজতে আছে এই প্ৰয়োজন। যদি আমি বিবেকৰ আহ্বান অনুভৱ নকৰো, তেনেহ'লে নিজকে জীৱশ্ৰেষ্ঠ মানৱ বুলি পৰিচয় দিমেই বা কেনেকৈ? কেনেকৈ??

ফোন ঃ ৯৮৬৪২৯৫০২৪

# বিজ্ঞান বনাম ইছলাম

# পৃথিৱী গোলাকাৰনে ?

ইকবাল হুছেইন

**মুছলিম** পণ্ডিতসকলে দাবী কৰে যে কোৰানৰ এহেজাৰটামান আয়াত আছে যিবোৰ বিজ্ঞান সম্পৰ্কিত। কোৰানত বিজ্ঞান বিষয় সম্পৰ্কিত অ'তবোৰ তথ্য বা তত্ত্ব থকা সত্ত্বেও আমি কেতিয়াও স্কুল-কলেজৰ পাঠ্যক্ৰম অধ্যয়ন কৰোতে তাৰ সামান্যতম উদ্ধৃতি দিয়া দেখা নাপালো। কেৱল মুছলিম পণ্ডিতসকলে কোৰানৰ আয়াতক বিজ্ঞানসন্মত বুলি দাবী কৰিলে সেয়া বিজ্ঞান হৈ নাযায়। বিজ্ঞান মুক্ত, সাৰ্বজনীন, সমগ্ৰ বিশ্বৰ বিজ্ঞান জগতে তাক আদৰণি জনাব লাগিব। বিজ্ঞান এটা জাতি, সম্প্ৰদায় বা ভৌগোলিক সীমাৰেখাৰ মাজত আবদ্ধ নহয়। কোৰানৰ এটা আয়াত বিজ্ঞানসন্মত বুলি দাবী কৰিলে সি হেজাৰটা প্ৰশ্নৰ উত্তৰ দিবলৈ ৰাজী থাকিব লাগিব, তাক হাতুৰিৰে কোবাই চেপেটা কৰিলেও শব্দ কৰিব নোৱাৰিব। চন্দ্ৰ, সূৰ্য নিজ কক্ষপথত ঘূৰে বুলি ক'লেই বিজ্ঞান হৈ নাযায়, ইয়াক উপযুক্ত যুক্তি, প্ৰমাণসহ উপস্থাপন কৰিব লাগিব। ডাঃ জাকিৰ নায়কে 'দাহাহা'ৰ জৰিয়তে আল্লাৰ নবীয়ে পৃথিৱীখন ঘূৰণীয়া বুলি জানিছিল, তাৰ এটা হাদীছৰ উদ্ধৃতি দিব পাৰিলেও যথেষ্ট হ'লহেঁতেন, গতিকে ডাঃ নায়কে প্ৰকল্প উপস্থাপন কৰিবলৈ সাহস কৰা নাই।

আৰিফ হুছেইন আৰু বছিৰ আহমেদে ডাঃ নায়কৰ দৰে 'পৃথিৱী ঘূৰে বা ঘূৰণীয়া'ৰ সমৰ্থনত একে কথাখিনিকে ফেচবুকত পাগুলিয়াইছে। পৃথিৱী ঘূৰে বা ঘূৰণীয়া, এই সামান্য কথাষাৰৰ বাবে তেওঁলোকেই হেজাৰটা অযুক্তিকৰ যুক্তি উত্থাপন কৰিছে। তেওঁলোকে লিখিছে যে কোৰান কোনো বিজ্ঞান বা ভূগোলৰ গ্ৰন্থ নহয় যাৰ বাবে সকলো বিষয় তন্ন-তন্নকৈ অন্তৰ্ভুক্ত কৰিব লাগিব কিন্তু কিছু অতি দৰকাৰী বিষয় আওকাণ কৰি পৃথিৱী, আকাশ, চন্দ্ৰ, সূৰ্য, দিন-ৰাতি আদিৰ ওপৰত ভিত্তি কৰি প্ৰায় দুশটামান আয়াত কি কাৰণে পঠিয়ালে তাৰ কাৰণ বিচাৰি পোৱা নাযায়। যেতিয়া কোনো সমস্যাৰ সমিধান পোৱা নাযায়, তেতিয়া কোৱা হয় কোৰান বিজ্ঞানৰ গ্ৰন্থ নহয়। অথচ কোৰানখনক বিজ্ঞানসন্মত গ্ৰন্থ বুলি সাব্যস্ত কৰিবলৈ বজাৰত হেজাৰ হেজাৰ গ্ৰন্থ মেলি দিয়া হৈছে। আৰিফ হুছেইনে চুৰা আৰ-ৰহমানৰ ১৭ নম্বৰ আয়াতৰ দ্বাৰা প্ৰমাণ কৰিব বিচাৰিছে যে পৃথিৱীখন ঘূৰণীয়া। উক্ত আয়াতটো হ'ল—'তেওঁ উভয় পূব আৰু পশ্চিমৰো গৰাকী।' তেওঁ যুক্তি দৰ্শাইছে যে এদিনত দুবাৰ সূৰ্য উদয় আৰু অস্ত যায় যাৰ বাবে তেওঁ ভাৰত আৰু আমেৰিকাক নিৰ্দিষ্ট কৰি লৈছে। ভাৰতত ৰাতি পুৱালে আমেৰিকাত সূৰ্য অস্ত যায়। ঠিক তেনেদৰে আমেৰিকাত সূৰ্য উদয় হ'লে আমাৰ ইয়াত সূৰ্য ডুব যায়, তেওঁৰ যুক্তিত দুবাৰ সূৰ্যোদয় বা সূৰ্যাস্তই পৃথিৱীক গোলাকাৰৰ প্ৰতি ইংগিত বহন কৰে। সঁচাকৈয়ে তেওঁলোকৰ অদ্ভুত যুক্তিক বাঃবাঃ দিব লাগিব। তেওঁলোকে বুজা উচিত যে প্ৰতি বছৰেই ৰোজাৰ মাহত ইফ্তাৰ, ছেহ্‌ৰীৰ বাবে যি সময়সূচী ঘোষণা কৰা থাকে তাত অসমৰ প্ৰতিখন জিলা বা নগৰৰ ইফ্তাৰৰ সময়সূচী পূবফালৰ পৰা পশ্চিমলৈ আধা মিনিট পলমকৈ দিয়া থাকে যাৰ দ্বাৰা প্ৰমাণ হয় পশ্চিমফালে দেৰিকৈ সূৰ্য ডুবে আৰু ঠিক তেনেদৰে পূব ফালে আগ ধৰি সূৰ্য উদয় হয়। ইয়াৰ অৰ্থ হ'ল প্ৰতি মুহূৰ্ততে, ২৪ ঘণ্টাৰ এটা মুহূৰ্ত বাদ নোযোৱাকৈ এফালে সূৰ্য উদয় আনফালে অস্ত গৈ থাকে। গতিকে তেওঁৰ যুক্তিসমূহ বিজ্ঞান জগতত হাঁহিৰ খোৰাক যোগাব নিশ্চয়। তদুপৰি পূব আৰু পশ্চিম কেৱল মাত্ৰ পৃথিৱীবাসী কোনো এজন ব্যক্তি সাপেক্ষে সত্য বা প্ৰযোজ্য কাৰণ এজনৰ বাবে যিটো পূব আনজনৰ বাবে সেয়া পশ্চিম। আনহাতে পৃথিৱীত যিটো পূব, শুক্ৰ গ্ৰহত সেয়া পশ্চিম, ঠিক সেইদৰে মহাশূন্যলৈ গুচি গ'ল পূব পশ্চিম, উত্তৰ, দক্ষিণ, তল ওপৰ, সোঁফাল বাঁওফাল আদিৰ কোনো অস্তিত্বই নাথাকিব। গতিকে আল্লাহ যিজন বিশ্বৰ সৰ্বত্ৰই বিৰাজমান তেওঁৰ বাণীসমূহ সাৰ্বজনীন হোৱা উচিত আছিল। আল্লাই কেৱল ভূ-পৃষ্ঠত থাকি কিয় কথা কয় তাক বুজা নাযায়। তেওঁলোকে ছুৰা ত্বাহাৰ ১০৬ আয়াতৰ উদ্ধৃতি দি ক'ব বিচাৰিছে যে ক্বিয়ামতৰ দিনা পৃথিৱীখন গোলাকাৰ নহৈ যদি সমতল হ'লহেঁতেন, আল্লাই কিয় আকৌ পৃথিৱীক সমতল ভূমিত পৰিণত কৰিবলৈ ইচ্ছা কৰিব।



পৃথিৱী ঘূৰণীয়া হ'লেও সাধাৰণ দৃষ্টিভংগীত বহু অঞ্চল সমতল ভূমি হিচাপে পোৱা যায় যদিও ইয়াৰ মাজত ওখ-চাপৰ অনেক পাহাৰ-পৰ্বত, নদ-নদী, সাগৰ-মহাসাগৰ বিয়পি আছে। আল্লাই কিয়ামতৰ দিনা সাগৰসমূহ উত্তাল কৰি তুলিব, পৰ্বতসমূহ ধূলিৰ দৰে উৰুৱাই দিব আৰু পৃথিৱীখন পুনৰ গঠন কৰা হ'ব, যিহেতু ক্বিয়ামতৰ ময়দানত সমস্ত মানৱ জাতি একত্ৰ হ'ব, গতিকে অসমতল পাহাৰ-পৰ্বত যাতে নাথাকে তাৰ ব্যৱস্থা কৰিব, সেয়া আল্লাৰ পৃথক ব্যৱস্থা, সেই বাক্যশাৰী বৰ্তমান যুগৰ বাবে প্ৰযোজ্য হোৱা নাই। তেওঁলোকে লিখিছে যে যিসকলৰ আৰবী ভাষাৰ ২৭টা আখৰৰ জ্ঞান নাই তেওঁলোকে ধৰ্মপুথিৰ সমালোচনা কৰা উচিত নহয়; কিন্তু তেওঁলোকে যে কোৰানৰ সাংখ্যিক তথ্যৰ দ্বাৰা বিভিন্ন বিষয় উত্থাপন কৰিছে, তাৰ দ্বাৰাও প্ৰমাণ হয় যে তেওঁলোকে নিজে কোৰানখন ভালকৈ অধ্যয়ন কৰা নাই, কাৰণ বেহেস্ত আৰু দোজখ সম্পৰ্কে আল্লাই ৩২০টা আয়াত নাজিল কৰিছে।

যদি এজন ছাত্ৰই তাৰ উত্তৰ বহীত এশ নম্বৰৰ ভিতৰত এশ নম্বৰেই লাভ কৰে, তাৰ পৰা বুজিব লাগিব যে পৰীক্ষকে তাৰ নম্বৰ কৰ্তন কৰিবলৈ কোনো সুযোগেই পোৱা নাই অৰ্থাৎ এশ শতাংশই শুদ্ধ উত্তৰ প্ৰদান কৰিছে, ঠিক তেনেকৈ কোৰানত যদি কোনো ধৰণৰ ভুল নায়েই, মানুহে তাক সমালোচনা কৰে কেনেকৈ? ঘূৰণীয়া পৃথিৱীক সমতল বুলি উল্লেখ কৰিলে তাক মানুহে সমালোচনা কৰিবই, তাক আপত্তি কৰি দুখ প্ৰকাশ কৰাৰ প্ৰয়োজন নাই।

আমিনুদ্দিন আহমদে 'ঈশ্বৰৰ অস্তিত্বৰ বিপক্ষে (বনাম সপক্ষে) কিছু যুক্তি' নামৰ কিতাপৰ ৪৮ পৃষ্ঠাত লিখিছে—'কোৰানত পৃথিৱীখনক বিছনা বোলাৰ অৰ্থ হ'ল যিদৰে বিছনাখন সমতল হোৱাৰ বাবে মানুহে আৰামেৰে শুব পাৰে সেইদৰে পৃথিৱীৰ সমতল ভূমিত মানুহে খেতি-বাতি কৰি আৰামেৰে জীৱন নিৰ্বাহ কৰিব পাৰিছে। পৃথিৱীৰ বৃহৎ অংশ সমতল নহৈ যদি ওখোৰা-মোখোৰা শিলাখণ্ডৰে ভৰপূৰ হ'লহেঁতেন তেন্তে খেতি ফচল আদিৰ ক্ষেত্ৰত আজি মানৱ জাতি কি কি অসুবিধাৰ সন্মুখীন হ'লহেঁতেন, সেই কথা কৃষি বিজ্ঞানীসকলে ভালদৰে উপলব্ধি কৰিব পাৰিব।' পৃথিৱীৰ কিয়দংশ সমতল সদৃশ হ'ল বুলিয়েই গোটেই পৃথিৱীখনক বিছনা সদৃশ বুলি কোৱাটো আল্লাহৰ বাবে সমীচীন হোৱা নাই। ১৪শ বছৰ পূৰ্বে মানুহৰ চিন্তাশক্তি সীমিত আছিল বাবে পৃথিৱীৰ অধিকাংশ লোকে পৃথিৱীখনক সমতল বুলি ভবাটো একো অস্বাভাৱিক নাছিল। মানুহৰ যদি পাখি থাকিলহেঁতেন তেন্তে কে'বা হেজাৰ বছৰ পূৰ্বেই পৃথিৱী যে গোলাকাৰ তাক আৱিষ্কাৰ কৰিলেহেঁতেন। সমতল বিছনাত যিদৰে আৰামেৰে শুব পাৰে ঠিক তেনেদৰে পৃথিৱীৰ সমতল ভূমিত মানুহে খেতি- বাতি কৰি জীৱন নিৰ্বাহ কৰিব পাৰিছে।

আল্লাহৰ চিন্তাশক্তি অতি সংকীৰ্ণ বুলিয়েই ধাৰণা হৈছে, আল্লাই চন্দ্ৰটোক এটা পোহৰৰ ছোপ হিচাপে দেখা পালে, তাত থকা পাহাৰ-পৰ্বত, খাল, সমতলভূমি, আগ্নেয়গিৰি, উদ্‌গীৰণৰ ক্ষতচিহ্নসমূহ দেখা নাপালে, আল্লাই যদি ইয়ালৈ এবাৰ আহিলেহেঁতেন তেন্তে পৃথিৱীখনকো গোলাকাৰ বুলি ক'লেহেঁতেন। তেওঁ আৰু কৈছে, পৃথিৱীৰ বৃহৎ অংশ সমতল নহৈ ওখোৰা মোখোৰা শিলাখণ্ডৰে ভৰপূৰ হোৱাহেঁতেন, খেতি বাতিৰ ক্ষেত্ৰত ভীষণ অসুবিধা হ'লহেঁতেন, যিটো কৃষি বিজ্ঞানীয়ে উপলব্ধি কৰিব পাৰিব। পৃথিৱীখন যদি ওখোৰা-মোখোৰা শিলেৰে ভৰ-পূৰ হৈ থাকিলে, তাত জীৱৰ উৎপত্তি হ'লহেঁতেন নে নাই, সেয়াওতো এটা ডাঙৰ প্ৰশ্ন, গতিকে তেওঁৰ যুক্তিবোৰো অদ্ভুত যেন লাগিছে। তদুপৰি সমতল ভূমিৰ উপৰি মানুহে পাহাৰ-পৰ্বত নাইবা প্ৰতিকূল পৰিৱেশতো আজিকালি ঘৰ-দুৱাৰ, অট্টালিকা সাজিব পাৰিছে আৰু ফলমূল শস্য উৎপাদন কৰিছে আৰু এইখিনি কথা কোৰানতো উল্লেখ আছে যে পাহাৰ-পৰ্বততো মানুহৰ বাবে জীৱন নিৰ্বাহৰ উপকৰণ আছে, তেনে ক্ষেত্ৰত আহমদে আগবঢ়োৱা যুক্তিসমূহ আল্লাৰ বাণীৰ সমৰ্থনত অতি নিঃকিন। আল্লাই ঘূৰণীয়া বুলি উল্লেখ কৰিলেও মানুহৰ বাবে ফচল উৎপাদন,বসতি স্থাপন কৰাৰ ক্ষেত্ৰত কোনো অসুবিধাও সৃষ্টি নহ'লহেঁতেন।





# জংঘলে আৱৰিছে বৰলীয়া নৈৰ গৰমচুং অঞ্চলৰ মথাউৰি



**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ১২ মে’ ঃ** জলসম্পদ বিভাগে বাহাৰঘাটৰ মথাউৰিৰ দুৰ্বল অংশ মেৰামতি কৰা বা দুয়োকাষে গজি উঠা জংঘলসমূহ চাফ কৰা কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। বৰলীয়া নৈৰ পশ্চিম দিশৰ মথাউৰিৰ গৰমচুং অংশৰ অৱস্থা অতি পুতৌজনক। যে মথাউৰিটোৰ গৰমচুং সত্ৰৰ পৰা ভঁৰালটোলালৈ অংশটো দেখিলে হাবি নে মথাউৰি ধৰিব নোৱাৰি। বৰ্তমান মথাউৰিৰ ওপৰত জংঘল গজাৰ উপৰি বাহনিয়ে আৱৰি পেলাইছে সমগ্ৰ মথাউৰিটো। উল্লেখ্য যে বৰলীয়া নৈৰ উক্ত মথাউৰি অংশ পূৰ্বে জলসম্পদ বিভাগৰ নলবাৰী সংমণ্ডলৰ অধীনত আছিল যদিও বিগত কংগ্ৰেছ চৰকাৰৰ দিনত গৰমচুঙৰ পৰা দুসুঁতিৰ মুখলৈ মুঠ ছয় কিলোমিটাৰ মথাউৰি ব্ৰহ্মপুত্ৰ ব’ৰ্ডৰ অধীনলৈ স্থানান্তৰিত কৰে। সেই সময়ৰ পৰা উক্ত মথাউৰিৰ অৱস্থা বেয়াৰ ফালে গতি কৰে। কাৰণ মথাউৰি অংশৰ কোনো ধৰণৰ চোৱাচিতা বা মেৰামতি জলসম্পদ বিভাগে কৰিবলৈ বাদ দিয়ে। আনহাতে, ব্ৰহ্মপুত্ৰ ব’ৰ্ডৰো এইবোৰ চোৱাচিতা কৰিব পৰা অৱস্থা নাই। উল্লেখ্য যে ইতিমধ্যে ব্ৰহ্মপুত্ৰ ব’ৰ্ডৰ শ্মশানযাত্ৰা আৰম্ভ হৈছে। ফলত প্ৰতিষ্ঠানটোৰ অধীনত থকা মথাউৰিত বাঁহ-বেত গজি জয়াল হাবি সদৃশ হৈ পৰিছে। সেয়েহে ভুক্তভোগী ৰাইজ তথা একাংশ দল-সংগঠনৰ প্ৰতিনিধিয়ে অনতি পলমে মথাউৰি মেৰামতি আৰু জংঘলসমূহ চাফ কৰাৰ লগতে সকলো আসোঁৱাহ দূৰ কৰাৰ বাবে ব্ৰহ্মপুত্ৰ ব’ৰ্ড আৰু জলসম্পদ বিভাগৰ লগতে জনপ্ৰতিনিধিক দাবী জনাইছে।

# শোণিতপুৰত ১৪০টা বনকৰ্মীৰ পদ খালী

## বনজ সম্পদৰ চোৰাং বেহা ৰোধত ব্যৰ্থ

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**তেজপুৰ, ১২ মে’ঃ** ৰাজ্য চৰকাৰৰ ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ বিভাগ হিচাপে চিহ্নিত বন বিভাগত বহু সংখ্যক পদ ৰিক্ত হৈ আছে। উল্লেখ্য যে বনাঞ্চলৰ পৰা বাহিৰলৈ বিভিন্ন কাৰণত ওলাই অহা বন্যজন্তুৰ উপদ্ৰৱকে ধৰি বনজসম্পদৰ চোৰাং বেহা ৰোধৰ ক্ষেত্ৰত এনেদৰে বনবিভাগৰ পদসমূহ বছৰৰ পাছত বছৰ ধৰি ৰিক্ত হৈ থকাটোৱেই এক অন্যতম সমস্যা হৈ পৰিছে। কেৱল শোণিতপুৰতে তেজপুৰস্থিত বন প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ আৰু ঢেকিয়াজুলি, আমাৰিবাৰী, তেজপুৰ, চাৰিদুৱাৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় তাকৰীয়া বিষয়া কৰ্মচাৰীৰে চলি থকাৰ এক তথ্য পোহৰলৈ আহিছে। তথ্য অনুসৰি শোণিতপুৰ বন সংমণ্ডলৰ বন প্ৰাধিকাৰী আৰু ঢেকিয়াজুলি, তেজপুৰ আমাৰিবাৰী, চাৰিদুৱাৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত বনাঞ্চলিক বিষয়া, উপ-বনাঞ্চলিক বিষয়া, উপ-বন সংৰক্ষক, খণ্ড বন বিষয়া, বন কৰ্মী আৰু বনৰক্ষীসহ মুঠ ২৪৫ টা পদ আছে। তদুপৰি, ৰাজ্য চৰকাৰৰ নিৰ্দেশনা মতে একোখন জিলাত বন বিভাগৰ সকলো কাম কাজ সুচাৰুৰূপে চলোৱাৰ বাবে বিভাগীয়সকলো পদ সম্পূৰ্ণ হৈ থাকিব লাগে যদিও সেই অনুসৰি শোণিতপুৰত মুঠ পদৰ বিপৰীতে ১৪০ টা পদেই ৰিক্ত হৈ আছে। মাত্ৰ ১০০ জন বনবিষয়া আৰু কৰ্মীৰেই পৰিচালিত হৈ আছে জিলাখনত বন বিভাগ। উল্লেখ্য যে শোণিতপুৰত সহকাৰী বন সংৰক্ষকৰ চাৰি টা পদৰ বিপৰীতে তিনি টা, বনাঞ্চলিক বিষয়াৰ নটা পদৰ বিপৰীতে চাৰিটা, উপ-বনাঞ্চলিক বিষয়াৰ ছয়টা পদৰ বিপৰীতে দুটা, ফৰেষ্টাৰ এক শ্ৰেণীৰ ৩৭ টা পদৰ বিপৰীতে ১৫ টা, ফৰেষ্টাৰ দুই শ্ৰেণীৰ ১১৬ টা পদৰ বিপৰীতে আঠটা, মুখ্য সহায়কৰ এটা, গাণনিকৰ এটা, কনিষ্ঠ সহায়কৰ এটা আৰু বনৰক্ষীৰ ১০২ টা পদৰ বিপৰীতে ৬৪ টা, বন জৰীপকাৰীৰ এটা, গেম ৱাটছাৰ নটাৰ বিপৰীতে ছয়টা, মাহুতৰ এটা, বিভাগীয় চালকৰ চাৰিটা পদৰ বিপৰীতে চাৰিটা আৰু নটা চকীদাৰৰ পদকে ধৰি সৰ্বমুঠ ১৪০টা পদ খালী হৈ আছে। বৰ্তমান সময়ত ৭০ শতাংশত কৈয়ো কম সংখ্যাক বন বিষয়া আৰু কৰ্মচাৰীৰেই শোণিতপুৰৰ বন বিভাগ চলি আছে। এনে অৱস্থাত জিলাখনত বনসম্পৰ্কীয় যিকোনো বিষয় পৰিচালিত কৰাৰ ক্ষেত্ৰত যে যথেষ্ট সমস্যাৰ সন্মুখীন হ’বলগীয়া হয় সেয়া সহজেই অনুমেয়। তদুপৰি বৰ্তমান কৰ্মৰত বহুসংখ্যকৰে বয়স ৫০১ অধিক আৰু একাংশই মাত্ৰ কিছুদিনৰ পাছতে অৱসৰ লাভ কৰিব। এনে স্থলত বিভাগীয় মকৰল নোহোৱা ঘটনাই বিভাগটোক আৰু অধিক সমস্যাত পেলোৱাটো নিশ্চিত।

# শ্ৰীৰামপুৰত বিধ্বস্ত দলঙেৰে ৰাইজৰ যাতায়াত ঃ আহত দুই

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ১২ মে’ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমা তথা বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ অন্তৰ্গত এক নম্বৰ ভোমৰাবিল গাঁৱত কালি দুপৰীয়া দুই বজাত জৰাজীৰ্ণ কাঠৰ দলং এখন ভাঙি পৰে। হাৰাপুটাৰ পৰা এক নম্বৰ ভোমৰাবিল গাঁৱৰ স’তে সংযোগী পথত হাৰাপুটা নদীৰ ওপৰত থকা বহু পুৰণি তথা জৰাজীৰ্ণ কাঠৰ দলংখন হঠাতে ভাঙি পৰাত দলং পাৰ হ’বলৈ ধৰা দুই পথচাৰী গুৰুতৰভাৱে আহত হয়। উল্লেখ্য যে প্ৰায় ৪০ বছৰ পুৰণি এক নম্বৰ ভোমৰাবিল গাঁৱৰ এইখন কাঠৰ দলং দীৰ্ঘদিনৰ পৰা জৰাজীৰ্ণ হৈ পৰিছে। বিগত কে’বা বছৰে গাঁওবাসীয়ে নিজৰ গাঠিৰ ধন খৰচ কৰি দলংখন মেৰামত কৰি সংকটজনক অৱস্থাত এই পথেৰে যাতায়াত কৰি আছে। ৰাইজেও বহু আশা কৰি ইউপিপিএলৰ প্ৰাৰ্থী জিৰণ বসুমতাৰীক বিধায়ক হিচাপে নিৰ্বাচিত কৰে যদিও আজি লৈ দলং নিৰ্মাণৰ কাম আৰম্ভ নহ’ল। ফলত ইয়াৰ ৰাইজে মৰণক শৰণ দি এইখন জৰাজীৰ্ণ দলঙেৰে যাতায়াত কৰিবলৈ বাধ্য হয়। আমান আলী (৭২) গুৰুতৰভাৱে আহত হোৱাৰ লগতে মুজাফৰ আলী আহমেদ (৪৫) আংশিকভাৱে আহত হয়। ঘটনাৰ খবৰ পাই শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ সজল কুমাৰ সিংহ ঘটনাস্থলীত উপস্থিত হৈ দলংখন পুনৰ্নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

### বৰম্বে আঞ্চলিক হাইস্কুলৰ বঁটা বিতৰণী সভা সম্পন্ন

# প্ৰাচীৰ পত্ৰিকা ৰামধেনু উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**হাজো, ১২ মে’ ঃ** সংযমৰ কঠোৰ পৰিশ্ৰমৰ মাজেৰে বিদ্যা শিক্ষা কৰা সময়ছোৱাই হ’ল ছাত্ৰ জীৱন। এই সময়ছোৱা মানুহৰ গুৰুত্বপূৰ্ণ সময়। অধ্যয়নত একাগ্ৰচিত্তে মনোনিৱেশ কৰি উপযুক্তভাৱে গঢ়ি তোলাই ছাত্ৰসকলৰ তপস্যা। এই মন্তব্য বৰম্বে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ এছ এম চালেহুদ্দিনৰ। হাজোৰ বৰম্বে আঞ্চলিক হাইস্কুলৰ আজি অনুষ্ঠিত বাৰ্ষিক বঁটা বিতৰণী সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত তেওঁ এইদৰে কয়। শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষয়িত্ৰী ডামিলী দাসৰ পৌৰোহিত্যত অনুষ্ঠিত আৰু সহকাৰী শিক্ষক ছাহজাহান ইছলামে আঁত ধৰা সভাত নিৰ্দিষ্ট বক্তা এছ এম ছালেহুদ্দিনে ভাষণ প্ৰসংগত পুনৰ কয়, ‘প্ৰতিগৰাকী সুস্থ মানসিকতাৰ অধিকাৰী ব্যক্তিৰে জীৱনত একোটা সুনিৰ্দিষ্ট লক্ষ্য থাকে। লক্ষ্যহীন জীৱন হৈছে ব’ঠা নথকা নাৱৰ নিচিনা। লক্ষ্যত উপনীত হ’বলৈ মানুহে যৎপৰোনাস্তি চেষ্টা কৰে, উপনীত হ’ব পাৰিলেই জীৱন সাৰ্থক হয়। তথা কবি বাবুল দাস, চি আৰ চি চি অৰবিন্দ কলিতা, সহকাৰী প্ৰধান শিক্ষক নাজিমুদ্দিন আহমেদৰ উপস্থিতিত অনুষ্ঠিত ভিন্ন ক্ষেত্ৰৰ প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্ত শিক্ষাৰ্থীসকলৰ মাজত বঁটা বিতৰণ কৰে। এই বঁটা বিতৰণ কাৰ্যসূচীৰ আঁত ধৰে সহকাৰী শিক্ষকত্ৰয় ক্ৰমে ৰমণী কলিতা, গিয়াছউদ্দিন আলী তালুকদাৰ আৰু ছয়ফুল হকে। ইয়াৰ পাছতে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। ইপিনে, বাৰ্ষিক বঁটা বিতৰণী সভা উপলক্ষে পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে প্ৰধান শিক্ষয়িত্ৰী ডালিমী দাসে। ইয়াৰ পাছতে শিক্ষানুষ্ঠানখনৰ প্ৰাচীৰ পত্ৰিকা ‘ৰামধেনু’ উন্মোচন কৰে সহকাৰী প্ৰধান শিক্ষক নাজিমুদ্দিন আহমেদে। ইয়াৰ পাছতে শিক্ষানুষ্ঠান চৌহদৰ পৰা উলিয়ায় এক সাংস্কৃতিক শোভাযাত্ৰা।



# বিদ্যালয়ৰ পকী দেৱাল নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ

**কলগাছিয়া, ১২ মে’ ঃ** বৰপেটা জিলাৰ ৰূপহী প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ৫৮৩ নম্বৰ দেউকুৰা প্ৰাথমিক বিদ্যালয়ৰ পকী দেৱাল নিৰ্মাণত ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উঠিছে। বলাইপথাৰ গাঁও পঞ্চায়তে এনৰেগা আঁচনিৰ জৰিয়তে ধাৰ্য কৰা পাঁচলাখ ৬৮ টকাৰ নামমাত্ৰ কাম কৰি সিংহভাগ টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। পকী দেৱাল নিৰ্মাণত অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ অভিযোগ তুলিছে বিদ্যালয়খনৰ প্ৰধান শিক্ষকে। ইপিনে, কামৰ লগত জড়িত আঞ্চলিক সদস্য ছালিমা শিকদাৰে জনোৱা মতে, বিভাগীয় কৰ্তৃপক্ষই দিয়া ধনেৰে সম্পূৰ্ণ কাম কৰা হৈছে। এই ক্ষেত্ৰত তদন্ত কৰিলেহে ওলাই পৰিব কোন সঁচা কোন মিছা। ৰাইজে কামটোৰ উচিত তদন্ত সাপেক্ষে বিহিত ব্যৱস্থা গ্ৰহণৰ লগতে বাকী কৰি দিবলৈ বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনাইছে।

No.CE/TB-VII/144/2022/1

PRESS NOTICE

The Chief Engineer, P.W.D (Building), Assam on behalf of the Governor of Assam invites bids from eligible Contractors having experience in similar nature of works for the following work.

Details of bid may be seen at e-procurement portal website i.e. www.assamtenders.gov.in

The bidders must be enrolled in www.assamtenders.gov.in

| Sl. No. | Name of Work | Approx Value of Work | Completion Period | Bid Security (2 % General, and 1% for Reserved category) | Cost of RFP Document |
|---|---|---|---|---|---|
| 1 | Circuit House at Biswanath District, Assam | Rs. 10,19,26,564.00 | 18 (Eighteen) Months | Rs. 20,38,532.00 (for General) Or Rs. 10,19,266.00 (for reserved category) | Rs. 20,000.00 |

N.B.:- Value of work may vary according to the detail NIT.
The Press Notice will form a part of the Bidding Document.
The work will be allotted only after receipt of the Govt. approval

Janasanyog/C/2363/22

Chief Engineer, P.W.D. (Bldg)
Assam, Chandmari, Guwahati-3.

# নতুন শিক্ষানীতিৰ বিৰুদ্ধে তেজপুৰত স্বাক্ষৰ সংগ্ৰহ

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**তেজপুৰ, ১২ মে’ ঃ** জাতীয় শিক্ষানীতি ২০২০ বাতিলৰ দাবীত সমগ্ৰ দেশজুৰি ছাত্ৰ সংগঠন অল ইণ্ডিয়া ডি এছ অ’ই গঢ়ি তোলা শিক্ষা বচোৱা আন্দোলনৰ অংশ হিচাপে সৰ্বভাৰতীয় কমিটীৰ আহ্বানত পহিলা মে’ৰ পৰা ২৮ ছেপ্টেম্বৰলৈকে ১৫০ দিনৰ সমগ্ৰ দেশৰ পৰা এক কোটি ৰাইজৰ স্বাক্ষৰ সংগ্ৰহ কাৰ্যসূচীৰ আজি তেজপুৰতো আৰম্ভ কৰা হয়। অল ইণ্ডিয়া ডি এছ অ’ৰ শোণিতপুৰ জিলা কমিটীৰ উদ্যোগত আজি তেজপুৰৰ দৰং মহাবিদ্যালয়ৰ সন্মুখত অনুষ্ঠিত কাৰ্যসূচীত শিক্ষক নিৰ্মাণ চলিহাই প্ৰথমটো স্বাক্ষৰ কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে।

# হাজৰিকাপাৰাত মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ১২ মে’ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা শাখাৰ অন্তৰ্গত হাজৰিকাপাৰা প্ৰাথমিক শাখাৰ উদ্যোগত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ ৫৩৪ সংখ্যক গুৰু আৱিৰ্ভাৱ মহোৎসৱ অহা ১৭ মে’ত হাজৰিকাপাৰা প্ৰাথমিক শাখাৰ নামঘৰত উদ্‌যাপন কৰা হয়। প্ৰাথমিকৰ সম্পাদক পৱন কলিতাই সদৰী কৰা মতে, সেইদিনা পুৱা চাৰি বজাত হৰেশ্বৰ শইকীয়া আৰু বসন্ত কলিতাৰ দ্বাৰা প্ৰভাত ফেৰী, মানসজ্যোতি বৰুৱাৰ পৰিচালনাত পৰিৱেশ নিকাকৰণ, লয়ন কলিতাৰ দ্বাৰা প্ৰাতঃপ্ৰসংগ, প্ৰাথমিকৰ সভাপতি বিপিন কলিতাৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলনৰ পাছতে ক্ৰমে দীপক কুমাৰ বৰুৱা, ভাস্কৰ কলিতা, নৱ চহৰীয়াৰ পৰিচালনাত ভাগৱত শোভাযাত্ৰা, নৰেন্দ্ৰ চহৰীয়াৰ দ্বাৰা শৰাই নিবেদন, দিলীপ কলিতাৰ দ্বাৰা সামূহিক নাম-প্ৰসংগ কৰা হ’ব। ইয়াৰ পাছতে দুপৰীয়া বিপিন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হ’ব এখন সম্বৰ্ধনা সভা। কৰুণা চহৰীয়াই উদ্বোধন কৰিবলগীয়া সভাখন পৰিচালনা কৰিব সেৱা বাহিনীৰ অধিনায়ক মানসজ্যোতি বৰুৱাই। আবেলি পিংকুমণি চহৰীয়াৰ পৰিচালনাত দিহানাম পৰিৱেশন, সন্ধিয়া সীতাৰাম চহৰীয়া আৰু জয়ৰাম চহৰীয়াৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু নিশা হৰেশ্বৰ শইকীয়া, যতীন্দ্ৰ চহৰীয়া আৰু প্ৰসন্ন চহৰীয়াৰ পৰিচালনাত নাম-কীৰ্তনেৰে কাৰ্যসূচীৰ সামৰণি পৰিব।

# মদাহি জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ নিৰ্বাচিত ধনেশ্বৰ মদাহি

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ১২ মে’ ঃ** বাগ্‌সা জিলাৰ থমনাত অনুষ্ঠিত মদাহি জনজাতি উন্নয়ন পৰিষদৰ এখন জৰুৰী সভাত গৃহীত প্ৰস্তাৱযোগে আজি মদাহি জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ হিচাপে বৰ্তমানৰ উপাধ্যক্ষ ধনেশ্বৰ মদাহিক দায়িত্ব অৰ্পণ কৰা হয়। উল্লেখ্য যে মদাহি জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ মুকুন্দ মদাহিৰ অকাল মৃত্যুত পৰিষদৰ অধ্যক্ষৰ আসনখন খালী হৈছিল। মদাহি জনজাতি উন্নয়ন পৰিষদৰ উপাধ্যক্ষ ধনেশ্বৰ মদাহিৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মুকুন্দ মদাহিৰ অকাল বিয়োগত শোক প্ৰকাশ কৰে। উক্ত সভাত সদৌ অসম মদাহি জনজাতি সন্মিলনৰ সভাপতি হৰিদাস মদাহি, সদৌ অসম মদাহি জনজাতি ছাত্ৰ সন্থাৰ সভাপতি বিজয় মদাহি প্ৰমুখ্যে নেতৃবৃন্দ পৰ্যবেক্ষকৰূপে উপস্থিত থাকে।

### মঙলদৈ মহাবিদ্যালয় সপ্তাহৰ মুকলি সভা সম্পন্ন

# ক’ভিডৰ সময়ত ৫০ হেজাৰ স্নাতক উত্তীৰ্ণ হৈছে ঃ উপাচাৰ্য সন্দিকৈ

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ১২ মে’ ঃ** স্মাৰ্টফোন ব্যৱহাৰৰ ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকল বিৰাট স্মাৰ্ট, কিন্তু একাডেমীৰ ক্ষেত্ৰত স্মাৰ্টফোন ব্যৱহাৰত তেওঁলোক ব্যৰ্থ। এইদৰে কয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰতাপজ্যোতি সন্দিকৈয়ে। কালি দৰং জিলাৰ মঙলদৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি উপাচাৰ্যজনে কয় আজি কালি আমাৰ দেশৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ ওপৰত মুল্যায়ন হয়। সেই অনুসৰি সমগ্ৰ দেশত আছে ৯৮০ চৰকাৰী বিশ্ববিদ্যালয় আৰু এজেহাৰৰো অধিক বেচৰকাৰী বিশ্ববিদ্যালয়। ইয়াৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয় ৪৫ সংখ্যক স্থানত আছে। সেইফালৰ পৰা আমাৰ শৈক্ষিক পৰিৱেশ ঠিকেই আছে যদিও বহুতে আমাক সমালোচনা কৰে। কিন্তু আত্মসমালোচনা কৰা আৰু নিজৰখিনিক বেয়া বুলি কোৱাৰ প্ৰাৰ্থক্য আছে বুলিও তেও কয়। কিন্তু আমাৰ ইয়াতে নিজকে বেয়া বুলি কোৱা প্ৰৱণতা আছে। ক’ভিডৰ সময়ত কিছু বেমেজালি হোৱাটো স্বাভাৱিক যদিও আমাৰ পৰীক্ষা নিয়ন্ত্ৰণ আৰু উন্নয়নৰ দিশ চিন্তা কৰি আছো বুলিও কয়। তেওঁ পুনৰ কয় যে গুৱাহাটী বিশ্ববিদ্যালয়ক বিশ্বৰ অন্যতম বিশ্ববিদ্যালয়ৰূপে প্ৰতিষ্ঠা কৰিবলৈ আমি আগবাঢ়িছো। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই আদৰণি ভাষণ আগবঢ়োৱা সভাখনত উপাচাৰ্যজনে কয় যে অনলাইন পৰীক্ষাত কিছু বেমজালি থাকিলেও ক’ভিডৰ সময়ত ৫০ হেজাৰ গৰাকী স্নাতক, পাঁচহেজাৰ আৰু তিনিহেজাৰ গৰাকী পি এইছডিত উত্তীৰ্ণ হৈছে। তেওঁ ছাত্ৰ-ছাত্ৰীক উদেশ্যি কয় যে পৃথিৱীখন মুকলি, আমাৰ ছাত্ৰ-ছাত্ৰীয়ে নিজে পথ লৈ আগবাঢ়িব লাগিব। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰমণীকান্ত চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত ছাত্ৰ-ছাত্ৰীসকলক বিশ্বজয় কৰিব পৰাকৈ পঢ়িবলৈ আহ্বান জনায়। বিগত দুবছৰত ক’ভিডৰ সময়ত শিক্ষা ব্যৱস্থাৰ বহু ক্ষতিসাধন হোৱা বুলি কয়।

No. MC/98/2019/167

**Notice Inviting Expression of Interest (EOI)**

Gauhati Medical College, Narakasur Hill top, Bhangagarh, Guwahati-32 invites Expression of Interest from registered CA firms for 1). Engagement of AG empanelled CA Firms for GST. TDS Consultancy and Return Filing for the year 2022-23, 2) Engagement of CAG Empanelled CA Firm for various project and programme audits and for providing G.S.T, TDS consultancy and return filing audit on the Accounts for the year 2022-23 and 3) Concurrent audit of Geriatric. Student welfare fund, Auditorium and short term training of the **Gauhati Medical College, Narakasur Hill top, Bhangagarh, Guwahati-32**

Interested bidders can submit the EOI in sealed cover to the Office of the **Gauhati Medical College, Narakasur Hill top, Bhangagarh, Guwahati-32.** The details can be downloaded from the website http://gmchassam.gov.in under Tender Section.

**Important Dates**

1. Date from which the tender documents will be availabe in the Website: 13.05.2022
2. Last Date of Submission of EOI: 30.05.2022 upto 2.00PM.
3. Date and time of Opening of EOI: 30.05.2022 at 2.30 PM.
4. Place of opening of Bids :**Office of the Principal, Gauhati Medical College, Narakasur Hill top, Bhangagarh, Guwahati-32.**

**Brief Schedule**

| Description of the Work | Period |
|---|---|
| 1. Engagement of AG empanelled CA Firm for GST, TDS Consultancy and return Filing.<br>2. Engagement of CAG Empanelled CA Firm for various project and programme audits where necessary and for providing G.S.T. TDS consultancy and return filing, Submission of UC thereon.<br>3. Consultancy audit of Geriatric, Student welfare fund, Auditorium and shrot term trainging and submission UC etc. | 2022-23 |

Sd/-
Principal
Gauhati Medical College
Guwahati-32

### ফুটুকাৰ ফেনত পৰিণত ফণীধৰ তালুকদাৰ-বিনোদ মুছাহাৰীৰ প্ৰতিশ্ৰুতি

# বাগ্‌সাত চৰকাৰী অৱহেলাত বিধ্বস্ত বজাৰ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১২ মে’ ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত তথা ৪১ নম্বৰ ভৱানীপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত আনন্দ বজাৰ এখন বৃহৎ পুৰণি বজাৰ। এই বজাৰখন গঢ়ি উঠিছিল মূলতঃ ইয়াৰ দাঁতিকাষৰীয়া গাঁও হাটখোলা, পাটলা, ডুমৰুগুৰি, আম্ৰাট্টাৰী, ৰৌমাৰী, কলবাৰী, গাতি, মছলাবাৰী, খয়ৰবাৰী, আওহাটা, সোণপেৰাবড়ী, কুৰিবিল, লচিমাটাৰী, বৰটাৰী, সাউদৰভিঠা, কয়মাৰী, কচুগাঁও, ভকুৱামাৰী, মটঙাকে ধৰি ভিন্ন গাঁৱত প্ৰচুৰ পৰিমাণে কৃষিজাত সামগ্ৰী উৎপাদন হোৱাৰ বাবে। নেমু উৎপাদনত বিখ্যাত আনন্দ বজাৰলৈ বিভিন্ন প্ৰান্তৰ পৰা ক্ৰেতা-বিক্ৰেতাৰ সোঁত বয়। বজাৰখনৰ নামেৰে ঠাইখনো আনন্দ বজাৰ হিচাপে এটা সুকীয়া পৰিচিতি আছে। এই বজাৰখনক কেন্দ্ৰ কৰিয়ে অঞ্চলটোত গঢ়ি উঠিছে কে’বাটাও অনুষ্ঠান-প্ৰতিষ্ঠান। ৮০ দশকৰ শেষ ভাগলৈকে বজাৰখন ইমানে ব্যস্ত বজাৰ আছিল যে ব্যৱসায়ীয়ে বয়-বস্তু কঢ়িওৱা বাহন দুপৰ নিশালৈকে চলিছিল। পুৱা নৌহওঁতেই বজাৰখন ভৰি পৰিছিল গৰুগাড়ী, ম’হৰ গাড়ী, ঠেলা, চাইকেলৰ লগতে দূৰ-দূৰণিৰ পৰা মাজনিশাৰ পৰাই খোজ কাঢ়ি অহা ক্ৰেতা-বিক্ৰেতা, ব্যৱসায়ী হেজাৰ হেজাৰ। পূৰ্বৰ গৰুগাড়ী, ম’হৰ গাড়ীৰ শব্দ আজি আনন্দ বজাৰত নষ্টালজিয়া। এইফালে ৰাজহ সংগ্ৰহত এই বজাৰখনে অসমৰ ভিতৰত দ্বিতীয় স্থান দখল কৰিছিল। এই বজাৰখনৰ পৰা ট্ৰাকে ট্ৰাকে কেঁচাকল, নেমু আৰু বিভিন্ন শাক-পাচলি গুৱাহাটী, দৰং, মঙলদৈ, খাৰুপেটীয়াকে ধৰি বিভিন্ন প্ৰান্তলৈ প্ৰেৰণ কৰা হৈছিল। এই বজাৰখনক কেন্দ্ৰ কৰিয়ে আনন্দ বজাৰৰ পৰা গুৱাহাটী, কোকৰাঝাৰ, বৰপেটাৰোড, বৰপেটা আদিলৈ ভালেকেইখন বাছও চলাচল কৰিছিল। তাৰে কিছু সংখ্যক ঠাইলৈ বৰ্তমানো অব্যাহত আছে বাছৰ সেৱা। কিন্তু বড়ো আন্দোলনৰ সময়ত সৃষ্টি হোৱা অশান্ত পৰিৱেশৰ পৰিপ্ৰেক্ষিতত বজাৰখনৰ ব্যস্ততা হ্ৰাস পাইছিল যদিও এতিয়াও বিভিন্ন প্ৰান্তৰ ক্ৰেতা-বিক্ৰেতাৰ ভিৰ পৰিলক্ষিত হয়। সপ্তাহৰ প্ৰতি মঙলবাৰ আৰু শুকুৰবাৰে হাট বহা বজাৰখনত পূৰ্বৰ নিয়ম অদ্যাপি প্ৰচলিত আছে। আজিও প্ৰতি মঙলবাৰ আৰু শুকুৰবাৰে হাট বহে আনন্দ বজাৰত। পৰিতাপৰ বিষয় যে পুৰণি এই বৃহৎ বজাৰখনৰ উন্নয়নৰ ক্ষেত্ৰত কোনো কৰ্তৃপক্ষই আজিলৈকে কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ তুলিছে স্থানীয় লোকে। শেহতীয়াভাৱে বজাৰখন ইমানে কদৰ্যময় হৈ পৰিছে যে এজাক বৰষুণ বোকাময় হৈ পৰে বজাৰখনৰ সৰ্বদিশ। বজাৰখনৰ ভালেমান ঠাইত পানী জমা হোৱাৰ বাবে বজাৰখন সংকুচিত হৈছে। এজাক বৰষুণ পৰিলেই এতিয়া মাছৰ বজাৰ, মাংসৰ বজাৰ, শাক-পাচলিৰ বজাৰকে ধৰি ক’তোৱেই যেন প্ৰৱেশ কৰিব নোৱাৰি। বজাৰখনৰ উন্নয়নত স্থানীয় জনপ্ৰতিনিধিৰো গুৰুত্ব নাই বুলি ৰাইজে অভিযোগ কৰিছে। কেতিয়াবা বজাৰখনৰ উন্নয়নৰ নামত চৰকাৰী ধন আহে যদিও সেয়া লোকৰ বাবে ঘৰ-মাটি কৰাৰ ক্ষেত্ৰতহে প্ৰয়োগ হোৱাৰ উদাহৰণ বহুদিনীয়া। উল্লেখ্য যে বিগত উপ-নিৰ্বাচনৰ সময়ত বিজেপিৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ লগতে বিটিএডিৰ বিগত পৰিষদীয় নিৰ্বাচনত ইউপিপিএলৰ প্ৰাৰ্থী বিনোদ মুছাহাৰীয়ে বজাৰখনৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় পদক্ষেপৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও শালবাৰীৰ গাতিত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত আনন্দ বজাৰত এটা শীত-তাপ নিয়ন্ত্ৰিত ঘৰ নিৰ্মাণ কৰা হ’ব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু এতিয়া সকলো ফুটুকাৰ ফেনত পৰিণত হৈছে। স্থানীয় ৰাইজ এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জনপ্ৰতিনিধিক দাবী জনাইছে।



No. MC/76/2019/352

**NOTICE INVITING TENDER (NIT)**

Sealed tenders affixing court fee stamp of Rs. 8.25/- (Rupees eight and paisa twenty five) only are invited from intending experienced Tenderer/ Contractors/firms for **Suppy of various Office Stationary articles to** the Gauhati Medical College, Narakasur Hill top, Bhangagarh, Guwahati-32 for the **FY 2022-23.**

Improtant dates of the tender:
1. Bid documents are available in the website on: 13.05.2022
2. Pre bid meeting will be held on : 20.05.2022 at 2.30 pm
3. Last date of submission of bid documents on : 04.06.2022 up to 2.00PM
4. Date of Technical bid opening : 04.06.2022 at 2.30 PM
5. Place of Pre bid meeting, submission and opening of Bids: **Office of the Principal, Gauhati Medical College, Narakasur Hill top, Guwahati**

All other relevant information and the detailed bid documents are available on website http://gmchassam.gov.in and can be viewed from 13.05.2022 Bidder may also download the bid documents from the dedicated website or may be collected from the office of the undersigned at Narakasur Hilltop, Bhangagarh. Guwahati-32 during the office hours up to 2:00 p.m. till 04.06.2022 and submit the bid accompanied by a Demand Draft of Rs. 1000/- only (Non refundable) in favour of Principal, Gauhati Medical College, Guwahati-32 on 04.06.2022 up to 2.00pm payable at Guwahati.

The undersigned reserves the right to reject all or any tender withour assigning any reason and is also not bound to accept the lowest rate.

Janasanyog/C/2335/22

Sd/-
Principal
Gauhati Medical College
Guwahati-32

# গুণোৎসৱৰ বিপৰীতে ধিঙৰ বিদ্যালয়ত বিপৰীত ছবি

## ■ যিকোনো মুহূৰ্ততে লুইতৰ বুকুত জাহ যাব মোৱামাৰী মোক্তাব বিদ্যালয়

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ মে’ ঃ** ৰাজ্যৰ শিক্ষা বিভাগে প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়সমূহত গুণোৎসৱক লৈ ব্যস্ত হোৱাৰ সময়তে কালি নগাঁও জিলাৰ বটদ্ৰৱাৰ খহনীয়াৰ কৱলত পৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-অভিভাৱকে নেদেখাজনৰ ওচৰত সমূহীয়া দোৱা-প্ৰাৰ্থনাৰে উচুপি উঠাৰ ঘটনাই বহুতৰে হৃদয় স্পৰ্শ কৰে। উল্লেখ্য যে বটদ্ৰৱা প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ধিঙৰ বৰবিল মোৱামাৰী মোক্তাব বিদ্যালয়খন লুইতৰ ভয়ংকৰ খহনীয়াৰ কৱলত পৰিছে। যিকোনো মুহূৰ্ততে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ উপক্ৰম হোৱা প্ৰাথমিক বিদ্যালয়খনৰ মাত্ৰ কেইফুটমান দূৰত খহনীয়াৰ তাণ্ডৱ অব্যাহত আছে। যাৰ বাবে দিশহাৰা হৈ ছাত্ৰ-ছাত্ৰীয়ে খহনীয়াৰ পৰা পৰিত্ৰাণ বিচাৰি শিক্ষক-অভিভাৱকৰ সহযোগত বিদ্যালয়খন ৰক্ষাৰ বাবে সমূহীয়া দোৱা মাগে। উল্লেখ্য যে ব্ৰহ্মপুত্ৰৰ খহনীয়াত অঞ্চলটোৰ মোৱামাৰী আৰু গতি কৰা গাঁও দুখনৰ বহুকেইটা পৰিয়াল গৃহহীন হৈছে। কিন্তু এতিয়াও নগাঁও জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগে নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰি আহিছে বুলি অভিযোগ উঠিছে। আনকি স্থানীয় বিধায়ক আমিনুল ইছলাম আৰু সাংসদ গৌৰৱ গগৈৰ এইসকল ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কোনো দায়িত্ব নাই বুলি ক্ষোভ উজাৰিছে ভুক্তভোগীসকলে। বৰ্তমান বিধ্বংসী খহনীয়া অব্যাহত থকাৰ পাছতো কোনো এজন জনপ্ৰতিনিধিয়ে ৰাইজৰ লগতে বিদ্যালয়ৰ দুৰ্দশাৰ খবৰ ল’বলৈ আহৰি নাই। ভুক্তভোগী শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক খহনীয়া ৰোধৰ বাবে দাবী জনাইছে।



# চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী-ৰান্ধনীক সম্বৰ্ধনা প্ৰজ্ঞা সাৰথিৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১২ মে’ ঃ** মৰিয়নিৰ সমীপৰ নাগাজাংকা অঞ্চলৰ উচ্চ শিক্ষাৰ অন্যতম অনুষ্ঠান বংশীগোপাল উচ্চ মাধ্যমিক বিদ্যালয়তসাৰথিৰ উদ্যোগত যোৱা ১০ মে’ত এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰজ্ঞা সাৰথিৰ উদ্যোগত আৰু বংশীগোপাল উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনৰ সভা কক্ষত চাৰিগৰাকী ৰান্ধনী আৰু এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ লগতে তিনিজন শিক্ষকক সম্বৰ্ধনা জনোৱা হয়। এই উদ্দেশ্যে প্ৰজ্ঞা সাৰথিৰ সভাপতি নগেন গগৈয়ে অনুষ্ঠানটিৰ আঁত ধৰি কয় যে সমাজত এনে কিছু শিক্ষিত ব্যক্তি বা চাকৰিয়াল আছে যিসকল শিক্ষিত হোৱাৰ পাছতো অন্যায়, অনীতি আৰু দুৰ্নীতি কৰি আহিছে, অথচ যাক আমি গুৰুত্ব দি আহিছো। তাৰ আছে যি উচ্চ শিক্ষিত নহয় অথচ বহু জ্ঞানী হোৱাৰ বাবে কোনো দিনে অন্যায়-অনীতি অথবা দুৰ্নীতি কৰা নাই। উল্লেখ্য যে বংশীগোপাল উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৰান্ধনী ক্ৰমে ৰেখা লাহন, লাৱণ্য চুতীয়া, প্ৰতিমা চুতীয়া, দিপালী কোচ তামুলীয়ে অতি কম মজুৰিৰে পুৱা ন বজাৰ পৰা আবেলি তিনি বজালৈ চাৰি-পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীক নিজৰ লৰা-ছোৱালীৰ দৰে আল-পৈছান ধৰি আহিছে। একে দৰে চতুৰ্থবৰ্গৰ কৰ্মচাৰী হেমন্ত মিলিয়েও সকলোতকৈ আগত আহি সকলোতকৈ শেষত গৈ নিষ্ঠা সহকাৰে সেৱা আগবঢ়াই আহিছে। প্ৰজ্ঞাসাৰথিৰ সভাপতি নগেন গগৈ আৰু সদস্যা ৰশ্মিৰেখা বৈৰাগী চুতীয়াই গামোচা, সম্বৰ্ধনা পত্ৰ, কেলেণ্ডাৰ আদিৰে আটাইকে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত বংশীগোপাল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অসীম গগৈ, জংঘলব্লক হাইস্কুলৰ প্ৰধান শিক্ষক ধৰ্মেশ্বৰ বৰুৱা, কাটনি মণ্ডলৰ মণ্ডল সমন্বয়ক অনুপ গগৈ আদিকো গামোচা, সম্বৰ্ধনা পত্ৰ আদিৰে সম্বৰ্ধনা জনায়।

# টি কোম্পানীত কৰ্মৰত শ্ৰমিকৰ বিভিন্ন সমস্যাৰ সমাধান বিচাৰি স্মাৰকপত্ৰ প্ৰদান

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১২ মে’ ঃ** কৰ্মচাৰীসকলে প্ৰাপ্য মজুৰি তথা বিভিন্ন সমস্যা সমাধানৰ দাবীত ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত এম্পেয়াৰ টি কোম্পানীৰ অন্তৰ্গত চাৰিখন চাহ বাগিচাত কৰ্মৰতসকলে এঘন্টীয়া প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। পাছত বাগিচাৰ পৰিচালকসকলৰ জৰিয়তে এম্পেয়াৰ টি কোম্পানীৰ চেয়াৰমেন কৰন পালক স্মাৰক পত্ৰ প্ৰেৰণ কৰে।



এম্পেয়াৰ কোম্পানীৰ অধীনত থকা শোণিতপুৰ জিলা ধুলাপাদুং, চেঁচা, ঘইৰালি, বৰজুলি চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলে আজি পুৱা সাত বজাৰ পৰা এঘন্টীয়া প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। তদুপৰি শ্ৰমিকসকলে তেওঁলোকৰ ভৱিষ্যনিধিৰ জমা ধন শীঘ্ৰে আদায় দিয়াৰ ব্যৱস্থা কৰা, বকেয়া বছৰেকীয়া বানচৰ বাকী অংশ আদায় দিয়াৰ ব্যৱস্থা কৰা আদি কৰি অন্যান্য প্ৰাপ্যসমূহ শীঘ্ৰেই মুকলি কৰি দিয়াৰ দাবী জনাই পৰিৱেশ উত্তাল কৰে। উল্লেখ্য যে সমগ্ৰ ৰাজ্যখনত এম্পেয়াৰ কোম্পানীৰ ১৭খন চাহ বাগিচা আছে আৰু কোম্পানীটোৰ অন্তৰ্গত চাহ বাগিচাসমূহত কে’বা হেজাৰ শ্ৰমিক কৰ্মচাৰী জড়িত হৈ আছে। উক্ত কোম্পানীটোৰ আৰ্থিক অৱস্থা শোচনীয়া, হোৱাৰ দোহাই দি মালিক পক্ষই দীৰ্ঘদিন ধৰি ইয়াৰ শ্ৰমিক কৰ্মচাৰীসকলক তেওঁলোকৰ ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত অসম চাহ মজদুৰ সংঘ তেজপুৰ শাখাৰ ভাৰপ্ৰাপ্ত সম্পাদক সুনীল টুটী, সংঘৰ গাণণিক গজেন শইকীয়া, সংঘৰ তেজপুৰ শাখাৰ সংগঠক অনিল কন্দ, সংঘৰ কাৰ্যালয় সম্পাদক অমিয় বৰঠাকুৰে অংশগ্ৰহণ কৰে। অহা ১৯ মে’ত প্ৰতিখন জিলাৰ সহকাৰী শ্ৰম আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত এঘন্টা ধৰ্না কাৰ্যসূচী, ৩১ মে’ত গুৱাহাটীত শ্ৰম আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত এঘন্টীয়া ধৰ্ণা কাৰ্যসূচী আৰু আঠ মে’ত এম্পেয়াৰ টি কোম্পানীৰ অধীনস্থসমূহ বাগিচাত ১২ ঘন্টীয়া বাগিচা বন্ধ কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি সকীয়াই দিছে।

## ■ মুছলপুৰৰ সমাজ কল্যাণ বিভাগৰ কৰ্মশালাত দাস

# বিটিআৰত কোনোপধ্যে চৰকাৰ পৰিৱৰ্তন নহয়

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১২ মে’ ঃ** ‘বিটিআৰত কোনোপধ্যে চৰকাৰ পৰিৱৰ্তন নহয়। টিআৰপি বড়োৱাৰ বাবে একাংশ সংবাদ মাধ্যমৰ এইবোৰ মনেসজা অপপ্ৰচাৰ।’ কালি বাগ্‌সা জিলাৰ মুছলপুৰ জিলা কেন্দ্ৰত জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত অনুষ্ঠিত শিশুৰ স্বাস্থ্য সম্পৰ্কীয় কৰ্মশালাত উপস্থিত থাকি বিটিআৰৰ সমাজ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য গৌতম দাসে এইদৰে মন্তব্য কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিটিআৰৰ বিজেপি পৰিষদসকলক অনাগত সময়ত ইউপিপিএলৰ লগতে মিত্ৰজোঁটৰ চৰকাৰত থাকিব বুলি স্পষ্ট কৰি দিয়া বুলি সদৰী কৰি কোনো কাৰণতে বিটিআৰত চৰকাৰৰ পৰিৱৰ্তন নহয় বুলি কাৰ্যবাহী সদস্যজনে দৃঢ় মত পোষণ কৰে। কাৰ্যবাহী সদস্যজনে বৰ্তমানৰ দৰে ভৱিষ্যতেও প্ৰমোদ বড়োৱে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য থাকিব বুলি উল্লেখ কৰে। আনহাতে, পুষ্টিহীনতাত ভোগা শিশু আৰু মাতৃসকলৰ ৰোগ নিৰাময় তথা প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত সমাজ কল্যাণ বিভাগৰ ছুপাৰভাইজৰসকল সজাগ আৰু পৰিপক্ক হ’ব লাগিব বুলি উল্লেখ কৰে। উল্লেখ্য যে বাগ্‌সা জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত জিলা ভিত্তিত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰ্মশালাত ছয় বছৰৰ তলৰ শিশুসকলৰ ওজন আৰু উচ্চতা কেনেদৰে নিৰ্ধাৰণ কৰিব লাগে আৰু পুষ্টিহীনতাত ভোগা শিশু আৰু মাতৃৰ ক্ষেত্ৰত কেনে ধৰণৰ এই বিষয়ে প্ৰায় দুশ গৰাকী ছুপাৰভাইজৰৰ প্ৰশিক্ষণ দিয়া হয়। কৰ্মশালাত কাৰ্যবাহী সদস্য গৌতম দাসৰ উপৰি বাগ্‌সা জিলা টিকাকৰণ বিষয়া ডাঃ হিতেশ কাকতি, জিলা সমাজ কল্যাণ বিষয়া শ্ৰীমন্ত প্ৰদীপ চৌধুৰীকে ধৰি বিভাগটোৰ কে’বাগৰাকী বিষয়া-কৰ্মচাৰীয়ে বক্তব্য প্ৰদান কৰে।

# চাবুৱা আঞ্চলিক মইনা পাৰিজাতৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ১২ মে’ ঃ** চাবুৱা আঞ্চলিক মইনা পাৰিজাতৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশন আৰু শিশু সমাৰোহ যোৱা সাত আৰু আঠ মে’ত মৰিছা গাঁৰৰ পোহৰ সন্ধানী মইনা পাৰিজাতৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। প্ৰথম দিনাৰ কাৰ্যসূচীত পাৰিজাতৰ পতাকা উত্তোলন কৰে ‘শিশুবন্ধু’ কুলেন দাসে, ছহিদ তৰ্পণ কৰে হাতীআলি উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক কেশৱ দাসে। প্ৰথম দিনটোত মইনাসকলৰ মুকলি বিহু আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ পাছতে অনুষ্ঠিত হয় আঞ্চলিকৰ অধিবেশন। অধিবেশনত কৰুণা গগৈক সভাপতি আৰু কিশোৰ গগৈক সম্পাদক হিচাপে লৈ পৰৱৰ্তী দুবছৰৰ বাবে আঞ্চলিকখনৰ নতুন সমিতিখন গঠন কৰা হয়। সন্ধিয়া মইনাসকলৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক বিচিত্ৰানুষ্ঠানৰ আৰম্ভ কৰে নৰেন দিহিঙীয়াই। অনুষ্ঠানৰ আঁত ধৰে ডায়েটৰ প্ৰৱক্তা মৃদুস্মিতা ফুকনে। আঠ মে’ত মইনাসকলৰ মাজত অনুষ্ঠিত পাৰ-পানী, সাধু কোৱা, বাতৰি পঢ়া, বনগীত, কুইজ আৰু অসম সংগীত (দলীয়) প্ৰতিযোগিতাৰ পাছতে আবেলিলৈ অনুষ্ঠিত হয় মুকলি সভা আৰু মইনা মেল। মইনা মেলত সভাপতিত্ব কৰে মইনা প্ৰিয়দৰ্শন দাসে। মইনা দৃষ্টিনা দিহিঙীয়াই নিৰ্দিষ্ট বক্তা হিচাপে থকা মেলত ডিব্ৰুগড়ৰ সুমন দাস আৰু তিনিচুকীয়াৰ অভিলাষ অনুভৱ নাথে অতিথি মইনা হিচাপে ভাষণ প্ৰদান কৰি সকলোকে মোহিত কৰে। তেওঁলোকৰ উপৰি সভাত অংশ লয় বনগীতৰ সাধক লুইত দাস, শিশুবন্ধু কুলেন দাস, প্ৰাক্তন শিক্ষক প্ৰদীপ চেতিয়া, সদৌ অসম মইনা পাৰিজাতৰ অমৃত ফুকন, প্ৰৱক্তা ড° দিগন্ত দত্ত, পুৰন্দৰ গোহাঁই আদি অনেক বিশিষ্ট ব্যক্তিয়ে। এই সভাতে চাবুৱা আঞ্চলিক মইনা পাৰিজাতে প্ৰথমবাৰৰ বাবে ‘শিশু সেৱা বঁটা’ প্ৰদান কৰে। প্ৰয়াত প্ৰধান শিক্ষক সজ্জন দাসৰ সোঁৱৰণত এই বঁটা এইবাৰ প্ৰদান কৰা হয় চাবুৱাৰ নৃত্য শিল্পী পৰিণীতা হাজৰিকা আৰু বিউটি লেখাৰু শইকীয়াক। দুদিনৰ কাৰ্যসূচীত শতাধিক মইনা আৰু অভিভাৱক উপস্থিত থাকে। সম্পাদক মহন দত্ত আৰু মনোজ দাসে আঁত ধৰা দুয়োদিনৰ কাৰ্যসূচীয়ে স্থানীয় ৰাইজক নতুনত্বৰ স্বাদ দিয়া পৰিলক্ষিত হয়।

# কাইলৈ বৰহোলাৰ কলাকুঞ্জত সমাৰোহ আয়োজন

**বিশেষ সংবাদদাতা**

**নগাবাট, ১২ মে’ ঃ** বৰহোলাৰ কলাকুঞ্জৰ উদ্যোগত অহা ১৪ মে’ত বৰ্ণাঢ্য কাৰ্যসূচীৰে সাংস্কৃতিক সমাৰোহ আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰিছে। মুখ্য উদ্যোক্তা গোবিন মহন্তই জনোৱা মতে, কলাকুঞ্জ ভৱনত অনুষ্ঠিত হ’ব লগা এই অনুষ্ঠানত কলাকুঞ্জৰ শিল্পী আৰু অতিথি শিল্পীৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিবেশন কৰিব। দিনৰ ১১ বজাৰ পৰা এখন স্মৃতিচাৰণ সভাৰ আয়োজন আয়োজকসকলে। প্ৰতিটো কাৰ্যসূচীত সকলো ৰাইজৰ উপস্থিতি কামনা কৰিছে আয়োজকসকলে।

# নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ দায়িত্বভাৰ গ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ১২ মে’ ঃ** বিহপুৰীয়াৰ দক্ষিণ প্ৰান্তৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱ নিযুক্ত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি, উপ-সভাপতিয়ে দায়িত্বভাৰ গ্ৰহণ কৰে। এই উদ্দেশ্যে যোৱা ১০ মে’ত বিদ্যালয়তবিদায়ী সভাপতি দিলীপ ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত শিক্ষা বিভাগৰ পৰা সভাপতিৰূপে নিযুক্তি দিয়া লোহিত ডিক্ৰুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিদ্যালয়খনৰে প্ৰাক্তন ছাত্ৰ তথা বিষয় শিক্ষক কৃষ্ণানন্দ বৰুৱাৰ লগতে উপ-সভাপতিৰূপে নিযুক্তি দিয়া বিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বদতি জামুগুৰি নাট্য সমাজৰ সম্পাদক জগত বৰাই দায়িত্ব ভাৰ গ্ৰহণ কৰে। বিদ্যালয়ৰ অধ্যক্ষ ধৰণী শৰ্মাই আঁত ধৰা সভাত বিদ্যালয়ৰ শিক্ষক গোটৰ লগতে অভিভাৱকসকলৰ মাজৰ পৰা আঠ সদস্য বাছনি কৰি পূৰ্ণাংগ পৰিচালনা সমিতিখন গঠন কৰা হয়।

# ঘগ্ৰাপাৰত দুৰ্ঘটনাত আহত যুৱক

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১২ মে’ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত জানোপাৰ (কোৱাচৰ চল চ’ক) দামোদৰ ধাম পথত কালি পুৱা ১১-৩০মান বজাত এখন ট্ৰেক্টৰ আৰু স্কুটীৰ মুখামুখি সংঘৰ্ষৰ ফলত স্কুটী আৰোহী যুৱক এজন গুৰুতৰভাৱে আহত হয়। লগে লগে ঘটনাস্থলীত ৰাইজ আৰু ঘগ্ৰাপাৰ আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনাত পতিত হোৱা যুৱকজনক এগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰে। তথ্য মতে, ঘগ্ৰাপাৰ অভিমুখে এ এছ-১৪ এল-৮৭৯৯ নম্বৰৰ এখন স্কুটীৰে যুৱকজনে ঘগ্ৰাপাৰ চ’কৰ পৰা আহি থাকোতে বিপৰীতে বৰখলাৰ পৰা ঘগ্ৰাপাৰ অভিমুখে গৈ থকা এখন ট্ৰেক্টৰৰ মুখামুখি সংঘৰ্ষ হয়। ফলত স্কুটী আৰোহীজন গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাত আহত স্কুটী আৰোহী কামৰূপ জিলাৰ ধুহিৰ গণেশ আলী (২৫)ৰ এখন ভৰি ছিঙি যোৱাৰ লগতে মূৰ আৰু মুখত গুৰুতৰভাৱে আঘাত পায়। যুৱকজন গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

# কৰ্মস্পৃহা অবিহনে কোনো ব্যক্তিয়ে সফলতা লাভ কৰিব ঃ ৰাকেশ ব্ৰহ্ম

## ■ মুছলপুৰৰ দক্ষতা বৃদ্ধি প্ৰশিক্ষণ কেন্দ্ৰৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১২ মে’ ঃ** ‘ব্যক্তি এজনৰ সফলতা বিফলতা নিৰ্ভৰ কৰে তেওঁৰ কৰ্মস্পৃহাৰ ওপৰত। কৰ্মস্পৃহা অবিহনে কোনো ব্যক্তিয়েই জীৱনত সফলতা লাভ কৰিব নোৱাৰে।’ পৰহি বাগ্‌সা জিলাৰ মুছলপুৰস্থ হস্ততাঁত আৰু বস্ত্ৰশিল্প প্ৰশিক্ষণ কেন্দ্ৰ চৌহদত নতুনকৈ সংযোজিত দক্ষতা বৃদ্ধি প্ৰশিক্ষণ কেন্দ্ৰৰ আৰম্ভ কৰি বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই এইদৰে মন্তব্য কৰে। কাৰ্যবাহী সদস্যজনে ধৈৰ্য আৰু একাগ্ৰতাৰে কাম কৰিলে আৰ্থিক দৈন্যয়ো সফলতাৰ হেঙাৰ হ’ব নোৱাৰে বুলি উল্লেখ কৰি অনুষ্ঠানত উপস্থিত থকা প্ৰশিক্ষণ ল’ব বিচৰা যুৱক-যুৱতীসকলক ধৈৰ্য আৰু একাগ্ৰতাৰে প্ৰশিক্ষণ ল’বলৈ আহ্বান জনায়। প্ৰযুক্তি মন্ত্ৰণালয়ৰ বিত্তীয় সাহায্যৰে সংস্থাপিত আৰু চেণ্টাৰ ফৰ ডেভেলপমেণ্ট অৱ এডভানচ কম্পিউটাৰিং চমুকৈ চি ডেকৰ দ্বাৰা পৰিচালিত উক্ত প্ৰশিক্ষণ কেন্দ্ৰটোত আগন্তুক তিনি বছৰত ২০০5 গৰাকী যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হ’ব বুলি উল্লেখ কৰি চি ডেকৰ জেষ্ঠ সঞ্চালক নৰাৰুণ ভট্টাচাৰ্যই সাম্প্ৰতিক সময়ত দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিতং ব্যাখ্যা দাঙি ধৰে। অনুষ্ঠানত বিটিচিৰ হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ সচিব দিঠকানন্দ হাজৰিকা, সঞ্চালক দিবাকৰ গোস্বামী, হস্ততাঁত বস্ত্ৰ বিভাগৰ চিৰাং জিলাৰ সহকাৰী সঞ্চালক দৈজেন্দ্ৰনাথ ব্ৰহ্ম, বাগ্‌সা জিলাৰ সহকাৰী সঞ্চালক মুজিবুৰ ৰহমান, বাগ্‌সা জিলাৰ উপায়ুক্ত আয়ুস গাৰ্গ, মুছলপুৰ হস্ততাঁত বস্ত্ৰ শিল্প প্ৰশিক্ষণ কেন্দ্ৰৰ অধীক্ষক উদয় খাখলাৰী উপস্থিত থাকে।

# চামতাত সমাজকৰ্মী নৰেন বৈশ্যৰ স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১২ মে’ ঃ** পশ্চিম নলবাৰী অঞ্চলৰ চামতাৰ নিষ্ঠাবান সমাজকৰ্মী তথা সমবায় বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-পঞ্জীয়ক নৰেণ বৈশ্যৰ তৃতীয় মৃত্যু বাৰ্ষিকী উপলক্ষে পৰহি চামতাত স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন কৰা হয়। এই উপলক্ষে বিয়লি অনুষ্ঠিত স্মৃতিচাৰণ অনুষ্ঠানত পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি ৰাজেন বৈশ্য, নলবাৰী জিলা কবি সন্মিলনৰ সম্পাদক দ্বীপেন মেনা আৰু জ্যেষ্ঠ সমাজকৰ্মী হেমন্ত বৰ্মনে আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি সমাজহিতৈষী নৰেণ বৈশ্যৰ স্মৃতিচাৰণ কৰাৰ লগতে প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। স্থানীয় সমাজকৰ্মী ৰবীন বৈশ্যই আঁত ধৰা অনুষ্ঠানটোত প্ৰয়াত বৈশ্যৰ পত্নী ৰীণা বৈশ্যই প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাৰ্ঘ জনায়। ইয়াৰ পূৰ্বে পুৱা নাম-প্ৰসংগ, ভাগৱত পাঠ আদি আধ্যাত্মিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্মৰ্তব্য যে চামতা বৈশ্য চুবুৰি নিবাসী সমাজহিতৈষী তথা সমবায় বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-পঞ্জীয়ক নৰেণ বৈশ্যই ২০১৯ৰ ১৩ মে’ৰ দিনাখন তেজপুৰৰ পৰা নলবাৰীৰ নিজগৃহ অভিমুখে এখন চাৰিচকীয়া বাহনত আহি থকা সময়ত ওৰাঙত সংঘটিত এক পথ দুৰ্ঘটনাত পতিত হৈ ঘটনাস্থলীতে বৈশ্যৰ অকাল বিয়োগ ঘটিছিল।

# গোৱালপাৰাৰ দহেলা-খাদাৰজানত অবৈধ কাঠ ফলা কল উৎখাত

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১২ মে’ ঃ** গোৱালপাৰা আঞ্চলিক বন বিষয়াই অভিযান চলাই আজি দহেলা আৰু খাদাৰজানৰ পৰা দুটাকৈ অবৈধ কাঠ কল উৎখাত কৰে। উল্লেখ্য যে গোৱালপাৰা আঞ্চলিক বন বিভাগৰ সীমান্তৱৰ্তী তথা কৃষ্ণাই আঞ্চলিক বন বিভাগৰ অন্তৰ্গত দহেলা আৰু খাদাৰজানত দীৰ্ঘদিনৰ পৰাই কাঠ ফলা কল দুটাই ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি অভিযোগ উত্থাপিত হৈ আহিছিল। আজি গোৱালপাৰা বন সুৰক্ষা বাহিনী আৰু আঞ্চলিক বন বিভাগে চলোৱা অভিযানৰ সময়ত অবৈধ কাঠ ফলা কল দুটা যন্ত্ৰাংশৰ লগতে ফালিবলৈ মজুত কৰি ৰখা বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰে।



*কলিয়াবৰত জংঘলে আৱৰি ধৰিছে মথাউৰি, বৃহস্পতিবাৰে।*

# শ্ৰীশ্ৰীবদলা পদ্ম আতাৰ উৎসৱৰ প্ৰচাৰ উপ-সমিতিক দায়িত্ব অৰ্পণ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১২ মে’ ঃ** মাজুলী উত্তৰ কমলাবাৰী সত্ৰৰ উদ্যোগত, মাজুলীবাসীৰ সহযোগত অহা আঠ, ন আৰু ১০ জুনত সত্ৰৰ কমলাকান্ত আতা ক্ষেত্ৰত অনুষ্ঠিত কৰা হ’ব শ্ৰীশ্ৰী বদলা পদ্ম আতা ৪৭৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ আৰু সমন্বয় সাংস্কৃতিক সমাৰোহ। ইয়াৰ বাবে যোৱা ১৯ এপ্ৰিলত অনুষ্ঠিত ৰাজহুৱা সভাই উদ্‌যাপন সমিতি গঠন কৰি দিয়াৰ পাছত কালি প্ৰচাৰ উপ-সমিতিৰ এখন সভা সত্ৰাধিকাৰ চ’ৰাত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হয়। মাজুলী জিলাৰ প্ৰচাৰ মাধ্যমৰ লগত জড়িত সদস্যসকলৰ উপস্থিতিত উদ্‌যাপন সমিতিৰ সভাপতি তথা সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক তীৰ্থ ভূএগ্ৰাই। উক্ত সভাত সমাৰোহৰ বিভিন্ন দিশৰ আলোচনা কৰাৰ লগতে ডিবাকৰ শইকীয়াক সভাপতি, ৰণজিৎ কুমাৰ ভূএগ্ৰাক কাৰ্যকৰী সভাপতি, জ্যোতিষ তামুলীক সম্পাদকৰূপে লৈ ১৯ জনীয়া প্ৰচাৰ উপ-সমিতি গঠন কৰা হয়। সমাৰোহখনি নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সদস্যসকলৰ দিহা-পৰামৰ্শ কামনা কৰে সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে। সভাত জ্যেষ্ঠ সদস্য বিপিন শইকীয়া, দীপু বৰা, উৎপল কাকতি, ডিবাকৰ শইকীয়া আৰু ৰণজিৎ কুমাৰ ভূএগ্ৰাই বিভিন্ন দিশৰ প্ৰৰ্যালোচনা কৰি উৎসৱ ভাগত সাংবাদিকসকলৰ সহযোগিতাৰ প্ৰতিশ্ৰুতি দিয়ে।

# ছয় লাখ টকা দাবী কৰা ধন নাপাই জ্বলাই দিলে ঘৰ-বাৰী

## ■ তুলসীবিলত ড্ৰাগছ আসক্ত যুৱকৰ উদ্ভণ্ডালি

**অগ্ৰদূত বাৰ্তা**

**বগৰীবাৰী, ১২ মে’ ঃ** বিটিআৰৰ কোকৰাঝাৰ জিলাৰ গোসাঁই থানাৰ অন্তৰ্গত অতি ভিতৰুৱা আৰু দুৰ্গম গাঁও টেংৰা ভিটাত সংঘটিত হৈছে এক লোমহৰ্ষক ঘটনা। অতি ভিতৰুৱা গাঁওখনৰ বাসিন্দা আজগৰ চৌধুৰীৰ পুত্ৰ ৰাকেশ চৌধুৰী ওৰফে ৰাহুল নামৰ ড্ৰাগছ আসক্ত যুৱকজনে নিজৰ পত্নীৰ জৰিয়তে হানী ট্ৰাপিঙৰ কৌশল কৰি একে গাঁৱৰ সৰবেশ আলী নামৰ অবিবাহিত যুৱক এজনক ব্লেক মেইলিং কৰি ম’বাইল যোগে ছয় লাখ টকা দাবী কৰে। এই ধন আদায় নিদিলে ঘটনা বিষম হোৱাৰ লগতে হত্যাৰ ভাবুকি প্ৰদান কৰে। যাৰ ফলত যোৱা ন মে’ৰ নিশাৰ ভাগত অন্তিম সময় ধাৰ্য কৰি ম’বাইল যোগে ৰাহুলে সৰবেশক হুমকি দিয়ে। জীৱন বচোৱাৰ কাৰণে সৰবেশে নিজৰ ঘৰ-বাৰী এৰি অন্য ঠাইত আশ্ৰয় লয়। এই সুযোগতে ড্ৰাগছ আসক্ত যুৱক ৰাহুলে সৰবেশে নতুনকৈ নিৰ্মাণ কৰা ঘৰ-বাৰী আচবাব-পত্ৰ আৰু অন্যান্য সা-সামগ্ৰী নগদ ধন আদি জ্বলাই পুৰি ছাৰখাৰ কৰি দিয়ে। এই অগ্নি সংযোগৰ ঘটনাত গাঁওখনত ব্যাপক আতংকৰ পৰিৱেশ সৃষ্টি হৈছে। এই ঘটনাত উদণ্ড ড্ৰাগছ আসক্ত যুৱক ৰাহুলে জড়িত থকাৰ অভিযুক্ত কৰি সৰবেশে তুলসী বিল আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে যদিও এতিয়ালৈকে আৰক্ষীয়ে অভিযুক্ত ৰাহুলক আটক কৰিব পৰা নাই। এই ঘটনাত প্ৰায় ২৫ লাখ টকাৰ সা-সম্পত্তি পুৰি ছাৰ-খাৰ হয়। উল্লেখ্য যে অভিযুক্ত যুৱক ৰাহুলে পূৰ্বে বহু অপৰাধজনিত ঘটনাত জড়িত আছিল। তদুপৰি ৰাহুলে ইতিপূৰ্বে জেলৰ পৰাও অতি কায়দাৰে আৰক্ষীৰ চকুত ধূলা দি পলায়ন কৰিছিল। শেহতীয়াকৈ বিভিন্ন মহানগৰীত হানী-ট্ৰাপিঙৰ জাল পেলাই অভিজাত পৰিয়ালৰ লোকক ধন ব্লেক মেইলিং কৰি ধন সৰকোৱাৰ দৰে ঘটনা গাঁও অঞ্চলত দুৰ্গম অঞ্চলত একাংশ হানী ট্ৰাপিং চক্ৰই সুন্দৰী নাৰী-মহিলাৰ জৰিয়তে প্ৰেম ছলনা কৰি অভিনৱ পদ্ধতিত ধন দাবী কৰাৰ ঘটনাই সমগ্ৰ বিটিআৰ অঞ্চলত ত্ৰাসৰ সৃষ্টি কৰিছে। উল্লেখ্য যে এই ঘটনাত জড়িত ৰাহুলৰ পত্নী কদভানুয়ে নলবাৰী জিলাত একে ধৰণৰ জাল পেলাই এক গভীৰ ষড়যন্ত্ৰ ৰচনা কৰি অভিজাত পৰিয়ালৰ বৰ্ণাঢ্য ব্যক্তিক টাৰ্গেট কৰি লোৱাৰ তথ্যও পোহৰলৈ আহিছে। সমাজত বিশৃংখল সৃষ্টি কৰা উদণ্ড যুৱকজনক কি ৰহস্যজনক কাৰণত আৰক্ষীয়ে আটক কৰা নাই সেয়াও লাখটকীয়া প্ৰশ্ন। সচেতন মহলে যুৱকজনক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি বিহিবলৈ দাবী জনাইছে। বৰ্তমান গৃহহীন সৰবেশে নিজৰ পুৰি ছাই হোৱা ঘৰৰ ভেটিৰ ওপত হুকহুকাই কান্দি দিন পাৰ কৰিছে। অথচ আৰক্ষী প্ৰশাসন চকুমুদা কুলিৰ ভাও ধৰি আছে।

# তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলনৰ উদ্‌যাপন সমিতিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১২ মে’ ঃ** তামুলপুৰ জিলা সদৰস্থিত তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলমৰ ৫৯ সংখ্যক ৰঙালী বিহু উদ্‌যাপন সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা যোৱা ১০ মে’ৰ নিশা তামুলপুৰ হৰি মন্দিৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি হেমন্ত কুমাৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক নয়নজ্যোতি মহন্তই বিগত বিহু উদ্‌যাপনৰ হিচাপ-নিকাচ দাখিল কৰে। সম্পাদকে দাখিল কৰা হিচাপ- নিকাচ মতে ৫৯ সংখ্যক তামুলপুৰ মহকুমা ৰঙালী বিহু উদ্‌যাপনত অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ বিশেষ সাহায্য পুঁজিৰ আগবঢ়োৱা ডেৰ লাখ টকাৰ লগতে বিহু সমিতিলৈ তামুলপুৰৰ বিভিন্ন প্ৰান্তৰ দাতা আৰু শুভাকাংক্ষীয়ে আগবঢ়োৱা ধনসহ সৰ্বমুঠ ৬,৭৫,৮৫৬ টকা সংগ্ৰহ হয়। সৰ্বমুঠ খৰচ হয় ৫,৫৩,১১২ টকা। বিহু সমিতিৰ হাতত জমা ৰয় ১,২২,৭৪৪ টকা। সভাত দাখিল কৰা জমা খৰচৰ হিচাপে উপস্থিত সকলোৱে সন্তুষ্ট প্ৰকাশ কৰাৰ লগতে আদৰণি জনায়। কাৰ্যনিৰ্বাহক সভাতেই ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিহু সমিতিলৈ আগবঢ়োৱা আৰ্থিক অনুদানৰ বাবে ধন্যবাদসূচক প্ৰস্তাৱ গ্ৰহণ, সন্মিলনৰ উদ্যোগত এটি বিহু হুঁচৰি দল গঠন কৰাৰ লগতে আন কে’বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাতেই বিহু উদ্‌যাপন সমিতিৰ হাতত জমা থকা ৰাহি ধন তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলনীৰ স্থায়ী সমিতিৰ হাতত অৰ্পণ কৰে। কালিৰ কৃনিৰ্বাহক সভাত ৫৯ সংখ্যক ৰঙালী বিহু উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি, জ্যোতিষ দাস, তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলনৰ স্থায়ী সমিতিৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতী, সাধাৰণ সম্পাদক কানু কলিতা। প্ৰাক্তন সভাপতি গিৰীশ মহন্ত, দেবেন দাস, নৱ কুমাৰ মজুমদাৰ, প্ৰাক্তন সম্পাদক নৃপেন বৰা, সহকাৰী সম্পাদক শ্যামল দাস, জয়ন্ত তালুকদাৰৰ লগতে সদস্যসকল উপস্থিত থাকে।



## ■ নাগৰিক সুৰক্ষা সমিতিৰ উপায়ুক্তলৈ ব্যৱস্থা গ্ৰহণৰ বাবে স্মাৰক পত্ৰ প্ৰেৰণ

# ডিমৰীয়াৰ জনজাতি বেষ্টনীত বেদখল উচ্ছেদৰ দাবী

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১২ মে' ঃ** বৃহত্তৰ ডিমৰীয়াৰ জনজাতি বেষ্টনীৰ লগতে সংৰক্ষিত চৰকাৰী ভূমিত একাংশ অসংৰক্ষিত শ্ৰেণী তথা সন্দেহযুক্ত লোকে অকৰ্তৃত্বশীলভাৱে বসতি স্থাপন কৰি অহাক লৈ ব্যাপক উদ্বেগ প্ৰকাশ কৰিছে বৃহত্তৰ ডিমৰীয়া নাগৰিক সমিতিয়ে। এনে বেদখল শীঘ্ৰে উচ্ছেদৰ দাবীত সমিতিয়ে কালি চক্ৰ বিষয়াৰ জৰিয়তে কামৰূপ মহানগৰ জিলা উপায়ুক্তলৈ এখনি স্মাৰক প্ৰেৰণ কৰে। উল্লেখ্য যে সোণাপুৰ ৰাজহ চক্ৰৰ সৰ্বমুঠ ১৪৫ খন ৰাজহ গাঁৱৰ ১১২ খন গাঁৱেই দক্ষিণ কামৰূপ জনজাতি খণ্ড তথা আবেষ্টনীৰ অন্তৰ্ভুক্ত। ১৮৮৬ৰ অসম ভূমি আৰু ৰাজহ আইন দশম অধ্যায়ৰ অধিনিয়ম অনুসৰি জনজাতি বেষ্টনীত কোনো অসংৰক্ষিত শ্ৰেণীৰ লোকৰ দখললৈ ভূমি হস্তান্তৰ হ'ব নোৱাৰে যদিও ডিমৰীয়াত অসংৰক্ষিত শ্ৰেণীৰ লোকলৈ জনজাতি লোকৰ ভূমি বেআইনীভাৱে হস্তান্তৰিত হৈ থকা বুলি উল্লেখ কৰা হৈছে। বিশেষকৈ ডিমৰীয়া মৌজাৰ মূৰকাটা, টোপাতলী, ভেৰাকুছি ননকে; সোণাপুৰ মৌজাৰ সোণাপুৰ পথাৰ, কচুতলিপথাৰ, পাৰগোমা, গোমৰীয়া পথাৰ, তেতেলীয়া পথাৰ আৰু দিকচাক গাঁও; পাণবাৰী মৌজাৰ আমভেৰ, দমৰাপথাৰ, বৰ্ণি, সৰুতাৰী, সোণাই গাঁৱত একাংশ পুঁজিপতি তথা ব্যৱসায়ী কৌশলেৰে শ শ বিঘা জনজাতি বেষ্টনীৰ ভূমি হস্তগত কৰি তাত বৃহৎ বৃহৎ কল-কাৰখানা, উদ্যোগ স্থাপন কৰিছে। ইয়ে খিলঞ্জীয়া লোকসকলৰ জীৱন-জীৱিকালৈ তীব্ৰ ভাবুকি কঢ়িয়াই অনা বুলি স্মাৰকত অভিযোগ উত্থাপন কৰা হৈছে। তদুপৰি সোণাপুৰ ৰাজহ চক্ৰ অধীনত থকা একাংশ চৰকাৰী চৰণীয়া পথাৰ (গ্ৰেজিং ৰিজাৰ্ভ) যেনে গোমৰীয়া-কচুতলী চৰণীয়া পথাৰ, তেতেলীয়া, হঁহৰা চৰণীয়া পথাৰ, বৰবিলা ননকে চৰণীয়া পথাৰৰ লগতে বিভিন্ন খাল-বিল, জলশয়সমূহৰ আশে-পাশে নীতিবহিৰ্ভূতভাৱে একাংশ সন্দেহজনক লোকে চৰকাৰী ভূমি বেদখল কৰিবলৈ লোৱাত অঞ্চলটোত ব্যাপক অপৰাধজনিত ঘটনা সংঘটিত হৈ আহিছে। সেয়ে এই বিষয়টোৰ ওপৰত উচ্চ পৰ্যায়ৰ তদন্ত কৰি শীঘ্ৰে চৰণীয়া পথাৰ তথা বিল-জলশয়সমূহ বেদখল মুক্ত কৰিবলৈ প্ৰশাসনক সমিতিয়ে দাবী জনায়। আনহাতে, ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথ সংযোগী কচুতলী-পাৰগোমা পথৰ দুয়োকাষে অবৈধভাৱে গঢ় লৈ উঠা দোকান-পোহাৰসমূহকো সমিতিয়ে উচ্ছেদ কৰিবলৈ দাবী জনায়। উক্ত স্মাৰকত বৃহত্তৰ ডিমৰীয়া নাগৰিক সমিতিৰ সভাপতি ৰত্নেশ্বৰ ৰাহাং, কাৰ্যকৰী সভাপতি দুলেশ্বৰ ডেকা, সম্পাদক সোণ বৰা আৰু ডিমৰীয়া জিলা জনজাতি সংঘৰ সম্পাদক নিৰঞ্জন বসুমতাৰীয়ে স্বাক্ষৰ কৰিছে।

## ধোদাং-গোহাঁইমেৰ মণ্ডল সমল কেন্দ্ৰত গুণোৎসৱৰ প্ৰশিক্ষণ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১২ মে' ঃ** গোলাঘাট কেন্দ্ৰীয় শিক্ষা খণ্ডৰ অন্তৰ্গত ধোদাং আৰু গোহাঁইমেৰ মণ্ডল সমল কেন্দ্ৰত আগন্তুক গুণোৎসৱৰ সম্পৰ্কে যোৱা ১১ মে'ত এক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰায় ৬০ জন শিক্ষক উপস্থিত থকা প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ঢেকিয়াল মণ্ডল সমল কেন্দ্ৰৰ চি আৰ চি চি জাগৃতি বৰঠাকুৰ আৰু ধোদাং মণ্ডল সমল কেন্দ্ৰৰ চিআৰচিচি চন্দন কলিতা। উল্লেখ্য যে গোলাঘাট জিলাত অহা ২৩ মে'ৰ পৰা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। গুণোৎসৱৰ সকলো নিৰ্দেশনা আৰু অ'এমআৰসমূহ শিক্ষকসকলৰ লগত পুংখানুপুংখভাৱে আলোচনা কৰা হয় বুলি চিআৰচিচি চন্দন কলিতাই জানিবলৈ দিয়ে।

## নগাঁৱৰ একাধিক বিদ্যালয়ত

ছয় পৃষ্ঠাৰ পৰা পৰিব লগা হৈছে। কাৰ ভুলৰ বাবে এইদৰে মুল্যায়ন পৰীক্ষাৰ বহী (অ' এম আৰ ছীট) কমকৈ প্ৰেৰণ কৰা হ'ল তাৰ এক উচিত তদন্ত কৰি সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচেতন মহলে দাবী জনাইছে। উল্লেখ্য যে জিলাখনত মুঠ ২২১০ খন বিদ্যালয়ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হৈছে যদিও আজি প্ৰথম দিনাৰ মূল্যায়ন পৰীক্ষা মাত্ৰ ৭৬২ খন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হৈছে বুলি শিক্ষা বিভাগৰ এক সূত্ৰই জনাইছে। বাকী বিদ্যালয়সমূহত কাইলৈৰে পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত বহিঃমূল্যায়ন পৰীক্ষা অনুষ্ঠিত হ'ব। ইপিনে, জিলাখনৰ বিভিন্ন বিদ্যালয়ত আজি শিক্ষকৰ ৰূপত দেখা গ'ল কে'বাগৰাকী বিধায়কৰ লগতে উচ্চ পৰ্যায়ৰ বিষয়াক। উল্লেখ্য যে ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাই জুৰীয়া শিক্ষা খণ্ডৰ অন্তৰ্গত আলিটাঙনী উচমানীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বহিঃমূল্যায়ন পৰীক্ষাৰ নিৰীক্ষক হিচাপে নিয়োজিত হয়। একেদৰে ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে নেলীপাৰ এল পি স্কুল, জিলা উপায়ুক্ত নিসৰ্গ হিৱৰেই নগাঁও-কাৰ্বি আংলং জিলা সীমান্ত অঞ্চলৰ মাজবৰ পথাৰ কচাৰিগাঁও এল পি স্কুল, ৰত্নকান্ত বৰকাকতি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষা বিভাগৰ যুটীয়া সচিব সদনাদ সিং আদিকে ধৰি বহু কেইগৰাকী উচ্চ পৰ্যায়ৰ বিষয়াই ছাত্ৰ-ছাত্ৰীক পাঠদান কৰে।

## হিউমেন ৰাইটছ ইন্টাৰনেছনেলৰ

ছয় পৃষ্ঠাৰ পৰা অৰিহনা যোগোৱা বহুকেগৰাকী লোক উপস্থিত থাকে। মানৱ অধিকাৰ সংস্থাটোৰ সক্ৰিয় সদস্য শিক্ষক হিৰণ্য নাথে আঁতধৰা সভাত ড° শৰ্মা বৰুৱাই কয় যে মানৱ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ যথেষ্ট কৰণীয় আছে। তেওঁ যোৱা দীঘলীয়া সময়ছোৱাত ৰাজ্যৰ সংবাদমাধ্যমে এইক্ষেত্ৰত যথেষ্ট কাম কৰিছে বুলি উল্লেখ কৰি লগতে কয় যে মানৱ অধিকাৰৰ বিষয়ে বহু কমসংখ্যক লোকৰহে ধাৰণা আছে আৰু সেয়ে এইক্ষেত্ৰত মানুহক সজাগ কৰাৰো প্ৰয়োজনীয়তা আছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে এই দিশত সংবাদ মাধ্যমে সৱল ভূমিকা গ্ৰহণ কৰিব পাৰে বুলিও তেওঁ কয়। ড° শৰ্মা বৰুৱাই শিশুৰ পৰা বৃদ্ধলৈকে মানৱ অধিকাৰ খৰ্ব হোৱাৰ বিষয়ে প্ৰকাশ কৰি পুনৰ কয় যে বৰ্তমান হোৱা অতিপাত মূল্যবৃদ্ধিও মানৱ অধিকাৰ উলংঘনৰে এক বিষয়। তেওঁ লগতে কয় যে সম্প্ৰতি সৰ্বসাধাৰণৰ মানৱ অধিকাৰ উলংঘনৰ বিৰুদ্ধে সংবাদমাধ্যম যেনেদৰে সৰৱ আৰু তৎপৰ হ'ব লাগিছিল সেয়া হোৱা নাই। সমাজৰ আৰু সাধাৰণ লোকৰ ক্ষতিসাধন কৰা লোকৰ মানৱ অধিকাৰৰ বিষয়ে সৰৱ হোৱাতকৈ সাধাৰণ লোক আৰু সমাজৰ উপকাৰ হ'ব পৰা লোকৰ মানৱ অধিকাৰক হে অধিক গুৰুত্ব দিয়া উচিত। তেওঁ কয় যে বহু অপৰাধীয়ে প্ৰকৃততে তেওঁলোকৰ অপকৰ্মৰ জৰিয়তেই নিজা মানৱ অধিকাৰ নিজেই খৰ্ব কৰে। এই বিশেষ অনুষ্ঠানতে তেজপুৰৰ তিনি সাংবাদিক মনোজ কুমাৰ শইকীয়া, সমীৰ কৰ আৰু অৰূপ কলিতাক সন্মানিত কৰা হয়। ১৯৭০ দশকৰ পৰাই ফটো সাংবাদিকতাৰ স'তে জড়িত থকা সাংবাদিক সমীৰ কৰে তেওঁৰ চমু বক্তব্যত সেই সময়ৰ জটিল পৰিস্থিতিত সাংবাদিকতা কৰা বহু প্ৰত্যাহ্বানজনক আছিল বুলি উল্লেখ কৰি লগতে তেওঁৰ সেই সময়ত হোৱা একাধিক অভিজ্ঞতাৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে এতিয়াও বহু মফচলীয় সংবাদকৰ্মীয়ে সততাৰে কাম কৰি আছে আৰু নিজৰ পেছাৰ বিষয়ে সন্মান থকা সকল সহজে কক্ষচ্যুত নহয় আৰু তেওঁলোকে কাৰোবাৰে প্ৰশংসা নিবিচাৰে। সাংবাদিক কলিতাই ৰাজ্যত মানৱ অধিকাৰ সুৰক্ষাৰ বাবে প্ৰয়াত সাংবাদিক পৰাগ কুমাৰ দাসকে ধৰি একাংশ লোকৰ প্ৰচেষ্টাত আৰম্ভ হোৱা সংগ্ৰামৰ বিষয়ে উল্লেখ কৰি লগতে কয় যে উন্নয়নশীল আৰু পাছপৰা দেশসমূহত সাধাৰণ লোকৰ মানৱ অধিকাৰ বিভিন্নৰূপত আৰু সকলো ক্ষেত্ৰতে খৰ্ব হৈ থাকে। তেওঁ এইক্ষেত্ৰত সকলো নিজেই সচেতন নহ'লে নহ'ব বুলিও কয়।

## মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত

ছয় পৃষ্ঠাৰ পৰা দায়িত্ব পালনত ব্যৰ্থ হৈ শুই আছে। সেয়ে অতি শীঘ্ৰেই অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে আমছুৱে তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে আনিমূল হক চৌধুৰীয়ে। প্ৰতিবাদী কাৰ্যসূচীৰ পাছত সাতদফীয়া দাবীৰে মাটিয়া ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে আমছুৱে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লিখিত দাবীসমূহ হ'ল নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ লগতে পেট্ৰ'ল আৰু ডিজেলৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ভেট হ্ৰাস কৰা, ঘৰুৱা আৰু বাণিজ্যিক ৰন্ধন গেছৰ মূল্যবৃদ্ধি ৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰয়োগ কৰা, ঔষধৰ মূল্য হ্ৰাস কৰা, পশুখাদ্যৰ মূল্যবৃদ্ধি ৰোধ কৰা, গৃহ নিৰ্মাণৰ সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা আৰু কৃষি কাৰ্যৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ সাৰৰ লগতে বীজ তথা কীটনাশক দৰৰৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰা।

**তেজপুৰৰ ষ্টাফ ৰিপ'ৰ্টাৰ, ১২ মে' ঃ** পেট্ৰ'ল, ডিজেল, জীৱনদায়িনী ঔষধৰ লগতে প্ৰতিবিধ খাদ্য সামগ্ৰীৰ অভাৱনীয়ভাৱে হোৱা মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক মাধমাৰ শোধাইছে। ৰন্ধন গেছ চিলিণ্ডাৰৰ মূল্যও দিনে দিনে বৃদ্ধি পোৱাৰ পাছতো বিজেপি চৰকাৰে কোনো ধৰণৰ ব্যৱস্থাই গ্ৰহণ নকৰাত ৰাইজ জুৰুলা হৈছে। মূল্যবৃদ্ধি ৰোধৰ দাবীত আজি তেজপুৰত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ শোণিতপুৰ জিলা সমিতিয়ে প্ৰতিবাদ সাব্যস্ত কৰে। তেজপুৰস্থিত জিলা উপায়ুক্ত কাৰ্যালয়ৰ সমীপত আদালত চাৰিআলিত আজি পুৱা ১১ বজাৰ পৰা এক বজালৈ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰে মূল্যবৃদ্ধিৰ প্ৰতিবাদ জনায়। মূল্যবৃদ্ধি ৰোধৰ দাবীত শোণিতপুৰৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা আমছুৰ শতাধিক নেতা-কৰ্মীয়ে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

**সোণতলীৰ অগ্ৰদূত বাৰ্তা ঃ** বিজেপি চৰকাৰৰ দিনত ৰাজ্যজুৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ ৰখাত সম্পূৰ্ণ ব্যৰ্থ হৈছে। চৰকাৰক সঘনাই বিভিন্ন ৰাজনৈতিক, অৰাজনৈতিক সংগঠন তথা অসমৰ জাতীয় ছাত্ৰ সংগঠনসমূহে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ দাবী জনাই আহিছে যদিও বিজেপি চৰকাৰে জনতাক মাধমাৰ শোধাই থকা পৰিলক্ষিত হৈছে। আজি দক্ষিণ কামৰূপ জিলা কমিটীৰ উদ্যোগত মূল্যবৃদ্ধি প্ৰতিৰোধ কৰাৰ দাবীত দুঘণ্টীয়া অৱস্থাত ধৰ্মঘট পালন কৰে। গৰৈমাৰীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ উদ্যোগত নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ লগতে অন্যান্য বস্তুৰ অস্বাভাৱিক মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবীত অৱস্থান ধৰ্মঘট কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক আবুল কালাম আজাদ, আমছুৰ কামৰূপ জিলাৰ সভাপতি ইমদাদ হুছেইন, জিলা উপ-সভাপতি লোকমান হেকিম, ৰাহুল আমিন, জিলা সম্পাদক আব্দুল লতিফ মণ্ডল, ইয়াছিন আলী।

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ আৰু হ্ৰাসৰ দাবীত আমছুৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে আজি আমছুৰ এটা দলে বিশ্বনাথ জিলা উপায়ুক্তৰ জৰিয়তে ড° মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

**নগাঁৱৰ বিশেষ সংবাদদাতা, ১২ মে' ঃ** ৰাজ্যৰ আন ঠাইৰ লগতে নগাঁৱতো অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি প্ৰতিৰোধ কৰাৰ দাবীত সদৌ সংখ্যালঘু ছাত্ৰ ইউনিয়নে (আমছু) আজি দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত অৱস্থান কৰি আমছু কৰ্মী তথা সমৰ্থকসকলে মূল্যবৃদ্ধি ৰোধ কৰক, জীৱনদায়ী ঔষধৰ মূল্য ৰোধ কৰক, যোগান মন্ত্ৰী হায় হায়, বিজেপি চৰকাৰ গ' বেক, ৰন্ধন গেছৰ মূল্যবৃদ্ধি ৰোধ কৰক, আমছু জিন্দাবাদ' আদি শ্ল'গান দিয়ে। অৱস্থান ধৰ্মঘটৰ পাছতে সংগঠনটোৰ নেতৃবৃন্দই জিলা উপায়ুক্তক এক স্মাৰকপত্ৰ প্ৰদান কৰে।



ক্ষুদ্ৰবিষ্টুপুৰ প্ৰাথমিক বিদ্যালয়ত বৃক্ষৰোপণ।

## পশ্চিম বোকাখাত ব'হাগী উৎসৱ

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ১২ মে' ঃ** পশ্চিম বোকাখাত ব'হাগী উৎসৱ অহা ১৫ আৰু ১৬ মে'ত মুংগীলাল কৃষ্ণাদেৱী সোঁৱৰণী উদ্যানত অনুষ্ঠিত হ'ব। ১৫ মে'ত পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণৰ পাছত মঞ্চ উদ্বোধন কৰিব গোলাঘাট জিলা উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই। ঠাইতে অঁকা চিত্ৰাংকন, কুইজ আৰু আকস্মিক বক্তৃতা, চেমনীয়া হুঁচৰি, জেংবিহু, চেমনীয়া বিহুৱতী, বৰবিহুৱতী, দলীয় বিহু প্ৰতিযোগিতা হ'ব। বৰবিহুৱতী প্ৰতিযোগিতা উদ্বোধন কৰিব বোলছবি পৰিচালক দীনেশ গগৈয়ে। সন্ধ্যা বিশেষ সম্বৰ্ধনা জনোৱা হ'ব বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাক। ১৬ মে'ত বিহুসুৰীয়া গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব বোকাখাত নগৰৰ পৌৰপতি ৰত্নেশ্বৰ বৰুৱাই। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব নুমলীগড় শোধনাগাৰৰ মুখ্য প্ৰৱন্ধক ড° কাজল শইকীয়াই। পদ্মশ্ৰী যাদব পায়েঙক বিশেষ সম্বৰ্ধনা জনোৱা হয়। নিশা সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব কেবিনেট মন্ত্ৰী অতুল বৰাই। শিল্পী শংকুৰাজ কোঁৱৰ, মৈত্ৰেয়ী পাটৰৰ লগতে তেজপুৰীয়া থেজপিয়ান আৰু পৰিচয় সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা অনুষ্ঠান হ'ব। উদ্‌যাপন সমিতিৰ সভাপতি জীৱেশ্বৰ হাজৰিকা, সম্পাদক তিলক শৰ্মাই ৰাইজৰ উপস্থিতি কামনা কৰিছে।

## হোজাই গাৰ্লছ কলেজত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ জন্মদিন উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**হোজাই, ১২ মে' ঃ** হোজাই গাৰ্লছ কলেজৰ বাংলা বিভাগৰ উদ্যোগত আৰু নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ হোজাই শাখাৰ সৌজন্যত যোৱা ন মে'ত হোজাইৰ গাৰ্লছ কলেজত 'ৰবীন্দ্ৰ প্ৰণাম' শীৰ্ষক এক অনুষ্ঠানৰ আয়োজন কৰা হয়। কলেজখনৰ বাংলা বিভাগৰ প্ৰৱক্তা ড° পীযূষ নন্দীয়ে পৰিচালনা কৰা অনুষ্ঠানৰ আৰম্ভণিতে নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ হোজাই শাখাৰ সভাপতি প্ৰমোদ দাসে কবিগুৰুজনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰি মালা পৰিধান কৰে। সভাপতিজনে নিজৰ উদ্বোধনী ভাষণত ৰবীন্দ্ৰ নাথ কেৱল বাংলা ভাষাৰ সাহিত্যিক নাছিল তেওঁৰ সৃষ্টিত বিশ্বৰ মানৱতাৰ ধ্বনি প্ৰতিষ্ঠিত হৈছিল। তেওঁৰ এই মানৱতাৰ ভাষা আছিল বাংলা। উদ্বোধনী ভাষণৰ পাছত ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰাণকৃষ্ণ কৰে ৰবীন্দ্ৰ সাহিত্যৰ ওপৰত তত্ত্বগধুৰ বক্তব্য ৰাখে। অনুষ্ঠানত আশীৰ্বানী কৰ, ড° জয়ন্ত বিশ্বাস বিশ্বজিৎ দেৱনাথ, ৰশ্মি দে আদিয়ে ৰবীন্দ্ৰ সংগীত, কলেজখনৰ কে'বাগৰাকী ছাত্ৰীয়ে ৰবীন্দ্ৰ নৃত্য আৰু ড° পীযুষ নন্দীয়ে ৰবীন্দ্ৰ সাহিত্যৰ বিশেষকৈ গীতাঞ্জলিৰ কবিতাৰ ওপৰত তত্ত্বগধুৰ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ হোজাই শাখাৰ বিষয়ববীয়াসকলৰ উপৰি কলেজখনৰ ছাত্ৰী-শিক্ষয়িত্ৰীসকলে বিভিন্ন বিভাগত অংশগ্ৰহণ কৰি জীপাল কৰি তোলে।

## মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰৰ সোণালী জয়ন্তীৰ ৰাজহুৱা সভা

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১২ মে' ঃ** যোৰহাট নগৰৰ কে বি ৰ'ডত অৱস্থিত মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰই ইতিমধ্যে ৫০টা বছৰ সম্পূৰ্ণ কৰিলে। যোৰহাটৰ বহুকেইজন প্ৰয়াত প্ৰবীণ ব্যক্তিৰ প্ৰাণ স্বৰূপ অনুষ্ঠানটোৰ সোণালী জয়ন্তী উদ্‌যাপনৰ উদ্দেশ্যে অহা ২৮ মে'ত আবেলি দুই বজাত কেন্দ্ৰৰ সভাগৃহত এখন ৰাজহুৱা সভা আহ্বান কৰা হৈছে। অনুষ্ঠানৰ আজীৱন সদস্য, সাধাৰণ সদস্য আৰু যোৰহাটৰ শুভাকাংক্ষীসকলৰ উপস্থিতি আৰু দিহা-পৰামৰ্শ সাধাৰণ সম্পাদক দীপাঞ্জলী ভৰালী বৰাই আন্তৰিকতাৰে কামনা কৰিছে।

# টিহুত বিশিষ্ট সমাজকৰ্মী চাণক্য চৰণ কলিতাক ৰাজহুৱা স্মৰণ

অগ্ৰদূত বাৰ্তা

**টিহু, ১২ মে' ঃ** টিহু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি, টিহু নগৰ অগপৰ সভাপতি, টিহু সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, টিহু শাস্ত্ৰীয় সংগীত মহাবিদ্যালয়ৰ প্ৰাক্তন সভাপতি, টিহু ৰাজহুৱা পুথিভঁড়াল সমিতিৰ উপ-সভাপতি আদিকে ধৰি টিহুৰ বিভিন্ন অনুষ্ঠানৰ গুৰি ধৰোঁতা বিশিষ্ট জাতীয়তাবাদী নেতা তথা অৱসৰী জিলা শিক্ষা বিষয়া চাণক্য চৰণ কলিতাক কালি টিহুৰ বিদ্যানগৰত ৰাজহুৱাভাৱে স্মৰণ কৰা হয়। এই উপলক্ষে টিহু সাহিত্য সভা আৰু টিহু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত অনুষ্ঠিত স্মৃতিচাৰণ সভাত সভাপতিত্ব কৰে টিহু সাহিত্য সভাৰ সভাপতি শংকৰ কুমাৰ দাসে। টিহু সাহিত্য সভাৰ সম্পাদক হেমেন ৰাজবংশীয়ে আঁত ধৰা আৰু শলাগ জ্ঞাপন কৰা অনুষ্ঠানটোত শিল্পী-গীতিকাৰ হেমন্ত তালুকদাৰৰ ভক্তিমূলক গীতেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অৰ্ধশতাধিক দল-সংগঠন-অনুষ্ঠানৰ প্ৰতিনিধিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰি শিক্ষাবিদ ক্ৰমে কৰুণা কান্ত কলিতা, সোমনাথ ডেকা, ভবেশ চন্দ্ৰ দাস, ড° জ্যোতিষ চন্দ্ৰ ভাগৱতী, ড° সুৰজিত বৰ্মন আৰু ড° মুকুন্দ শৰ্মা, সাংবাদিক অজিত কুমাৰ শৰ্মা আৰু পংকজ বেজবৰুৱা, সমাজকৰ্মী ক্ৰমে কুলেশ শৰ্মা, দুলাল দাস, উদ্ধৱ চৌধুৰী, সৰ্বেশ্বৰ ডেকা, অগপ নেতা হৰেকৃষ্ণ মেধি, জিন্টু চৌধুৰী, কেশৱ ডেকা আৰু কৃপা ঠাকুৰীয়া, জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক গুণেশ্বৰ দাস আৰু সহ সম্পাদক লক্ষ্মীকান্ত শৰ্মা, লেখিকা কনিকা বৰ্মন আৰু চন্দ্ৰপ্ৰভা হুজুৰী বৰ্মন, আত্মীয় অক্ষয় তালুকদাৰ আৰু বসন্ত কলিতা, প্ৰয়াত কলিতাৰ সহধৰ্মিণী বীণাপানি বড়ো কলিতাই স্মৃতিচাৰণ কৰি প্ৰয়াত কলিতাৰ কালোত্তীৰ্ণ কৰ্মৰাজি আলোকপাত কৰে। সভাৰ পূৰ্বে প্ৰয়াত কলিতাৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিণী বীণাপানি বড়ো কলিতাই আৰু মাল্যাৰ্পণ কৰে পুত্ৰ প্ৰাঞ্জল কলিতাই।




## ৰংছাইত জব্দ অবৈধ কাঠফলা মিলসহ কাঠৰ কুণ্ডা

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১২ মে' ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আঞ্চলিক বন বিভাগে আজি দুপৰীয়া এটা অবৈধ কাঠফলা মিল জব্দ কৰে। বন বিভাগে পুৱাৰে পৰা বলবলা অঞ্চলত চলোৱা নিয়মীয়া পেট্ৰ'লিঙৰ সময়তে এক বিশেষ সূত্ৰৰ পম খেদি ৰংছাইৰ পৰা জব্দ কৰে অবৈধ মিলটো। বন বিভাগে অবৈধ মিলটো উচ্ছেদ কৰাৰ লগতে জব্দ কৰে কে'বাডালো কাটি থোৱা মূল্যৱান গছৰ কুণ্ডা। জব্দ কৰা কাঠখিনিৰ বজাৰ মূল্য আনুমানিক ৩০ হেজাৰ হ'ব বুলি কৃষ্ণাই আঞ্চলিক বন বিষয়া শিৱানী দলে পেগুৱে জনাইছে।

## হতাশাত ভুগি বহু যুৱক আলফালৈ গৈছে

### ■ মুছলপুৰত শিক্ষকৰ ৰূপত মন্ত্ৰী ইউ জি ব্ৰহ্ম

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১২ মে' ঃ** শিক্ষকৰ ৰূপত দেখা গ'ল ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মক। বাগ্‌সা জিলাৰ জালাহ প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত আঙুলিয়া প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক আজি পাঠ দান কৰে মন্ত্ৰী ব্ৰহ্মই। বিদ্যালয়খনত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক মন্ত্ৰীজনে বড়ো ভাষাত পাঠদান কৰে। ইয়াৰ পাছত তেওঁ আন-আন ছাত্ৰ-ছাত্ৰীৰ স'তে মত বিনিময় কৰে। উল্লেখ্য যে বাগ্‌সা জিলাৰ অভিভাৱক মন্ত্ৰীজনে বিটিচিৰ ২২ নম্বৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত মুঠ ১১ টা স্থানত নিৰ্মাণ কৰিব লগা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা একেলগে আঙুলিয়া প্ৰাথমিক বিদ্যালয় চৌহদত স্থাপন কৰে। আধাৰশিলা স্থাপন কৰি মন্ত্ৰীজনে আঙুলিয়া প্ৰাথমিক বিদ্যালয়ত কিছু সময় ছাত্ৰ-ছাত্ৰীক পাঠদান কৰি উপস্থিত সাংবাদিকক কয়, 'শিক্ষকসকলে এটা নিৰ্দিষ্ট লক্ষ্য লৈ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিব লাগে। তেতিয়াহে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লক্ষ্যত উপনীত হ'বলৈ সক্ষম হ'ব। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক সুনাগৰিক হিচাপে গঢ়ি তুলিব লাগে। কাৰণ শিক্ষকসকলে সুস্থ সমাজ গঠনত সহায় কৰে আৰু আজিৰ ছাত্ৰ কাইলৈৰ নাগৰিক হ'ব।' শেহতীয়াভাৱে ৰাজ্যখনৰ একাংশ যুৱক-যুৱতী আলফা (স্বাঃ) ত যোগদান কৰা কাৰ্যৰ ওপৰতো গুৰুত্বপূৰ্ণ মন্তব্য কৰে মন্ত্ৰীজনে কয়, 'আলফাৰ জন্মৰ সময়ত সদস্য ভৰ্তিৰ লক্ষ্যৰ লগত বৰ্তমানৰ লক্ষ্যৰ কোনো মিল নাই। বহু সংখ্যক যুৱক-যুৱতী হতাশাত ভুগি আলফালৈ গৈছে। ইয়াৰ বাবে নিবনুৱা সমস্যাক কেৱল দায়ী কৰিব নোৱাৰি। এফালে চৰকাৰৰ স'তে আলফাৰ শান্তি আলোচনাৰ বাবে চৰকাৰক পৰিৱেশ ৰচনা কৰিবলৈ কৈ পৰেশ বৰুৱাই আলফাত নতুনকৈ সদস্য ভৰ্তি কৰাটো দুৰ্ভাগ্যজনক।' আনহাতে, বিটিচিত হাগ্ৰামাৰ নেতৃত্বত পুনৰ বিটিচি পৰিষদ গঠন কৰিব বুলি চৰ্চা চলা বিষয়ক মন্ত্ৰী ব্ৰহ্মই কয় যে হাগ্ৰামাই চেষ্টা কৰাটো বেয়া নহয়। চেষ্টা কৰি থাকক, কিন্তু সেইখিনিলৈ যাওতে নিজৰ ভেটিটো চাব লাগে। আছে না নাই। হাগ্ৰামাই আকাশত চাং পাতিছে। সপোন দেখাটো বেয়া হয়। কিন্তু হাগ্ৰামাৰ সপোন কাৰ্যকৰী নহয়। সংবাদ মাধ্যমত এই সন্দৰ্ভত আগতীয়াকৈ বহু বেছি চৰ্চা হৈছে। হাগ্ৰামাৰ অংক মই অলপ অলপ বুজি পাওঁ। কিন্তু সাংসদ নৱ কুমাৰ শৰণীয়াৰ অংক বুজি নাপাঁও। সাংসদ শৰণীয়াই হাগ্ৰামাৰ লগত ২৭ জন বিটিচিৰ পাৰিষদ থকা বুলি কৰা মন্তব্যটো অযুক্তিকৰ বুলি কয়।



## আজিৰে পৰা হোজাইত দুদিনীয়াকৈ ৰঙালী বিহু

অগ্ৰদূত বাৰ্তা

**হোজাই, ১২ মে' ঃ** অহা ১৩ আৰু ১৪মে'ত কাৰ্যসূচীৰে হোজাই বিষ্ণুপল্লীৰ গান্ধী বিদ্যাপীঠ প্ৰাংগণত ৰঙালী বিহু সন্মিলন, হোজায়ে দ্বাবিংশতিতম বৰ্ষৰ ৰঙালী উৎসৱৰ আয়োজন কৰিছে। সন্মিলনৰ কাৰ্যসূচী অনুসৰি কাইলৈ পতাকা উত্তোলন, সাংস্কৃতিক শোভাযাত্ৰা, খেল-ধেমালি প্ৰতিযোগিতা, কুইজ আৰু সন্ধিয়া বিহু নাচ, স্থানীয় আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান। দ্বিতীয় দিনা খেল-ধেমালি, আবৃত্তি, আকস্মিক বক্তৃতা আৰু ভেশচন প্ৰতিযোগিতাৰ অন্তত বঁটা বিতৰণী আৰু বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানত সংগীত শিল্পী জুবলী বৰুৱাৰ উপৰি ব'হাগী জনগোষ্ঠীৰ নৃত্যানুষ্ঠানৰ লগতে হাচনা মানা হে নামৰ কৌতুক গোষ্ঠীৰ অনুষ্ঠান পৰিৱেশন কৰিব। এই বিহু সন্মিলনীয়ে বিগত বৰ্ষৰ দৰে এই বৰ্ষটো ড° ধৰণী লাহন আৰু ৰঞ্জন বৰা সম্পাদিত ৰঙালী নামৰ স্মৃতিগ্ৰন্থ এখন প্ৰকাশৰ দিহা কৰিছে। কিছুদিন পূৰ্বে এই সন্মিলনীয়ে এই বৰ্ষৰ বাবে ড° দিবাকৰ গোস্বামীক মুখ্য সভাপতি, ড° চাইদুল ইছলাম, তপন কৰক কাৰ্যকৰী সভাপতি আৰু পিণ্টু দেৱক সাধাৰণ সম্পাদকৰূপে লৈ ১১৬ জনীয়া উদ্‌যাপন সমিতি গঠন হৈছিল।

## ফৰকাটিঙৰ উলুতলি নামঘৰত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১২ মে' ঃ** গোলঘাট জিলা ফৰকাটিঙৰ উলুতলি শ্ৰীশ্ৰী ৰাম-কৃষ্ণ নামঘৰতে সোণালী জয়ন্তী বৰ্ষ অহা ২১ মে'ত উদ্‌যাপনৰ প্ৰস্তুতি চলোৱাৰ হৈছে। সেই উপলক্ষে যোগেন দত্তক সভাপতি, ভূপেন দত্তক সম্পাদক, পৰশ দত্তক সাংস্কৃতিক সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হৈছে। প্ৰস্তাৱিত কাৰ্যসূচী অনুসৰি, পুৱা প্ৰসংগৰ পাছতে ধৰ্মধ্বজা উত্তোলন কৰিব শ্ৰীশ্ৰী উলুতলি সত্ৰৰ সত্ৰাধিকাৰ দিলীপ মহন্তই। স্মৃতিসৌধ উন্মোচন কৰিব শ্ৰীশ্ৰী ঔগুৰি সত্ৰৰ সত্ৰাধিকাৰ পূৰ্ণকান্ত মহন্তই। স্মৃতি তৰ্পণত অংশগ্ৰহণ কৰিব ধৰ্মপ্ৰাণ ব্যক্তি তোযেশ্বৰ দত্তই। নাম-প্ৰসংগ-কীৰ্তন পাঠ ৰূপায়ণ কৰিব যোৰহাটৰ শ্ৰীশ্ৰী ৰতনপুৰ বৰকলীয়া সত্ৰৰ ডেকা সত্ৰাধিকাৰ আনন্দ গোস্বামী আৰু ঘিলাধাৰীৰ পাঠাচাৰ্য বুধেন বৰুৱাই। বিয়লি ভাগত 'বৰ্তমান সময়ত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা' শীৰ্ষক ধৰ্মালোচনী সভাত সভাপতিত্ব কৰিব যোগেন দত্তই। ফৰকাটিং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ চন্দন হাজৰিকাই উদ্বোধন কৰিবলগীয়া সভাত নিৰ্দিষ্ট বক্তা হিচাপে ৰজত কাকতি, বিশিষ্ট অতিথি হিচাপে অজন্তা নেওগ উপস্থিত থাকিব। সন্ধিয়ালৈ স্থানীয় অঞ্চলৰ কণ কণ শিশুসকলৰ দ্বাৰা 'একলব্যৰ গুৰু দক্ষিণা' নাট প্ৰদৰ্শন কৰা হ'ব।

# মূল্যবৃদ্ধিৰ ক্ষোভত জ্বলিছে শুৱালকুছিৰ শিপিনী

### ■ পৰিয়ালৰ বস্ত্ৰৰ বাবে শ'লঠেকত পৰিছে শিপিনী

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১২ মে' ঃ** বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ দ্বিতীয় কাৰ্যকালৰ প্ৰথম বৰ্ষপূৰ্তি ৰাজ্য চৰকাৰে অতি ধামখুমীয়াকৈ উদ্‌যাপন কৰিলে। ইপিনে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিত সাধাৰণ লোকে জ্বলাকলা দেখিছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিৰ শুৱালকুছিৰ ঐতিহাসিক বস্ত্ৰ উদ্যোগৰ শ্মশান যাত্ৰাই শিপিনীসকলৰ জীৱন-জীৱিকাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। কেৱল শুৱালকুছিৰ বস্ত্ৰ শিল্পই নহয় অসমৰ যিমানবোৰ কুটীৰ শিল্প আছে সকলোবোৰৰ শ্মশান যাত্ৰা আৰম্ভ হৈছে। ইয়াৰ মূলতে একমাত্ৰ ৰাজ্য চৰকাৰ দায়ী বুলি অভিযোগ উঠিছে। এই সম্পৰ্কে অসম সত্ৰ মহাসভাৰ উপ-সভাপতি তথা জ্যেষ্ঠ সাংবাদিক পংকজ লোচন বৈশ্যই কয় যে অসমৰ খিলঞ্জীয়াসকলৰ সুৰক্ষা জাতি-মাটিৰ সুৰক্ষা, কৃষ্টি-সংস্কৃতিৰ সুৰক্ষাৰ দোহাই দি বিজেপি চৰকাৰে ৰাজগাদী দখল কৰিছিল। বিপৰীতে সুদীৰ্ঘ ছয় বছৰ কাল শাসন কৰাৰ পাছতো অসমৰ প্ৰকৃত উন্নয়ন দেখা পোৱা নাযায়। ৰাস্তাঘাটৰ উন্নয়নকে ৰাজ্যৰ উন্নয়ন নুবুজায়। বিশেষকৈ জালুকবাৰী সমষ্টিৰ বিধায়কজন মুখ্যমন্ত্ৰী হোৱাৰ পাছৰে পৰা তেওঁৰেই সমষ্টিৰ ঐতিহাসিক বস্ত্ৰ উদ্যোগত সংকটে দেখা দিছে। কেঁচা মালৰ হঠাৎ মূল্যবৃদ্ধিয়ে শিপিনীসকলক ত্ৰাহি মধুসূদন দেখুৱাইছে। কালি বিজেপি চৰকাৰৰ দিনত শুৱালকুছি শিপিনীসকল অসুৰক্ষিত বুলি তেওঁ কয়। এই সময়ত বৰ্ষপূৰ্তিৰ অৰ্থ 'হাল মাৰি শিয়াল খেদাৰ লেখীয়াহে' বুলি কয়। আনফালে, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক দীপাংকৰ শৰ্মাৰ ভাষ্য মতে, শুৱালকুছিৰ বস্ত্ৰৰ লগতে অসমৰ জনগোষ্ঠীয় জাতিৰ স্বকীয় বস্ত্ৰ আৰু অসমৰ বাহিৰত পাৱাৰলুম নিৰ্মিত বস্ত্ৰ উপলব্ধ। অতি কম মূল্যত পোৱা পাৱাৰলুমৰ বস্ত্ৰই গ্ৰাহকক আকৰ্ষণ কৰা বাবে থলুৱা শিপিনীসকল শলঠেকত পৰিছে। আনকি ব'হাগ বিহুত চৰকাৰৰ চকুৰ সন্মুখত অসমৰ বাহিৰত পাৱাৰলুমত নিৰ্মাণ কৰা গামোচা উভৈনদী হৈ পৰিছে। এই ক্ষেত্ৰত হস্ততাঁত বস্ত্ৰ শিল্প বিভাগ আৰু প্ৰশাসনে বিষয়টোত হস্তক্ষেপ কৰিলে থলুৱাভাৱে হস্ততাঁত গামোচা নিৰ্মাণ কৰা শিপিনীসকল উপকৃত হোৱাৰ থল আছিল। একেদৰে বিগত ছমাহৰ ভিতৰত শুৱালকুছিৰ উদ্যোগত প্ৰয়োজনীয় পাটসুতাৰ ৪০ৰ পৰা ৫০ শতাংশলৈ দাম বঢ়াত বহু তাঁতশালৰ গৰকা মাটিত পৰিল। ৰাজ্য চৰকাৰে পাৱাৰলুমত নিৰ্মিত থলুৱা বস্ত্ৰৰ আমদানিত নাকী লগালে আৰু পাটসূতাৰ হঠাৎ মূল্যবৃদ্ধিৰ ক্ষেত্ৰ অধ্যয়নৰে শিপিনীসকলক সকাহ দিলে বৰ্ষপূৰ্তিৰ আনন্দ লাভ হ'ব বুলি মন্তব্য কৰে। আনহাতে, মুখ্যমন্ত্ৰীয়ে বৰ্ষপূৰ্তিৰ চমক সৃষ্টি কৰাতকৈ শুৱালকুছিৰ উদ্যোগলৈ মনোনিৱেশ কৰিবলৈ শুৱালকুছিয়া শিপিনীসকলে একেমুখে আহ্বান জনায়।

### ইউপিপিএল গ'বেক, দাউবাইছা বড়ো মুৰ্দাবাদ ধ্বনিৰে উত্তাল ভেৰগাঁও উন্নয়ন খণ্ডৰ কাৰ্যালয়

# এএছআৰএলএমৰ বিষয়াক মাৰধৰ কৰাক লৈ উত্তপ্ত ভেৰগাঁও

অগ্ৰদূত বাৰ্তা

**টংলা, ১২ মে' ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও খণ্ড উন্নয়ন কাৰ্যালয়ৰ কাষতে থকা ৰাজ্যিক গ্ৰামীণ জীৱিকা কাৰ্যালয়ৰ চৌহদে এএছআৰএলএমৰ কাৰ্যালয়ৰ বিষয়া তথা কৰ্মচাৰীক ইউপিপিএলৰ নেতাই মাৰধৰ কৰা ঘটনাক লৈ আজি উত্তপ্ত হৈ পৰে ভেৰগাঁও খণ্ড উন্নয়ন কাৰ্যালয়। উল্লেখ কৰা মতে, অলপতে ৰাজ্যিক গ্ৰামীণ জীৱিকা কাৰ্যালয়ত জীৱিকা সখী আৰু কৃষি সখীৰ নিযুক্তিৰ বাবে এক সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল। উক্ত সাক্ষাৎকাৰত উত্তীৰ্ণ হৈ নিযুক্তি লাভ কৰিছিল কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন প্ৰান্তৰ উপযুক্ত মহিলাই। এই নিযুক্তি অসন্তুষ্টি প্ৰকাশ কৰি ইউপিপিএলৰ তিনিজন অধ্যক্ষই কে'বাজনো কৰ্মীক লগত লৈ কাৰ্যালয়ত উপস্থিত হৈ এই নিযুক্তি স্থগিত ৰখাৰ সকীয়নি দিয়াৰ লগতে কাৰ্যালয়ৰ বিষয়াক মাৰধৰ আৰু মহিলা কৰ্মচাৰীক দুৰ্ব্যৱহাৰ কৰে। তদুপৰি কাৰ্যালয়ৰ সকলো কৰ্মচাৰীক ইউপিপিএলৰ হৈ কাম কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ইউপিপিএলৰ হৈ কাম নকৰিলে চাকৰিৰ পৰা অব্যাহতি ল'বলৈ সকীয়নি দিয়ে। স্বয়ং ভেৰগাঁও পৰিষদীয় সমষ্টিৰ পাৰিষদ দাউবাইছা বড়োৱে তেওঁলোকক এনে নিৰ্দেশ দিবলৈ উল্লেখ কৰা বুলি ইউপিপিএলৰ অধ্যক্ষই বিষয়া-কৰ্মচাৰীক জনায়। আজি এই



কাৰ্যত ক্ষুব্ধ হৈ ভেৰগাঁও খণ্ড উন্নয়ন কাৰ্যালয়ত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে কৃষি সখী আৰু জীৱিকা সখীৰ শতাধিক মহিলাই। তেওঁলোকে এক প্ৰতিবাদী সভা অনুষ্ঠিত কৰি এই ঘটনাৰ লগত জড়িত ইউপিপিএল দলৰ অধ্যক্ষৰ উচিত শাস্তিৰ দাবী জনোৱাৰ লগতে 'কাৰ্যালয়ত গুণ্ডাগিৰি নচলিব, 'ইউপিপিএল গ'বেক, ইউপিপিএল মুৰ্দাবাদ, দাউবাইছা বড়ো মুৰ্দাবাদ' আদি শ্ল'গান দিয়ে। উল্লেখ্য যে খণ্ড উন্নয়ন কাৰ্যালয় হওক অথবা অন্য কাৰ্যালয় একাংশ ইউপিপিএলৰ নেতাই বিষয়া-কৰ্মচাৰীক ডাবি-ধমকি, গালি-গালাজ কৰা ঘটনা এতিয়া নৈমিত্তিক হৈ পৰিছে।

## মৰিগাঁও গ্ৰাম্য পুথিভঁৰাললৈ দিলীপ বৰ্মনৰ গ্ৰন্থ প্ৰদান



**নলবাৰী, ১৮ মে' ঃ** গ্ৰন্থ অধ্যয়নৰ সংস্কৃতি গঢ়ি তোলাৰ পৰিপ্ৰেক্ষিতত সাংবাদিক দিলীপ বৰ্মনে তেওঁৰ স্বৰচিত গ্ৰন্থ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তি বিশেষৰ লগতে কেইবাটাও পুথিভঁৰাললৈ প্ৰদান কৰি আহিছে। আঠ মে'ৰ দিনা মৰিগাঁও জিলা গ্ৰাম্য পুথিভঁৰালত সাংস্কৃতিক মহাসভা অসমৰ চতুৰ্থ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। সেই সূত্ৰে সাংস্কৃতিক মহাসভা অসমৰ গুৱাহাটী মণ্ডলৰ মাণ্ডলিক সম্পাদক দিলীপ বৰ্মন উপস্থিত হয়। কাৰ্যনিৰ্বাহক সভাৰ শেষত বৰ্মনে তেওঁৰ স্বৰচিত গল্প সংকলন, জীৱনী গ্ৰন্থ আদিকে ধৰি কে'বাখনো গ্ৰন্থ উক্ত পুথিভঁৰাললৈ প্ৰদান কৰে। বৰ্মনে তেওঁৰ গ্ৰন্থসমূহ মৰিগাঁও গ্ৰাম্য পুথিভঁৰালৰ সভাপতি তথা মৰিগাঁও জিলা সাহিত্য সভা আৰু সাংস্কৃতিক মহাসভা মৰিগাঁও জিলাৰ সভাপতি প্ৰভাত হাজৰিকাৰ হাতত অৰ্পণ কৰে। গ্ৰন্থ প্ৰদান কাৰ্যসূচীত উপস্থিত থাকে সাংস্কৃতিক মহাসভা অসমৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মা, সম্পাদক প্ৰদীপ কুমাৰ বৰাসহ আৰু বহুকেইজন গণ্য- মান্য ব্যক্তি।

## চাপৰত শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতিক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ১২ মে' ঃ** 'ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক মানসিক বিকাশ ঘটাবলৈ হ'লে শিক্ষক, অভিভাৱক আৰু ৰাইজৰ সমূহীয়া ঐকান্তিক প্ৰচেষ্টা অত্যন্ত প্ৰয়োজন। কেৱল শিক্ষকৰ ওপৰতে দায়িত্ব এৰি দিলে অথবা কেৱল অভিভাৱকৰ ওপৰতে শিশুৰ শিক্ষাৰ দায়িত্ব এৰি দিলে কেতিয়াও ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক তথা মানসিক বিকাশ সাধন হ'ব নোৱাৰে। লগতে শিশুৰ বলপূৰ্বক শিক্ষাদান কৰিব খুজিলেও ফলৱতী হ'ব নোৱাৰি। শিশুক কোনো নিৰ্দিষ্ট বিষয়ৰ প্ৰতি আমি আকৰ্ষিত কৰি আগ্ৰহ জন্মাব পাৰিলেহে বিষয়টোৰ সম্যক জ্ঞান দিবলৈ সক্ষম হ'ব পাৰিম।' যোৱা ১১ মে'ত চাপৰৰ ১১৫১ নম্বৰ চাপৰ নিম্ন বুনিয়াদী বিদ্যালয়ত চাপৰ শালকোচা শিক্ষা খণ্ডৰ বাছনিকৃত শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতিৰ সম্বৰ্ধনা ১৩ পৃষ্ঠাত চাওক

## সতী ৰাধিকা দিৱস উপলক্ষে দিহানাম প্ৰতিযোগিতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১২ মে' ঃ** যোৰহাট জিলাৰ বিজেপি অনুসূচিত জাতি মৰ্চাৰ বাঘচোং গ্ৰাম্য মণ্ডলৰ উদ্যোগত আৰু যোৰহাট নগৰ মণ্ডল আৰু কছাৰীপৰীয়া শিল্পী সমাজৰ সহযোগত অহা ১৬ আৰু ১৭ মে'ৰ পৰা কছাৰীপৰীয়া নামঘৰৰ প্ৰাংগণত সতী শান্তি ৰাধিকা দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে প্ৰথম দিনা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পাছতে দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত সৰুমাই গগৈ আৰু ৰূপম কুৰ্মী সোঁৱৰণী দিহানাম প্ৰতিযোগিতা, দিনৰ ২-৩০ বজাৰ পৰা সাম্প্ৰতিক কালত সতী ৰাধিকাৰ প্ৰাসংগিকতা শীৰ্ষক ধৰ্মালোচনী সভাৰ আয়োজন কৰা হৈছে। উক্ত সভাত জে বি কলেজৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° জ্যোতিৰেখা হাজৰিকা, ১৩ পৃষ্ঠাত চাওক

## মাৰ্ঘেৰিটা ব্যৱসায়ী সন্থাৰ উদ্যোগত ব'হাগী উৎসৱ

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ১২ মে' ঃ** প্ৰায় দুটা বছৰৰ বিৰতিৰ পাছত কালিৰ পৰা আৰম্ভ হৈছে মাৰ্ঘেৰিটা ব্যৱসায়ী সন্থাৰ সৌজন্যত ব'হাগী উৎসৱ। মাৰ্ঘেৰিটা টাউন হাইস্কুলৰ খেলপথাৰৰ প্ৰয়াত বিনু চেতিয়া সোঁৱৰণী মঞ্চত অনুষ্ঠিত বিহুৰ প্ৰথম কাৰ্যসূচী অনুসৰি পতাকা উত্তোলনৰ পাছতে অনুষ্ঠিত হয় ছহিদ তৰ্পণ কাৰ্যসূচী। উল্লেখ্য যে ব'হাগী উৎসৱৰ লগত সংগতি ৰাখি হিলভিউস্থিত নৱনিৰ্মিত ইক'পাৰ্কৰ সন্মুখত সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মাৰ ব্যক্তিগত পুঁজিৰে নিৰ্মিত প্ৰায় ন লাখ টকা ব্যয় সাপেক্ষে স্বৰ্গদেউ ছ্যুকাফাৰ এটা পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন কৰে। ছ্যুকাফাৰ প্ৰতিমূৰ্তি উন্মোচন কৰি বিধায়ক শৰ্মাই তাই আহোম যুৱ পৰিষদৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই কালি এই প্ৰতিমূৰ্তি স্থাপন কৰোৱাৰ কথা উল্লেখ কৰে। এই ১৩ পৃষ্ঠাত চাওক

## বোকাখাতত কেন্দ্ৰীয় বসন্ত উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ১২ মে' ঃ** অহা ১৮ আৰু ১৯ মে'ৰ পৰা অনুষ্ঠিত হ'ব বোকাখাত কেন্দ্ৰীয় বসন্ত উৎসৱ। ক'ভিড সৃষ্ট পৰিৱেশৰ বাবে যোৱা দুটা বছৰ কেন্দ্ৰীয় বসন্ত উৎসৱ উদ্‌যাপন সমিতিয়ে বিহু উদযাপন কৰিব পৰা নাছিল। কিন্তু ক'ভিডৰ পৰা ৰাজ্যখন মুক্ত হোৱাৰ পাছত এইবাৰ ন-উদ্যমেৰে সাজু হৈছে বোকাখাত কেন্দ্ৰীয় বসন্ত উৎসৱ উদ্‌যাপন সমিতি। বোকাখাত সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাক সভাপতি আৰু উত্তম শইকীয়া, ৰিদীপ ভূষণ নাথ আৰু ৰাজীৱ বৰাক সম্পাদক হিচাপে লৈ বসন্ত উৎসৱ উদযাপনৰ ববে প্ৰস্তুতি চলোৱা হৈছে। কাৰ্যসূচী অনুযায়ী, প্ৰথম দিনা পুৱা আঠ বজাত পতাকা উত্তোলন, ৮.৩০ বজাত স্মৃতি তৰ্পণ, ন বজাত সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানত বোকাখাত মহকুমাৰ অন্তৰ্গত ১৫০ গৰাকী প্ৰাক্তন বিহুৱা-বিহুৱতীসকলক মন্ত্ৰী বৰাই ১৩ পৃষ্ঠাত চাওক

## ফৰকাটিং মহাবিদ্যালয়ৰ অধ্যক্ষক মইনা পাৰিজাতৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১২ মে' ঃ** গোলাঘাট জিলাৰ ফৰকাটিং মহাবিদ্যালয়ে জাতীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদ অৰ্থাৎ 'নাক'ৰ মূল্যায়ন পৰিক্ৰমাত ৪০০ পৰিপূৰ্ণ নম্বৰৰ ভিতৰত ৩৩৬ লাভ কৰি এ+ অৰ্জন কৰাৰ লগতে চতুৰ্থ পৰিক্ৰমা অতিক্ৰম কৰা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অপূৰ্ব শইকীয়াক মইনা পাৰিজাতৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰা হয়। গোলাঘাট জিলা মইনা পাৰিজাতৰ সভাপতি যোগেন দত্তৰ সভাপতিত্বত অনুষ্ঠিত এক অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে সদৌ অসম মইনা পাৰিজাতৰ সম্পাদক বীৰেণ কলিতা, সাংগঠনিক সম্পাদক পিংকু শইকীয়া, সদস্য দুগ্ধ দত্ত, জিলা মইনা পাৰিজাতৰ সভাপতি যোগেন দত্ত, সম্পাদক চিৰণকুমাৰ বৰা, দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাতৰ মহীয়সী দেৱজ্যোতি হাজৰিকা, সভাপতি নৰেন শইকীয়া, সম্পাদক খগেন বৰা, আজীৱন সদস্য ড° যতীন নাথ আদি উপস্থিত থাকে।

## পৌৰ সমস্যা সমাধানৰ দাবীত অগপৰ স্মাৰকপত্ৰ প্ৰদান

**তিতাবৰ, ১২ মে' ঃ** বিভিন্ন জ্বলন্ত সমস্যাৰে ভাৰাক্ৰান্ত তিতাবৰ পৌৰবাসীৰ সমস্যাসমূহ প্ৰণালীৱদ্ধভাৱে আৰু বিজ্ঞানসন্মত পদ্ধতিৰে ক্ষিপ্ৰতাৰে সমাধানৰ দাবী জনাইছে অগপৰ তিতাবৰ পৌৰসভা পৰিষদে। দলটোৰ পৌৰসভা পৰিষদে তিতাবৰ পৌৰসভাৰ নৱনিৰ্বাচিত সমিতিখনক আজি এখন স্মাৰকপত্ৰ প্ৰদান কৰি পৌৰ নাগৰিকৰ স্বাৰ্থত বিলম্ব নকৰাকৈ সমস্যাসমূহৰ সমাধানৰ পৰিকল্পনা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। এক বিবৃতিত অগপৰ তিতাবৰ পৌৰ পৰিষদৰ সভাপতি যদু দত্ত আৰু সম্পাদক টংকেশ্বৰ দাসে কে'বাটাও গুৰুত্বপূৰ্ণ সমস্যাৰ কথা লিপিৱদ্ধ কৰি উল্লেখ কৰে যে ব্ৰিটিছ চৰকাৰৰ আমোলতে প্ৰতিষ্ঠা কৰা তিতাবৰ চাৰিআলিৰ সাপ্তাহিক বজাৰখনৰ আজিও উন্নতি নহ'ল। উক্ত বজাৰগৃহসমূহ জহি-খহি উঁৱলি গৈছে যদিও তাক নতুনকৈ নিৰ্মাণ কৰি সজাই-পৰাই তোলাৰ ক্ষেত্ৰত ১৩ পৃষ্ঠাত চাওক

## যোগ সজাগতা অভিযান তেজপুৰত

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১২ মে' ঃ** অহা ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে তেজপুৰ বিবেকানন্দ যোগ নিকেতনে প্ৰতি সপ্তাহৰ শনি আৰু দেওবাৰে তেজপুৰ চহৰৰ বিভিন্ন অঞ্চলত যোগৰ সজাগতা অভিযান আৰম্ভ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই অভিযানৰ জৰিয়তে যোগৰ প্ৰসাৰ আৰু প্ৰচাৰ কৰি ৰাইজ উপকৃত হোৱাকৈ ১৪ মে'ত হজৰাপাৰ খেলপথাৰ আৰু ১৫ মে'ত পল'ফিল্ড খেলপথাৰত পুৱা ছয় বজাৰ পৰা সাত বজালৈ যোগচৰ্চা কৰা হ'ব। উল্লেখ্য যে ব্যক্তিক একত্ৰিত কৰা, সমাজত বিশৃংখলতা দূৰ কৰা, সুস্থ মন আৰু সুস্বাস্থ্যৰ জীৱন শৈলীৰ গঢ় দিয়া, মানসিক চাপমুক্ত জীৱন যাপন কৰা, ব্যক্তি তথা সমাজক শিক্ষাৰে শিক্ষিত কৰাৰ উদ্দেশ্যৰে আয়োজন কৰা এই কাৰ্যসূচীসমূহৰ বাবে যোগ প্ৰশিক্ষক অমৰজ্যোতি বৰাই ৰাইজৰ সহায়-সহযোগিতাৰ আহ্বান জনাইছে।

## ড° প্ৰভাত গোস্বামীৰ স্মাৰকগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১২ মে' ঃ** কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট গৱেষক প্ৰয়াত প্ৰবাত গোস্বামীৰ সোঁৱৰণত এখন গ্ৰন্থ প্ৰকাশকৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। ড° গোস্বামীৰ চলিত যোৱা জানুৱাৰীত মৃত্যু হৈছিল। তেওঁৰ আদৰ্শ নতুন প্ৰজন্মৰ মাজলৈ কঢ়িয়াই অনাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে কাকজান মহাবিদ্যালয়ৰ লগতে স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলৰ উপস্থিতিত আজি কাকজান মহাবিদ্যালয়ত অসম চৰকাৰৰ ১৩ পৃষ্ঠাত চাওক

## দামৰা ৰঙালী বিহু সন্মিলনৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ১২ মে' ঃ** গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী দামৰাত অহা ১৪ আৰু ১৫ মে'ত বৰ্ণাঢ্য কাৰ্যসূচীৰে দামৰা ৰঙালী বিহু সন্মিলনৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ ব্যাপক আয়োজন চলিছে। ৰঙালী বিহুৰ কাৰ্যসূচী অনুসৰি, ১৪ মে'ৰ পুৱা বিহুৰ পতাকা উত্তোলন কৰিব বিহু উদ্‌যাপন সমিতিৰ সভাপতি জীৱন চন্দ্ৰ ৰাভাই। স্মৃতি তৰ্পণ কৰিব বিহু উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি হাচিম আহমেদে। ইয়াৰ পাছতে দামৰা ১৩ পৃষ্ঠাত চাওক

## সমাজকৰ্মী-দাতা শিৱ প্ৰসাদ বৰুৱাক অভিনন্দন

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১২ মে' ঃ** যোৰহাটৰ বিশিষ্ট সমাজকৰ্মী, পতিয়াফকলাস্থ অখিল ভাৰতীয় বৃদ্ধজন সেৱা শ্ৰম 'অমৰাৱতী' ভূমি দাতা তথা পৰিচালক আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ধৰ্মীয় বৈপ্লৱিক সামাজিক, সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট তৰাজান গায়ন গাঁৱত আঢ়ৈ কঠা ভূমিসহ ৭০ ফুট×৫০ ফুট আকাৰৰ তিনিমহলীয়া ১৩ পৃষ্ঠাত চাওক

### পূৱ যোৰহাট শিক্ষাখণ্ডত দুবছৰে এজনীয়া শিক্ষকৰে চলিছে বিদ্যালয়

## গুণোৎসৱক লৈ থৰকাছুটি হেৰুৱাইছে এজনীয়া শিক্ষকৰ বিদ্যালয়ত

**চেলেংহাট, ১২ মে' ঃ** শিক্ষাৰ্থীৰ ভৱিষ্যৎ নিৰ্মাণৰ স্বাৰ্থত বিদ্যালয়ৰ শিক্ষাৰ পৰিৱেশ উন্নত কৰিবলৈ অনুষ্ঠিত কৰা গুণোৎসৱক লৈ বিপাঙত পৰিছে মৰিয়নি সমষ্টিৰ পূব যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত একাংশ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। যি সময়ত শিক্ষা বিভাগটোৱে শৈক্ষিক উত্তৰণৰ ঢাক ঢোল বজাই আহিছে, তেনে সময়তে শিক্ষা বিভাগৰ স্বৰূপ উদঙাই পূব যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত ১৬ খনকৈ প্ৰাথমিক বিদ্যালয় চলি আহিছে এজনীয়া শিক্ষকৰে। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে এজন শিক্ষকে কেনেদৰে পাঠদান কৰিব লগা হয় সেয়া সহজে অনুমেয়। আনকি পূব যোৰহাট শিক্ষাখণ্ডৰ বহু শিক্ষকবিহীন বিদ্যালয়ত অইন বিদ্যালয়ৰ পৰা ধাৰ কৰা শিক্ষকৰে জোৰা-টাপলি মাৰি গুণোৎসৱ পালন কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে, কেৱল শিক্ষকবিহীন বিদ্যালয়ে নহয়, প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱত বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে বহু বিদ্যালয়। উল্লেখ্য যে চেলেং চাহ বাগিচাৰ এজনীয়া শিক্ষকৰে চলি থকা জুৰীয়া পুখুৰী প্ৰাথমিক বিদ্যালয়ত পৰ্যাপ্ত শ্ৰেণীকোঠাৰ অভাৱত বাগিচাৰ এটা জৰাজীৰ্ণ আৱাসত ছাত্ৰ-ছাত্ৰীক শিক্ষকে পাঠদান কৰিব লগা হয়। বিদ্যালয়খনৰ ৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক এজন শিক্ষকে পাঠদান কৰিব লগা হয়। উল্লেখ্য যে দুবছৰ ধৰি এজন শিক্ষকৰে চলি আছে বিদ্যালয়খন। একে পূব যোৰহাট শিক্ষাখণ্ডৰ গন্ধিয়া প্ৰাথমিক বিদ্যালয়, পুথিনদী প্ৰাথমিক বিদ্যালয়, মিলগাঁও প্ৰাথমিক বিদ্যালয়, গাখীৰখোৱা প্ৰাথমিক বিদ্যালয়, লাহিং প্ৰাথমিক বিদ্যালয়, মাছখোৱা দৰিকনা প্ৰাথমিক বিদ্যালয়, লাওজান প্ৰাথমিক বিদ্যালয়, গড়কোষ প্ৰাথমিক বিদ্যালয়, উজনি ৰজাবাৰী বিদ্যালয়, চটাই বাগান প্ৰাথমিক বিদ্যালয়, গাভৰু গ্ৰাণ্ট বিদ্যালয়, পুৰণি লুনপুৰীয়া বিদ্যালয়, বকুলগুৰি বিদ্যালয়, ৰজাবাৰী বিদ্যালয়, চটমল প্ৰেমচোক আগৰাৱা প্ৰাথমিক বিদ্যালয়ত বছৰ বছৰ ধৰি চলি আহিছে এজনীয়া শিক্ষকৰে। এনেধৰণৰ ধাৰ কৰা এজনিয়া শিক্ষকৰে চলি থকা বিদ্যালয়সমূহত ধুম-ধামৰে চাৰিদিনীয়াকৈ গুণোৎসৱৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক কিমান উপকৃত কৰিব তাক লৈ ৰাইজৰ মাজত চৰ্চা হৈছে। ইফালে, এজনীয়া শিক্ষকৰে চলি থকা বিদ্যালয়সমূহত শিক্ষা বিভাগে কোনো স্থায়ী ১৩ পৃষ্ঠাত চাওক

## বাপুজীনগৰ ৰূপজ্যোতি সংঘৰ সৌজন্যত পঞ্চম বাৰ্ষিক ব'হাগী উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ মে' ঃ** গোৱালপাৰা চহৰৰ বাপুজীনগৰ সমন্বয় ক্ষেত্ৰত অহা ১৩ মে'ত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ব'হাগী উৎসৱৰ আয়োজন কৰা হৈছে। ৰূপজ্যোতি সংঘৰ সৌজন্যত অনুষ্ঠিত হ'বলগীয়া পঞ্চম বাৰ্ষিক ব'হাগী উৎসৱৰ কাৰ্যসূচী অনুসৰি, পুৱা বয়োজ্যেষ্ঠ পুৰুষ-মহিলাৰ মাজত খোজকঢ়া প্ৰতিযোগিতা, বিহু পতাকা আৰু ৰূপজ্যোতি সংঘৰ পতাকা উত্তোলন কৰা হ'ব। পাছত ছহিদ তৰ্পণ আৰু বৃক্ষৰোপণৰ পাছত বিভিন্ন ধৰণৰ খেল-ধেমালি যেনে চকুত কাপোৰ বান্ধি হাঁৰি ভঙা, মিউজিক চেয়াৰ, উঠা-বহা, স্মৃতি পৰীক্ষা, কুকুৰা যুঁজ, বেজীত সূতা ভৰোৱা, চামুচত মাৰ্বল লৈ দৌৰ, বাহিৰ-ভিতৰ, ৰছী টনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সভাৰ অন্তত বিয়লি প্ৰশ্নবান প্ৰতিযোগিতা, ছদ্মবেশ প্ৰতিযোগিতাৰ পাছত ১৩ পৃষ্ঠাত চাওক

## নকাৰী গাঁৱৰ দুই নম্বৰ অংগনৱাড়ী কেন্দ্ৰত চুৰি

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ১২ মে' ঃ** টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত নকাৰী গাঁৱৰ দুই নম্বৰ অংগনৱাড়ী কেন্দ্ৰত যোৱা নিশা দুষ্কৃতিকাৰীয়ে চুৰি কাৰ্য সংঘটিত কৰে। অংগনৱাড়ী কেন্দ্ৰটোৰ দুৱাৰ ভাঙি প্ৰৱেশ কৰি চোৰে কেন্দ্ৰটোত মজুত থকা শিশুখাদ্য, ৰন্ধন গেছ, ষ্টোভ, বাচন-বৰ্তন আদি চুৰি কৰাৰ লগতে কিতাপ-পত্ৰ নষ্ট কৰে। কেন্দ্ৰটোৰ কৰ্মী লীনা গগৈ আৰু সহায়িকা নিৰুমাই হাজৰিকাই পুৱা কেন্দ্ৰটো খুলিবলৈ আহি চুৰি কাৰ্য প্ৰত্যক্ষ কৰি স্থানীয় গাঁওবুঢ়া আৰু পঞ্চায়ত প্ৰতিনিধিক খবৰ দিয়ে। পাছত টেঙাখাত আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰা হয়।

## ওদালগুৰিত আদৰ্শ পঢ়াশালি আঁচনিৰ অন্তৰ্গত পুথিভঁৰাল উন্মোচন



বিশেষ সংবাদদাতা

**ওদালগুৰি, ১২ মে' ঃ** পিৰামল ফাউণ্ডেছনৰ উদ্যোগত আৰু ওদালগুৰি জিলা প্ৰশাসনৰ সহযোগত আজি 'আমাৰ আদৰ্শ পঢ়াশালি' প্ৰকল্পৰ অন্তৰ্গত ওদালগুৰি খণ্ডৰ অন্তৰ্গত দুখনকৈ বিদ্যালয় ক্ৰমে গোলমাগাঁও উচ্চ মাধ্যমিক বিদ্যালয় আৰু নলখামৰা উচ্চ মাধ্যমিক বিদ্যালয়ত আদৰ্শৰ প্ৰাতঃসভা আৰু পুথিভঁৰাল উদ্বোধন কৰা হয়। উক্ত কাৰ্যসূচী ৰূপায়ণ কৰে ক্ৰমে ওদালগুৰিৰ অতিৰিক্ত উপায়ুক্ত ৰক্তিম বৰগোহাঁই আৰু সহকাৰী আয়ুক্ত নিলাক্ষী বৈশ্যই। বিদ্যালয় দুয়োখনৰ প্ৰধান শিক্ষক আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগিতাত পিৰামল ফাউণ্ডেছনৰ প্ৰ'গ্ৰাম লিডাৰ সুপ্ৰিয়া কাকতিৰ নেতৃত্বত গান্ধী ফেল' আৰাধনা শইকীয়া আৰু ৰিতু মণি বড়োৱে কৰি অহা প্ৰচেষ্টাৰ অন্তত এই কাৰ্যসূচী সম্পন্ন কৰা হয়। আগন্তুক দিনত এই প্ৰকল্পৰ অন্তৰ্গত শিক্ষা খণ্ডৰ অন্তৰ্গত আন আন বিদ্যালয়সমূহতো ৰূপায়ণ কৰিবৰ বাবে প্ৰচেষ্টা কৰা হ'ব বুলি পিৰামল ফাউণ্ডেছনৰ বিষয়াই কয়।

## শ্ৰীশ্ৰীগোপীনাথ নামঘৰৰ উদ্বোধনী অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**চামতা, ১২ মে' ঃ** নলবাৰী জিলাৰ শোলমাৰা অঞ্চলৰ শতবৰ্ষ গৰকা উপাসনাস্থলী শ্ৰীশ্ৰীগোপীনাথ নামঘৰটো অঞ্চলবাসীৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ ফলত ন-সাজেৰে সম্পূৰ্ণৰূপে নিৰ্মাণ কৰা হৈছে। তদুপৰি, নামঘৰটো উদ্বোধন কৰাৰ বাবে অহা ১৬ মে'ত শোলমাৰাৰ গাঁও উন্নয়ন সমিতিৰ উদ্যোগত এখন উন্মোচনী অনুষ্ঠানৰ লগতে পৰম্পৰাগত শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ বাৰ্ষিক হোম অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, সিদিনা পুৱা সমূহীয়া চাফাই ১৩ পৃষ্ঠাত চাওক

## বিহুৰ পুঁজিৰ ধনেৰে বৰনামঘৰলৈ আলমিৰা দান

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১২ মে' ঃ** গোলাঘাট জিলাৰ ভিতৰতে এখন অন্যতম বৃহৎ গাঁও হ'ল দেৰগাঁৱৰ বংগাল গাঁও আৰু এই গাঁওখনৰ বৰনামঘৰৰ অংশীদাৰসকলৰ উদ্যোগত যোৱা ৩০ এপ্ৰিল আৰু পহিলা মে'ত অনুষ্ঠিত হয় প্ৰথম বাৰ্ষিক ৰঙালী বিহু। সন্মিলনখনৰ উদ্‌যাপন সমিতিয়ে শেহতীয়াকৈ সমাজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰা দেখা গৈছে। উল্লেখ্য যে প্ৰথম বাৰ্ষিক ৰঙালী বিহু সন্মিলনখনৰ উদ্‌যাপন সমিতিয়ে বিহু সন্মিলন অনুষ্ঠিত হোৱাৰ ১০ দিনৰ ভিতৰতে যোৱা ১০ মে'ৰ নিশা ৰাজহুৱা সভা পাতি আয়-ব্যয়ৰ হিচাপ দাখিল কৰে। বঙালগাঁও বৰ নামঘৰত নিশা আঠ বজাৰ পৰা অনুষ্ঠিত হিচাপে দাখিলৰ এই ৰাজহুৱা সভাত সভাপতিত্ব কৰে উদ্‌যাপন সমিতিৰ সভাপতি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন্দ্ৰ নাথ বৰুৱাই। সভাৰ আৰম্ভণিতে উদ্‌যাপন সমিতিৰ সম্পাদকদ্বয়ৰ ফালৰ পৰা দীপক শইকীয়াই সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱাৰ লগতে ১৩ পৃষ্ঠাত চাওক

## নলীগাঁও সমল কেন্দ্ৰত সম্প্ৰদায় উৎসৱৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ১২ মে' ঃ** সমগ্ৰ শিক্ষা অভিযানৰ উদ্যোগত বৰপেটা শিক্ষা খণ্ডৰ নলীগাঁও মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত নলীগাঁও গাৰ্লছ এমই মাদ্ৰাছাত অহা ১৪ মে'ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সম্প্ৰদায় উৎসৱৰ বাবে নলীগাঁও আৰু ভক্তৰডবা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহৰ মাজত ব্যাপক প্ৰস্তুতি তথা উৎসাহ পৰিলক্ষিত হৈছে। সম্প্ৰদায় উৎসৱ যাতে সফলভাৱে সম্পন্ন হয় তাৰ প্ৰস্তুতি সন্দৰ্ভত যোৱা ৩০ এপ্ৰিলত এখন সভা নলীগাঁও সমল কেন্দ্ৰৰ নলীগাঁও গাৰ্লছ এমই মাদ্ৰাছাত অনুষ্ঠিত হয়। নলীগাঁও ছোৱালী এমই মাদ্ৰাছাৰ প্ৰধান শিক্ষক ৰাইজউদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত ভক্তৰডবা আৰু নলীগাঁও সমল কেন্দ্ৰৰ প্ৰায় শতাধিক শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। ১৩ পৃষ্ঠাত চাওক

## বগীনদীৰ গুলিচালনা ঘটনাৰ অভিযুক্তৰ আত্মসমৰ্পণ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১২ মে' ঃ** লখিমপুৰ জিলাৰ বগীনদীৰ মাজগাঁৱত যোৱা ছয় মে'ৰ নিশা সংঘটিত গুলিচালনাৰ ঘটনাৰ মূল অভিযুক্ত সত্যজিৎ ৰেগনে কালি বিয়লি তিনি বজাত লখিমপুৰ অতিৰিক্ত ন্যায়িক দণ্ডাধীশৰ আদালতত আত্মসমৰ্পণ কৰে। উল্লেখ্য যে শুকুৰবাৰে সংঘটিত গুলিচালনাৰ ঘটনাত বৰপেটা তেৰাবাৰী থানাৰ অন্তৰ্গত ৰৌমাৰী গাঁৱৰ প্ৰয়াত ফজৰ আলীৰ পুত্ৰ গুলবাহাৰ আলীক ব্ৰয়লাৰ দানাভৰ্তি ট্ৰাক ৰখোৱাৰ কাৰ্যত বাক-বিতণ্ডা হৈ ট্ৰাকচালক গুলবাহাৰ আলীক নিজৰ অনুজ্ঞাপত্ৰ থকা পিষ্টলেৰে গুলীয়াইছিল। বৰ্তমান গুলবাহাৰ আলী ডিব্ৰুগড় অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ইতিমধ্যে আত্মসমৰ্পণ কৰা অভিযুক্তক জেল হাজোতলৈ প্ৰেৰণ কৰা হৈছে।

## ৰাক্ষসিনীত হাতীৰ উপদ্ৰৱ চাৰিটাকৈ গৃহ লণ্ডভণ্ড

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ মে' ঃ** গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ৰাক্ষসিনী অঞ্চলত যোৱা নিশা এক বজাত এটা অকলশৰীয়া বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই তিনিটা পৰিয়ালৰ চাৰিটাকৈ গৃহ লণ্ডভণ্ড কৰে। ইয়াৰে মিলনপাৰাৰ তুলাৰাম গুৰুঙৰ দুটা আৰু সঞ্জীৱ গুৰুঙৰ এটা গৃহৰ লগতে ৰাক্ষসিনী দ্বিতীয় খণ্ডৰ নিৰ্মল ঘোষৰ এটা ঘৰ ভাঙি ধান আৰু চাউল খোৱাৰ উপৰি অন্যান্য সা-সম্পত্তি নষ্ট কৰে। উল্লেখ যে গোৱালপাৰা জিলাত হস্তী-মানুহৰ সংঘাতে তীব্ৰতৰ ৰূপ ধাৰণ কৰিছে যদিও নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰ তথা বন বিভাগে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰা বুলি অভিযোগ উত্থাপিত হৈছে। অৱশ্যে আজি পুৱা বন বিভাগৰ লোকৰ লগতে হাতী আৰু মানুহৰ সংঘাত নিবাৰণী আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰ্মল সূত্ৰধৰ আৰু স্থানীয় গাঁওৰক্ষী বাহিনীৰ সম্পাদক জুলফিকাৰ আলী আহমেদে ক্ষতিগ্ৰস্ত লোকসকলৰ ঘৰলৈ গৈ ক্ষয়-ক্ষতিৰ বুজ লয়।

### যোৰহাট সাহিত্য সভাৰ উদ্যোগত 'স্বদেশ স্বাভিমান' সম্পন্ন

## অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি নতুন প্ৰজন্ম শ্ৰদ্ধাশীল হোৱা উচিত ঃ শইকীয়া

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১২ মে' ঃ** অসম সাহিত্য সভাৰ গুৰি ধৰোতা শৰৎ চন্দ্ৰ গোস্বামীৰ ওপজা দিনৰ স'তে সংগতি ৰাখি আজি দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত যোৰহাট সাহিত্য সভাই 'স্বদেশ স্বাভিমান' শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰে। যোৰহাট সাহিত্য সভাৰ সভাপতি ড° দিপালী খাৰঘৰীয়াৰ সঞ্চালনাত অনুষ্ঠিত 'স্বদেশ স্বাভিমান' অনুষ্ঠান দূৰভাষযোগে উদ্বোধন কৰে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। উদ্বোধনী ভাষণত



সভাপতি শইকীয়াই নতুন প্ৰজন্মৰ শিক্ষাৰ্থীসকলক অসমীয়া ভাষা সাহিত্যৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ আহ্বান জনায়। চিনামৰা জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী বিদিশা হাজিৰকাই 'শৰৎ চন্দ্ৰ গোস্বামীৰ সাহিত্য কৃতি, জয়া বিদ্যাপীঠৰ বৰ্ষা দত্তই লক্ষ্মীনাথ বেজবৰুৱা আৰু জাতীয় চেতনা, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীদ্বয় অন্তৰীপ কাকতি আৰু অনল অংকুৰ বৰাই ক্ৰমে 'অসম সাহিত্য সভা আৰু নৱপ্ৰজন্ম, অসমীয়া ভাষাৰ সংকট আৰু প্ৰত্যাহ্বান', ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰে নীহাৰিকা শইকীয়াই 'সাহিত্যক শৰৎ চন্দ্ৰ গোস্বামী প্ৰৱন্ধৰাজি' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰা অনুষ্ঠানৰ আঁত ধৰে যোৰহাট সাহিত্য সভাৰ সম্পাদক অজন্ত কুমাৰ বৰাই। বক্তাসকলে অনুষ্ঠানৰ মাজতে কবি, উত্তৰ পশ্চিম যোৰহাট কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক অশান্ত ৰাতুল দত্তৰ 'হাততে হেৰায় সময়' পুথিখন উন্মোচন ১৩ পৃষ্ঠাত চাওক

TATA TECHNOLOGIES

সত্যমেব জয়তে
GOVERNMENT OF ASSAM

Azadi Ka Amrit Mahotsav

# যুৱ উৎকৰ্ষ সাধনৰ দিশত বলিষ্ঠ পদক্ষেপ



## বুজাবুজিৰ চুক্তি স্বাক্ষৰ

অসম চৰকাৰ আৰু টাটা টেকন'ল'জিছ লিমিটেড

### উৎকৰ্ষ কেন্দ্ৰ হিচাপে উন্নীতকৰণ

**৩৪খন পলিটেকনিক**
(উচ্চ শিক্ষা বিভাগ)

**৪৩খন আই টি আই**
(দক্ষতা, নিযুক্তি আৰু উদ্যমিতা বিভাগ)

প্ৰতি বছৰে ১৫,০০০ৰ পৰা ২০,০০০ শিক্ষাৰ্থীৰ উৎকৰ্ষ সাধনৰ দ্বাৰা উদ্যোগ ৪.০ (Industry 4.0) ৰ বাবে সাজু কৰাৰ লক্ষ্য

**মুঠ প্ৰকল্প ব্যয় : ২,৩৯০.৮০ কোটি টকা**

অসম চৰকাৰৰ অংশ ঃ ৩৬৬.০৬ কোটি টকা

প্ৰযুক্তি পৰীক্ষাগাৰ স্থাপন আৰু কৰ্মশালাৰ বাবে প্ৰতিটো প্ৰতিষ্ঠানত ১২,৫০০ বৰ্গ ফুট ঠাই





### উদ্দেশ্যসমূহ

- মানৱ সম্পদক অধিক নিয়োগযোগ্য দক্ষতাৰে সাজু
- বহুজাতিক কৰ্প'ৰেচনসমূহৰ সৈতে অংশীদাৰিত্ব
- চাহিদাজনিত প্ৰযুক্তিত যুৱচামৰ দক্ষতা বৃদ্ধি
- নিয়োগ সৃষ্টি আৰু উদ্যমিতাৰ বাবে এম এছ এম ইলৈ ঔদ্যোগিক প্লেটফৰ্ম



### পদক্ষেপসমূহ

- বৰ্তমান উদ্যোগৰ চাহিদা অনুসৰি দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী পাঠ্যক্ৰম আৰু প্ৰশিক্ষণ
- অত্যাধুনিক পৰীক্ষাগাৰ আৰু কৰ্মশালা
- প্ৰতিটো প্ৰতিষ্ঠানত ৫ বছৰৰ বাবে টাটা নেতৃত্বাধীন ঔদ্যোগিক কাৰিকৰী বিশেষজ্ঞৰ দ্বাৰা প্ৰশিক্ষণ
- শিক্ষক আৰু সহায়ক কৰ্মচাৰীৰ বাবে প্ৰশিক্ষণ
- শিক্ষাৰ্থীসকলৰ বাবে গৱেষণামূলক আৰু লঘু দক্ষতা অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰশিক্ষণ
- উদ্যোগ আৰু ষ্টাৰ্ট-আপৰ বাবে সমৰ্পিত ইনকিউবেচন ইউনিট থকা প্ৰতিষ্ঠানসমূহত আধুনিক সংস্থাপন কোষ (Placement Cell)

জনতাৰ চৰকাৰ | myGOV মেৰী সৰকাৰ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us /@diprassam https://dipr.assam.gov.in/

অসম বাৰ্তা ছুবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি হোৱাটছএপ কৰক

জনসংযোগ/ডি/৩২৫৯/২২




# আজি লাভলীনাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল মেচ

## টাইকোৱান-ড'ত ৰঙাপৰাৰ কাব্যশ্ৰী শইকীয়াৰ সোণৰ পদক অৰ্জন

**বিশেষ সংবাদদাতা,**
**ৰঙাপৰা,১২ মে' ঃ** তেজপুৰত অনুষ্ঠিত শোণিতপুৰ জিলা টাইকোৱান-ড' প্ৰতিযোগিতাৰ ছোৱালীৰ শাখাত ৰঙাপৰাৰ কাব্যশ্ৰী শইকীয়াই সোনৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শোণিতপুৰ জিলা টাইকোৱান-ড' সন্থাৰ উদ্যোগত আৰু তেজপুৰ চাৰিআলি টাইকোৱান-ড' একাডেমীৰ সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাত অনুৰ্ধ ৫১ কেজি শাখাত কাব্যশ্ৰীয়ে সোনৰ পদক অৰ্জন কৰে। মিচন চাৰিআলি বালিকা বিদ্যালয় খেল পথাৰত অনুষ্ঠিত প্ৰতিযোগিতাত অংশগ্ৰহণ কেইবাগৰাকী শক্তিশালী প্ৰতিযোগীক পৰাস্ত কৰিবলৈ সক্ষম হয় ।ৰঙাপৰা নামনিগাওৰ দেৱব্ৰত শইকীয়া আৰু পাপৰী শইকীয়াৰ একমাত্ৰ কন্যা কাব্যশ্ৰী শইকীয়া ৰঙাপৰাৰ গ্ৰীনডেল ইংৰাজী বিদ্যালয়ৰ নৱম মানৰ ছাত্ৰী আৰু বিগত তিনি বছৰ ধৰি জোনমনী বড়ো বৰ্মনৰ তত্বাৱধানত টাইকোৱান-ড'ৰ প্ৰশিক্ষণ লৈ আছে। কাব্যশ্ৰী শইকীয়াই সোনৰ পদক জয় কৰি সুনাম কঢ়িয়াই অনাত অঞ্চলটোৰ ৰাইজ উৎফুল্লিত হৈছে।



## বিশ্ব মহিলা বক্সিং প্ৰতিযোগিতা

**ইষ্টানবুল, ১২ মে' ঃ** তুৰস্কৰ ৰাজধানী ইষ্টানবুলত চলি থকা বিশ্ব মহিলা বক্সিং প্ৰতিযোগিতাত কাইলৈ পুনৰ ৰিঙত নামিব অসমৰ ভাৰত গৌৰৱ মহিলা বক্সাৰ লাভলীনা বৰগোঁহাই। কাইলৈ হ'বলগা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত লাভলীনা মুখামুখি হ'ব প্ৰথম ৰাউণ্ডত 'বাই' লাভ কৰা চিন্দি নগাম্বাৰ। উল্লেখ্য যে টকিঅ' অলিম্পিকৰ দীৰ্ঘ বিৰতিৰ পাছত চলিত বিশ্ব মহিলা বক্সিং প্ৰতিযোগিতাৰ জড়িয়তে পুনৰ ৰিঙত নামিছে ভাৰতীয় বক্সিঙৰ নতুন গ্লেমাৰ গাৰ্ল অসম কন্যা লাভলীনা বৰগোঁহাই। প্ৰতিযোগিতাৰ উদ্বোধনীৰ দিনাই অভিযান আৰম্ভ কৰা লাভলীনাই ৭০ কিলোগ্ৰাম শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত মুখামুখি হয় প্ৰাক্তন বিশ্ব চেম্পিয়ন চাইনিছ টাইপেৰ চিন নান চিনৰ। স্বাভাৱিকতে অলিম্পিকৰ পাছত এয়া প্ৰথমটো অগ্নিপৰীক্ষা আছিল লাভলীনাৰ। কিন্তু নিজৰ চতুৰ কৌশল, শক্তিশালী পাঞ্চ আৰু মানসিক দৃঢ়তাৰে ৰিঙত প্ৰৱেশ কৰিয়েই বিপক্ষক বিধ্বস্ত কৰি দিয়ে অলিম্পিক পদকজয়ী বক্সাৰগৰাকীয়ে। ৩-২ ৰ ব্যৱধানত প্ৰথম ৰাউণ্ডৰ মেচত জয়ী হৈ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে লাভলীনা। কাইলৈৰ মেচক লৈয়ো আত্মবিশ্বাসী টকিঅ' অলিম্পিকত ব্ৰঞ্জ জয়ৰে ইতিহাস গঢ়া লাভলীনাই। প্ৰথম ৰাউণ্ডত জয়লাভ কৰাৰ পাছত লাভলীনাই কৈছিল- 'টকিঅ' অলিম্পিকে মোক অভিজ্ঞ কৰাৰ লগতে বহুখিনি নতুন কাৰিকৰী জ্ঞান দিছে। নমাহ পাছত প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক মেচ খেলি সেয়া ৰিঙত নিজে অনুভৱ কৰিছো। অৱশ্যে প্ৰথম ৰাউণ্ডৰ মেচত মই মোৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা বুলি ক'ব নোৱাৰো। আনাগত মেচত আৰু ভাল খেলিম বুলি মই আশাবাদী আৰু দৃঢ়। টকিঅ' অলিম্পিকৰ পাছত প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক মেচত অংশ লোৱাক লৈ মানসিক চাপ আৰু অস্থিৰতা স্বাভাৱিকতে আছিল যদিও মোৰ কঠোৰ অনুশীলন তথা প্ৰশিক্ষকৰ সহযোগিতাই মেচ জয়ত সহায় কৰিলে। অনাগত মেচত এই ধাৰা অব্যাহত ৰাখি আৰু অধিক ভাল খেলা লগতে দেশৰ হৈ সোণ জয় কৰা মোৰ লক্ষ্য।' উল্লেখ্য যে বিশ্ব মহিলা বক্সিং প্ৰতিযোগিতাত ইমানদিনে ভাৰতৰ জাতীয় পতাকা গৌৰৱৰে ধৰি ৰাখিছিল দেশৰ প্ৰথম অলিম্পিক পদকজয়ী মহিলা বক্সাৰ মনিপুৰৰ এম চি মেৰীকমে। কিন্তু এইবাৰ ভাৰতীয় দলত নাই সাতবাৰৰ বিশ্ব চেম্পিয়ন এম চি মেৰীকম। সেয়ে মেৰীৰ উত্তৰসুৰী হিচাপে সমগ্ৰ দেশবাসীৰ আশা আৰু দৃষ্টি লাভলীনাৰ ওপৰতে আশীৰ্বাদৰে নিবদ্ধ।

## উবেৰ কাপ বেডমিণ্টন প্ৰতিযোগিতা
## কোৱাৰ্টাৰ ফাইনেলত অভিযান সামৰিলে ভাৰতৰ মহিলা দলে



**বেংকক, ১১ মে' ঃ** চলিত উবেৰ কাপ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত অভিযান সামৰিছে ভাৰতৰ মহিলা দলে। উল্লেখ্য যে আজি হোৱা কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ মহিলা দল মুখামুখি হয় থাইলেণ্ডৰ। ঘৰুৱা দলটোৱে ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতৰ মহিলা দলক। এয়াৰ ভাৰতৰ মহিলা দলৰ ক্ৰমাগত দ্বিতীয় ব্যৰ্থতা। উল্লেখ্য যে গ্ৰুপ 'ডি'ৰ অন্তিমখন মেচত কালি কোৰিয়াই ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতৰ মহিলা দলক। পি ভি সিন্ধু ১৫-২১, ১৪-২১ ৰ ব্যৱধানত পৰাস্ত হোৱাৰ বিপৰীতে অসম কন্যা অস্মিতা চলিহাও ১৮-২১, ১৭-২১ ৰ ব্যৱধানত পৰাজয়বৰণ কৰে। অৱশ্যে ভাৰতৰ মহিলা দলে প্ৰথম দুখন মেচত কানাডা আৰু আমেৰিকাক হৰুৱাই ইতিমধ্যে কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছিল। উল্লেখ্য যে বেংককত অনুষ্ঠিত হৈছে বি ডব্লিউ এফ উবেৰ কাপ আৰু থমাছ কাপ। আমেৰিকাক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল ভাৰতীয় দল। ভাৰতৰ হাতত ৪-১ পইণ্টত পৰাস্ত হয় আমেৰিকা। ইয়াৰ পূৰ্বে ভাৰতীয় মহিলা দলে উদ্বোধনী খেলখনত কানাডাক ৪-১ পইণ্টত পৰাস্ত কৰিছিল।



## মধ্য মণ্ডল টাইকোৱান-ড' চেম্পিয়নশ্বিপত শুৱালকুছিৰ সাফল্য

**অগ্ৰদূতবাৰ্তা**
**শুৱালকুছি, ১২ মে' ঃ** বজালী জিলা টাইকোৱান-ড' সন্থাৰ দ্বাৰা পাঠশালা হৰিমন্দিৰত অনুষ্ঠিত হোৱা মধ্য মণ্ডল টাইকোৱান-ড' প্ৰতিযোগিতাত শুৱালকুছিৰ মৰ্ডান টাইকোৱানড' একাডেমীৰ ন গৰাকী খেলুৱৈয়ে সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত মনিষা দাসে সোণ,হীৰকজ্যোতি বড়োই সোণ,অংকিতা বাচফ'ৰে সোণ,নিৰ্মল নাথ ,মঞ্জিল বড়ো আৰু নিশান্ত কুমাৰে ৰূপৰ পদক তথা বাবলু বড়ো , সৌৰভ দাস, আৰু দৰ্শিতা কুমাৰে ব্ৰঞ্জৰ পদক লাভ কৰে।

## আইটা চেম্পিয়নশ্বিপ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা
## ফাইনেলত অসমৰ ছগৰাকী খেলুৱৈ

**গুৱাহাটী, ১২ মে' ঃ** অসমৰ মুঠ ছগৰাকী খেলুৱৈয়ে গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা ১২ আৰু ১৪ বছৰ অনূৰ্ধ্ব শাখাৰ আইটা চেম্পিয়নশ্বিপ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে আজি প্ৰতিযোগিতাৰ ল'ৰা-ছোৱালী উভয়ৰে একক আৰু ডাবলছ শাখাৰ ছেমিফাইনেলৰ মেচসমুহ অনুষ্ঠিত হয় আৰু অসমৰ মুঠ নগৰাকী খেলুৱৈয়ে ছেমিফাইনেল খেলে যদিও ইয়াৰে ছগাৰকীয়ে নিজৰ নিজৰ মেচত জয়লাভ কৰি খিতাপৰ যুঁজত স্থান নিশ্চিত কৰে। ল'ৰাৰ ১২ বছৰ অনূৰ্ধ্বৰ একক শাখাৰ ছেমিফাইনেলত অসমৰ চান্দোজ্জা টি পাঠক আৰু অভয় ভড়ালীয়ে জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ অসমৰ খেলুৱৈৰ মাজতে হ'ব খিতাপৰ যুঁজ। ইফালে, ছোৱালীৰ ১২ বছৰ অনূৰ্ধ্ব একক শাখাত অৰ্ণবি দেৱনাথে ছেমিফাইনেলত জয়ী হৈ ফাইনেলত স্থান নিশ্চিত কৰে। বিপৰীতে , ল'ৰাৰ ১৪ বছৰ অনূৰ্ধ্ব একক শাখাৰ দুয়োখন ছেমিফাইনেল অসমৰ খেলুৱৈৰ মাজতে অনুষ্ঠিত হয়। আজি ছেমিফাইনেলত জ্যোতিষ্মান বড়োক হৰুৱাই পাৰ্থিব কলিতাই ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে বৰ্ণিল বিহান বৰাক হৰুৱাই ৰিতিক ৰাওটত ফাইনেলত প্ৰৱেশ কৰাত কাইলৈ এই শাখাৰো খিতাপৰ যুঁজ অসমৰ খেলুৱৈৰ মাজতে হ'ব। ইফালে, ছোৱালীৰ ১৪ বছৰ অনূৰ্ধ্ব একক শাখাৰ ছেমিফাইনেলত অসমৰ দুগৰাকী কিশোৰী প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। তেওঁলোক হ'ল নিকিতা কাণ্ড আৰু আদ্ৰিকা ৰাজকুমাৰী। কিন্তু আজি আদ্ৰিকা জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে বিদায় লয় নিকিতা। একক শাখাৰ ফাইনেল মেচসমুহ কাইলৈ পুৱা আৰম্ভ হ'ব।



## শিমলুগুৰিত নৱ যুৱ ক্লাবৰ পৰম্পৰাগত খেল-ধেমালি সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১২ মে' ঃ** নগাঁও জিলাৰ শিমলুগুৰিত ঈদ উল ফিটৰ উপলক্ষে বৰ্ণাঢ্য কাৰ্যসূচীৰে চাৰিদিনীয়াকৈ পৰম্পৰাগত বিভিন্নধৰণৰ খেল-ধেমালি অনুষ্ঠিত হয়। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে ক্ৰীড়া সমিতিৰ সভাপতি ছাদিকুৰ ৰহমানে। তাৰ পিছত দৌৰ, কাবাডী, তিনিঠেঙীয়া দৌৰ, ৰছী টনা, টেকেলী ভঙা, কুকুৰা যুঁজ, উঠা-বহা, সংগীত চকী, শিয়াল পণ্ডিত, লং জাম্প, হাই জাম্প, চাইকেল শ্ল', পাঞ্জা, লাঠী টনা, ভেশচন প্ৰতিযোগিতা আদি কেইবাটাও শাখাত গাঁওখনৰ কণ-কণ শিশু, যুৱক-যুৱতী, পুৰুষ-মহিলাৰ লগতে বয়োজ্যেষ্ঠ লোকে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। নিতৌ দুই শতাধিক লোকে ভাগ লোৱা এই খেল-ধেমালিসমূহৰ অন্তত সামৰণিৰ দিনা কেৰাট প্ৰতিযোগিতাও অনুষ্ঠিত হয়। গাঁওখনৰ বৰ্ষীয়ান লোক তথা অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আব্বাছ আলীৰ সভাপতিত্বত অন্তিমদিনা অনুষ্ঠিত বঁটা বিতৰণী সভাত প্ৰাক্তন পঞ্চায়ত সভাপতি মতিউৰ ৰহমান, শিমলুগুৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মোস্তাফা আমিনুল্লাহ, সমাজকৰ্মী আব্দুছ ছালাম আদিকে প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি পুৰস্কাৰসমূহ বিতৰণ কৰে।



## বিজনীত আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত ব্যুৰ**
**বঙাইগাঁও, ১২ মে' ঃ** চিৰাং জিলাৰ বিজনী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অহা পাঁচ জুনৰ পৰা আৰম্ভ হ'ব আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতা । বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিতব্য 'এ ডিভিজন' আৰু 'বি ডিভিজন' আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাত যোগদানৰ অন্তিম দিন অহা ২৫ মে' । ইচ্ছুক ফুটবল ক্লাব সমূহক অহা ২৫ মে'ৰ ভিতৰত বিজনী জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক নবীন গয়াৰী ৯৯৫৪০-৩৭২৩৩৪, ফুটবল সম্পাদকদ্বয় ৰাজু বসুমতাৰী ৭০০২৮৮২৮০১ আৰু সত্যনাথ ব্ৰহ্মৰ ৭০০২১৭৫৯৭১ ৰ লগত যোগাযোগ কৰিবলৈ সাধাৰণ সম্পাদকে আহ্বান জনাইছে ।

## ১২-১৪ বছৰ অনূৰ্ধ্ব ৰাষ্ট্ৰীয় টেনিছ
## ডাবলছ শাখাত অসমৰ খিতাপ জয় নিশ্চিত

**গুৱাহাটী, ১২ মে' ঃ** অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা ১২ আৰু ১৪ বছৰ অনূৰ্ধ্ব শাখাৰ আইটা চেম্পিয়নশ্বিপ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত আয়োজক ৰাজ্যৰ খেলুৱৈৰ জয়ৰ ধাৰা অব্যাহত আছে। উল্লেখ্য যে অসমৰ মুঠ ছগৰাকী খেলুৱৈয়ে একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে প্ৰতিযোগিতাৰ ডাবলছ শাখাতো অসমৰ খেলুৱৈসকলে আশাপ্ৰদ প্ৰদৰ্শন কৰিছে। উল্লেখ্য যে ডাবলছ শাখাৰ ছেমিফাইনেলৰ মেচো আজি চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত। ল'ৰাৰ ১২ বছৰ অনূৰ্ধ্বৰ ডাবলছ শাখাৰ ছেমিফাইনেলত জয় অৰ্জন কৰি অসমৰ চান্দোজ্জা টি পাঠক আৰু অভয় ভড়ালীয়ে খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছে। আনহাতে, ল'ৰাৰ ১৪ বছৰ অনূৰ্ধ্বৰ ডাবলছ শাখাৰ খিতাপৰ যুঁজ অসমৰ খেলুৱৈৰ মাজতে হ'ব। ছোৱালীৰ ১৪ বছৰ অনূৰ্ধ্বৰ ডাবলছ শাখাৰ খিতাপৰ যুঁজতো অসমৰ এটা যুটি প্ৰৱেশ কৰিছে। কাইলৈ প্ৰতিযোগিতাৰ অন্তিম দিন। ল'ৰা-ছোৱালীৰ প্ৰতিযোগিতাখনত মুঠ অংশগ্ৰহণকাৰী খেলুৱৈৰ সংখ্যা হ'ল ১২০ঙ্গ অসমসহ মুঠ ১০ খন ৰাজ্যৰ খেলুৱৈয়ে অংশ লৈছে চেম্পিয়নশ্বিপ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখনত। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা মতে প্ৰতিযোগিতাখনত অসমৰ ল'ৰা-ছোৱালীৰ লগতে ওডিছা, বংগ, কৰ্ণাটক, তামিলনাড়ু, উত্তৰ প্ৰদেশ, অন্ধ্ৰ প্ৰদেশ, ছিকিম, বিহাৰ, আৰু মিজোৰামৰ খেলুৱৈয়ে অংশ লৈছে।



## প্ৰথমদিনাই বলিঙত ৰোহিত-আবিৰ-অম্লানৰ চমক
## এ চি এৰ নুৰুদ্দিন ট্ৰফী ক্ৰিকেটৰ ফাইনেল ৰাউণ্ডৰ মেচ আৰম্ভ



**গুৱাহাটী, ১২ মে' ঃ** অসম ক্ৰিকেট সন্থাৰ তত্ত্বাৱধানত গুৱাহাটীৰ চাৰিটা স্থানত আজিৰে পৰা আৰম্ভ হৈছে নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট টুৰ্ণমেণ্টৰ ফাইনেল ৰাউণ্ডৰ মেচসমূহ । উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ মেচ ইতিমধ্যে সুকলমে অনুষ্ঠিত হোৱাৰ পাছত ফাইনেল ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰা মুঠ দলৰ সংখ্য হ'ল ১২ টা । এই দলকেইটাক চাৰিটা গ্ৰুপত বিভক্ত কৰা হৈছে । গ্ৰপ 'এ'ৰ মেচবোৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত খেলিছে গুৱাহাটী, মৰিগাঁও আৰু তেজপুৰে। ইফালে, জজ খেলপথাৰত গ্ৰুপ 'বি'ৰ মেচ খেলিছে এন এফ ৰেলৰে, বঙাইগাঁও আৰু ডিব্ৰুগড়ে ।একেদৰে গ্ৰুপ 'চি'ৰ মেচ আমিনগাঁৱত খেলিছে নগাঁও, তিনিচুকীয়া আৰু শিলচৰে। আনহাতে, বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামৰ দ্বিতীয় খেলপথাৰত গ্ৰুপ 'ডি'ৰ মেচত খেলিছে বৰপেটা, বিশ্বনাথ আৰু কাৰ্বি আংলঙে। আজি শিৱশংকৰ ৰয়ৰ (২১৬ৰ অপৰাজিত দ্বিশতকৰে ৰেলৰে ৩৮৪-৪ ৰাণ কৰে বঙাইগাৱৰ বিৰুদ্ধে। ইফালে, ৰোহিত সিঙৰ (৪৫-৫ৰ ৰ বলিঙত বিধ্বস্ত হৈ মৰিগাঁৱে ১৩২ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত গুৱাহাটীয়ে দিনান্তত এৰিক ৰয়ৰ (১১৯ৰ অপৰাজিত শতকৰে ২২৩-৩ ৰাণ কৰে। অন্য এখন মেচত আবিৰ চক্ৰৱৰ্তীৰ (৩৩-৬ৰ ৰ বলিঙত বিধ্বস্ত হৈ নগাঁৱে ১৬৮ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত তিনিচুকীয়াই দিনান্তত ৫৯-৪ ৰাণ কৰিছে। ইফালে, অম্লানজ্যোতি দাসৰ (২৪-৬ৰ ৰ বলিঙত বিধ্বস্ত হৈ বিশ্বনাথে ১৪১ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত বৰপেটাই দিনান্তত ৪৪-১ ৰাণ কৰিছে।

### শিৱৰ দ্বিশতক এৰিকৰ শতক


জুভেণ্টাছক টাইব্ৰেকাৰত ৪-২ ত পৰাস্ত কৰি ইটালীয়ান কাপ দখল এ চি মিলানৰ

## ৰাষ্ট্ৰীয় স্কেটবৰ্ড চেম্পিয়নশ্বিপলৈ অসমৰ প্ৰস্তুতি

মহাৰাষ্ট্ৰৰ শোলাপুৰত অহা ২৭ মে'ৰ পৰা অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় স্কেটবৰ্ড চেম্পিয়নশ্বিপ । অলিম্পিক ইভেণ্ট হিচাপে পৰিগণিত এই ৰাষ্ট্ৰীয় স্কেটবৰ্ড প্ৰতিযোগিতাত অসমৰ এটা দলে অংশ গ্ৰহণ কৰিব । ৰাজ্যিক দলটো গঠন কৰিবলৈ অহা ২১-২২ মে'ত গুৱাহাটী মালিগাঁৱৰ স্কেট পাৰ্কত এক বাছনি তথা প্ৰদৰ্শনী শিৱিৰৰ আয়োজন কৰা হৈছে । উক্ত ৰ'লাৰ স্পৰ্টছ প্ৰদৰ্শনী শিৱিৰত অংশগ্ৰহণ কৰাৰ বাবে সকলো ক্ৰীড়াপ্ৰেমীকে অসম স্কেটবৰ্ড সন্থাই আহ্বান জনাইছে ।ইতিমধ্যে বিকাশ আগৰৱালাক সভাপতি আৰু নিবিৰ ডেকাক সম্পাদক হিচাবে লৈ ভাৰতীয় স্কেটবৰ্ড সন্থাৰ স্বীকৃতিপ্ৰাপ্ত অসম স্কেটবৰ্ড সন্থা গঠন কৰা হৈছে ।

## ৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ অসম জুনিয়ৰ হকী দল ঘোষণা

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১২ মে' ঃ** তামিলনাড়ুৰ কাৰিলপট্টিত অহা ১৭-২৮ মে'লৈ অনুষ্ঠিত হ'বলগীয়া ১২ সংখ্যক হকী ইণ্ডিয়া জুনিয়ৰ ৰাষ্ট্ৰীয় পুৰুষ হকী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে আজি অসম দলটো নিৰ্বাচন কৰা হয়। অসম হকীৰ সম্পাদক তপন কুমাৰ দাসে ঘোষণা কৰা অসম দলটোৰ খেলুৱৈসকল হ'ল- ভিভাক ৰাজভাৰ (গ'লৰক্ষক) ,বিষুও শৰ্মা ল'হাৰ,অনুৰাগ ৰাজভাৰ,সৌৰভ হাজাম,পাৰ্কিল আলম,সুৰজিৎ চক্ৰৱৰ্তী,কল্যাণ মেধি,ৰাহুল পাল,ৰাহুল দাস,ৰিকি গুপ্তা,কুলদীপ মৌৰ্য,দীপজ্যোতি মৰাণ,দীপক ৰাউটিয়া,মনদীপ দে',অৰুজ আলি,ৰমেশ চাহু (অধিনায়ক), বিদ্যুৎ ৰয় (উপ-অধিনায়ক) আৰু দীপ দাস (গ'লৰক্ষক)। কলিয়াবৰৰ মিছাত অনুষ্ঠিত প্ৰশিক্ষণ তথা বাছনি শিবিৰৰ পৰা আজি ঘোষণা কৰা উল্লেখিত দলটোৰ সৈতে পংকজ কুমাৰ শইকীয়া মেনেজাৰ আৰু জি জয়গনেশ প্ৰশিক্ষকৰূপে আছে। আজি মিছাত অসম হকীৰ সম্পাদক তপন কুমাৰ দাস, বিশিষ্ট ক্ৰীড়া সংগঠক উজ্বল বৰুৱা আৰু ক্ৰীড়া ভাৰতীৰ নগাঁও জিলাৰ সভাপতি দিগন্ত বৰাই অসম দলটোৰ সৈতে মুকলি মত-বিনিময় কৰাৰ লগতে হকী খেলুৱৈসকলক হকীৰ প্ৰয়োজনীয় সামগ্ৰীসমূহো আনুষ্ঠানিকভাৱে বিতৰণ কৰে।



অসম চৰকাৰ



# প্ৰতিশ্ৰুতি পূৰণৰ দিশত আৰু এখোজ

## অসম চৰকাৰৰ ১১টা বিভাগৰ ২২,৯৫৮টা পদৰ বাবে নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠান

মাননীয় মুখ্যমন্ত্ৰী
ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা বিতৰণ

সন্মানীয় উপস্থিতি
বিভাগসমূহৰ ভাৰপ্ৰাপ্ত মন্ত্ৰীসকল

### গৃহ
- প্লাটুন কমাণ্ডাৰ – ৪০
- উপ-পৰিদৰ্শক – ৭৫
- কনিষ্টেবল (AB/UB/APRO/F&ES) – ৮,৭৫৪

মুঠ – ৮,৮৬৭

## শিক্ষা

### প্ৰাথমিক শিক্ষা
- নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক – ৫,৬৩৯
- উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক – ১,৭৮৩

মুঠ – ৭,৪২২

### মাধ্যমিক শিক্ষা
- স্নাতকোত্তৰ শিক্ষক – ১,২৯৬
- স্নাতক শিক্ষক – ২,২২১

মুঠ – ৩,৫১৭

### উচ্চ শিক্ষা
- সহকাৰী অধ্যাপক – ১২৩
- গ্ৰন্থাগাৰিক – ১

মুঠ – ১২৪











### জনস্বাস্থ্য কাৰিকৰী
- সহকাৰী অভিযন্তা – [illegible]
- কনিষ্ঠ অভিযন্তা – ২১৯

মুঠ – ৩৩০

### জল সম্পদ
কনিষ্ঠ অভিযন্তা – ১০৫

### সমাজ কল্যাণ
শিশু বিকাশ প্ৰকল্প বিষয়া – ৬৯

### স্বাস্থ্য
- চিকিৎসা শিক্ষা সঞ্চালকালয় – ১৪৫
- স্বাস্থ্য সেৱা সঞ্চালকালয় – ১০০৫
- স্বাস্থ্য সেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ) – ৪৯
- অটল অমৃত অভিযান – ৪২৯
- ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান – ৭৯১

মুঠ – ২,৪১৯



ইতিমধ্যে হৈ যোৱা নিয়মীয়া নিযুক্তি
(১০ মে' ২০২১ৰ পৰা বৰ্তমানলৈ)
**৪,৭৭৯**

### কৃষি
- কনিষ্ঠ সহায়ক (জিলা) – ২৬
- কৃষি সম্প্ৰসাৰণ সহায়ক – ২২
- ক্ষেত্ৰ সহায়ক (টি আই এম) – ৭

মুঠ – ৫৫

### পৰিৱেশ আৰু বন
- বন নিৰীক্ষক – ৭
- বনৰক্ষী – ৭
- অগ্নিনিৰ্বাপক – ৯

মুঠ – ২৩

স্থান ঃ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰ, খানাপাৰা
**তাৰিখ ঃ ১৪ মে' ২০২২**
সময় ঃ দিনৰ ১১-৩০ বজা

নিযুক্তি প্ৰাপ্তসকল পুৱা ১০ বজাৰ ভিতৰত অনুষ্ঠানস্থলীত উপস্থিত হ'ব লাগিব
সকলোৱে এডমিট কাৰ্ড/বাছনিৰ তালিকা অথবা অন্যান্য চিনাক্তকৰণ বৈধ নথি-পত্ৰ লগত অনাটো বাধ্যতামূলক

### লোক নিৰ্মাণ (পথ)
কনিষ্ঠ সহায়ক – ৮

### খনি আৰু খনিজ পদাৰ্থ
- কনিষ্ঠ সহায়ক – ১
- পিয়ন – ১

মুঠ – ২

### শ্ৰমিক কল্যাণ
বীমা চিকিৎসা বিষয়া – ১৭



জনসংযোগ/ডি/৩২৯০/২২

তথ্য আৰু জনসংযোগ সঞ্চালকালয়,অসমৰ দ্বাৰা প্ৰচাৰিত
অসম বাতৰি ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৭১২১৪৮ ত Assam লিখি হোৱাটছএপ কৰক